# দ্বিতীয় অধ্যায়
# শিক্ষা আৰু সম্প্ৰদায় বিকাশ
# (Education and Community Development)

- সম্প্ৰদায় — অৰ্থ, সংজ্ঞা, প্ৰকৃতি (**Community — Meaning, Defination and Nature)**
- বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত সম্বন্ধ (**Relationship between School and Community)**
- সম্প্ৰদায়ৰ বিকাশত শিক্ষকৰ ভূমিকা (**Role of teachers in Community development)**
- শৈক্ষিক অনুষ্ঠানত সম্প্ৰদায়ৰ ব্যক্তিৰ অংশগ্ৰহণ (**Participation ofCommunity people in educational institutions)**
- সম্প্ৰদায়ৰ উন্নয়নত শিক্ষাৰ ভূমিকা (**Role of education in community development)**
- সম্প্ৰদায়ৰ বিকাশত শৈক্ষিক অনুষ্ঠানৰ সমস্যা (**Problems of educational institutions in Community development)**

## প্ৰস্তাৱনা (Introduction) :

মানৱ সমাজ হ'ল সুদৃঢ় সম্পৰ্কৰ জৰিয়তে পৰস্পৰৰ সৈতে যুক্ত হৈ থকা মানুহৰ গোট। সুনিৰ্দিষ্ট সংস্কৃতি আৰু সামাজিক অনুষ্ঠান ভাগবটোৱাৰা কৰা ব্যক্তিৰ মাজত থকা সম্পৰ্কৰ বিভিন্ন আৰ্হিৰে সমৃদ্ধ বৈশিষ্ট্যবোৰে সমাজ এখন পৰিচয় নিৰূপণ কৰে। এই অধ্যায়ত সম্প্ৰদায়ৰ অৰ্থ, সংজ্ঞা, প্ৰকৃতি, বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত সম্পৰ্ক, সম্প্ৰদায়ৰ বিকাশত শিক্ষকৰ ভূমিকা, শৈক্ষিক অনুষ্ঠানত সম্প্ৰদায়ৰ ব্যক্তিৰ অংশগ্ৰহণ ইত্যাদিৰ বিষয়ে বহলভাৱে আলোচনা কৰা হৈছে।

## সম্প্ৰদায়ৰ অৰ্থ (Meaning of Community)

সামাজিক আৰু ৰাজনৈতিক জীৱনত সম্প্ৰদায় হ'ল এটা গুৰুত্বপূৰ্ণ ধাৰণা। মানুহ কেনেধৰণৰ স ম্প্ৰদায়ৰ সদস্য সেই কথাটোৱে তেওঁ যাপন কৰি থকা সামাজিক জীৱনটোক প্ৰভাৱিত কৰে। সম্প্ৰদায় বুজোৱা ইংৰাজী 'community' শব্দটো লেটিন ভাষাৰ পৰা লোৱা হৈছে। 'Com' মানে হ'ল একেলগে বা সন্মিলিতভাৱে আৰু 'munis' মানে হ'ল 'সেৱা আগবঢ়োৱা'। অৰ্থাৎ 'সম্প্ৰদায়' মানে হ'ল একেলগে সেৱা আগবঢ়োৱাৰ উদ্দেশ্যৰে গঢ়ি তোলা এটা মানৱ সংগঠন। 'সম্প্ৰদায়' শব্দটো প্ৰায়েই জাতি, ধৰ্ম, শ্ৰেণী, বৃত্তি, ভাষা আদিৰ সৈতে মিহলি হৈ পৰে। এই ভুল ব্যৱহাৰৰ বাবেই ইয়াক আমি ব্ৰাহ্মণ সম্প্ৰদায়, মুছলমান সম্প্ৰদায়, হিন্দু সম্প্ৰদায়, খৃষ্টান সম্প্ৰদায়, শিক্ষক সম্প্ৰদায়, শিক্ষাৰ্থী সম্প্ৰদায়, নগৰীয় সম্প্ৰদায় আদি ৰূপত পঢ়িবলৈ পাওঁ। কিছুমান লোকে আকৌ মৌখিক আৰু লিখিত উভয় ধৰণৰ সংযোগ স্থাপনৰ সময়ত 'সমাজ' আৰু 'সম্প্ৰদায়' দুয়োটা শব্দকে সমাৰ্থক হিচাপে ব্যৱহাৰ কৰে। এই ব্যৱহাৰো সঠিক নহয়। 'সমাজ' হ'ল এক বিমূৰ্ত ধাৰণা। ই সামাজিক সম্পৰ্কবোৰৰ জালিকা প্ৰণালী (network) এটাৰ কথা বুজায়। সম্প্ৰদায় হ'ল এটা মূৰ্ত; ধাৰণা। ই সমাজ নামৰ বিমূৰ্ত ধাৰণাটো প্ৰকট কৰে। মানুহৰ গোট এটাক সমাজ বুলি কোৱা নহয় বাবেই সমাজক এক বিমূৰ্ত ধাৰণা বোলা হয়। সমাজৰ ভিত্তি হ'ল সামাজিক সম্পৰ্ক। সমাজ হ'ল মানৱীয় সম্পৰ্কৰ জালিকা প্ৰণালী। আনহাতে সম্প্ৰদায়ক এটা সামাজিক অনুষ্ঠান বুলি কোৱাৰ কাৰণ হ'ল কোনো এডোখৰ নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত বসবাস কৰা মানুহৰ গোট সম্প্ৰদায় গঠন কৰে। এনে গোটৰ সদস্যসকলৰ উমৈহতীয়া জীৱন শৈলী, ভাষা, উদ্দেশ্য আৰু বৃত্তি থাকে। ই এডোখৰ ক্ষুদ্ৰ স্থানত একেলগে বাস কৰা মানুহৰ থুপ। সম্প্ৰদায়ৰ সদস্যসকলে যিমানখিনি পাৰে সিমান এটা উমৈহতীয়া জীৱন যাপনৰ পন্থা ভাগ বটোৱাৰা কৰে।

## সম্প্ৰদায়ৰ সংজ্ঞা (Definitions of Community)

সম্প্ৰদায়ৰ ধাৰণা প্ৰদানৰ বাবে বিভিন্ন শিক্ষাবিদে কেতবোৰ সংজ্ঞা আগবঢ়াইছে। সম্প্ৰদায়ৰ কেইটামান সংজ্ঞা তলত উল্লেখ কৰা হ'ল—

**কে. ডেভিচ. (K. Davis) :** "সম্প্ৰদায় হ'ল সামাজিক জীৱনৰ সকলো দিশ সামৰি ল'ব পৰা ক্ষুদ্ৰতম আঞ্চলিক গোট।" (A Community is the smallest territorial group that canembrace all aspects of social life.)

**জিন্সবাৰ্গ (Ginsberg) :** সম্প্ৰদায় বুলিলে এটা উমৈহতীয়া জীৱন যাপন কৰি থকা সামাজিক জীৱৰ এটা গোটৰ কথা বুজা যায়। এই জীৱনে সম্পৰ্কৰ সীমাহীন বৈচিত্ৰ্য আৰু জটিলতাক সামৰি লয়। এইবোৰ গোটটোৱে, যাপন কৰি থকা উমৈহতীয়া জীৱনৰ ফচল নাইবা এইবোৰেই উমৈহতীয়া

জীৱনটো গঢ়ি তুলিছে।" (By community is to be understood a group of social beings living a common life including all the infinite variety and complexity of relations which result from common life or constitute it.)

**অগ্‌বাৰ্ণ আৰু নিমকফ্ (Ogburn and Nimkoff) :** "এক সীমিত এলেকাৰ ভিতৰত সামাজিক জীৱনৰ সৰ্বমুঠ সংগঠনকে সম্প্ৰদায় বুলি ক'ব পাৰি।" (A community may be thought of as the total organization of social life within a limited area.)

**মেক আইভাৰ আৰু পে'জ (MacIver and Page) :** "যেতিয়া ক্ষুদ্ৰ অথবা বৃহৎ যিকোনো গোটৰ সদস্যই এনেদৰে একেলগে বসবাস কৰিবলৈ লয় যে তেওঁলোকে কেৱল ইটো নাইবা সিটো স্বাৰ্থহে নহয়, এটা উমৈহতীয়া জীৱনৰ মৌলিক চৰ্তবোৰো ভাগ-বটোৱাৰা কৰিবলৈ ধৰে, তেতিয়াই সেই মানুহৰ গোটটোক আমি একোটা সম্প্ৰদায় বুলি কওঁ।" (Whenever the members of any group, small or large, live together in such a way that they share, not this or that particular interest, but the basic conditions of a common life, we call the group a community.)

**বগাৰ্দাচ (Bogardus) :** "সম্প্ৰদায় হ'ল কিছুপৰিমাণে 'আমি' ভাৱনা থকা আৰু এটা প্ৰদত্ত এলেকাত বসবাস কৰি থকা এটা সামাজিক গোট।" (A community is a Social group with some degree of 'we feeling' and living in a given area.)

**অ'ট্টোৱে (Ottaway) :** "কোনো এক সুনিৰ্দিষ্ট অঞ্চলত বাস কৰা প্ৰাপ্ত বয়স্ক আৰু শিশু, সামাজিক আৰু অনা-সামাজিক ব্যক্তি সকলোকে একেলগে সম্প্ৰদায় বোলে। তেওঁলোকে জীৱন যাপনৰ একোটা পন্থাই ভাগ-বটোৱাৰা কৰে।" (A community is everybody-adults and children, social and non-social persons living in a certain territory where all share a mode of life.)

**ব্ৰাউনেল (Brownwell) :** "সম্প্ৰদায় বুলিলে পুৰুষ আৰু মহিলা সমন্বিতে এনে একোটা ক্ষুদ্ৰ বৈচিত্ৰ্যপূৰ্ণ মানুহৰ গোটৰ কথা বুজোৱা হয় যিটোৰ সদস্যসকল ভিন্ ভিন্ দক্ষতা আৰু সামৰ্থ্যৰ গৰাকী তথা তেওঁলোকে স্বজন-চুবুৰীয়া ৰূপে একেলগে বাস কৰে।" (By Community is meant a small diversified group of people, male and females with different skills and abilities living together as kin-neighbours.)

**এলভিন গুড (Alvin Good) :** "সামাজিক যোগাযোগ, বিশেষকৈ এটা সৰু অঞ্চলত বাস কৰা লোকৰ মাজত স্থাপন হোৱা প্ৰত্যক্ষ যোগাযোগৰ ফলত গঢ় লৈ উঠা প্ৰাথমিক গোট এটাকে সম্প্ৰদায় বুলি কোৱা হয়।" (A community is a primary group resulting from social contacts, largely direct of those residing in a small area.)

**বেল আৰু নিউলি (Bell and Newley)**– "কোনো এক অঞ্চলৰ সামাজিক অনুষ্ঠানবোৰৰ মাজত থকা আন্তঃসম্পৰ্কৰ এক সমষ্টি" (A set of inter-relationships among social institutions in a locality).

**জন এলেন জনচন (Jn Allan Johson)**– "সম্প্ৰদায় হ'ল এটা উমৈহতীয়া অঞ্চলত একেলগে বসবাস কৰা মানুহৰ থুপ। তেওঁলোকে পৰস্পৰৰ সৈতে স্থাপন কৰা দৈনিক আন্তঃক্ৰিয়াৰ মাধ্যমেৰে নিজৰ মৌলিক, সামাজিক তথা ভৌতিক প্ৰয়োজনবোৰ পূৰণ কৰে।" (Community is a collection of people who share a common territory and meet their basic physical and social needs through daily interaction with one another.)

কাৰিকৰীভাবে সম্প্ৰদায় হ'ল মানুহৰ এনে এটা গোট যিটোৱে কোনো এডোখৰ ভৌগোলিক স্থানত একেলগে বাস কৰে অথবা কিছুমান উমৈহতীয়া আদৰ্শৰ বাবে পৰস্পৰৰ সৈতে বান্ধ খাই থাকে আৰু উমৈহতীয়া উদ্দেশ্যত উপনীত হ'বলৈ এটা উমৈহতীয়া জীৱন যাপনৰ পথ গ্ৰহণ কৰে। সম্প্ৰদায় ক্ষুদ্ৰ অথবা বৃহৎ হ'ব পাৰে। চাৰি অথবা পাঁচগৰাকী ব্যক্তিয়েও এটা সম্প্ৰদায় গঠন কৰিব পাৰে নাইবা সম্প্ৰদায় এটাত কেইবা শ সদস্যও থাকিব পাৰে। অৰ্থাৎ, গাওঁ, নগৰ, চহৰ, মুছলমান, হিন্দু, খৃষ্টান, বৌদ্ধ, জৈন, শিখ, ভাৰতীয়, আমেৰিকান, ইউৰোপীয়ান, ৰাছিয়ান, বৃটিছ, উপভোক্তা, উৎপাদক সকলোৱেই নিজ নিজ চক্ৰত একো একোটা সম্প্ৰদায়।

## সম্প্ৰদায়ৰ বৈশিষ্ট্য (Characteristics of Community)

ওপৰত কৰা সম্প্ৰদায়ৰ অৰ্থ আৰু সংজ্ঞাৰ আলোচনাৰ সাৰাংশস্বৰূপে সম্প্ৰদায়ৰ স্বৰূপ উপলব্ধি কৰিবৰ বাবে তলৰ বৈশিষ্ট্যসমূহ মন কৰিবলগীয়া —

**১) নিৰ্দিষ্ট ভৌগোলিক এলেকা (Definite Geographical area) :** কোনো এডোখৰ নিৰ্দিষ্ট ভৌগোলিক এলেকাত বাস কৰা মানুহৰ ক্ষেত্ৰত সম্প্ৰদায় শব্দটো প্ৰযোজ্য। ই সদস্যসকলৰ মাজত এক প্ৰকাৰৰ আপোনভাৱ গঢ়ি তোলে। অৰ্থাৎ এটা নিৰ্দিষ্ট অঞ্চলত বাসস্থান থকাটো সম্প্ৰদায়ৰ বাবে এটা আৱশ্যকীয় চৰ্ত।

**২) মানুহৰ গোট (Human group) :** সম্প্ৰদায় হ'ল এটা মূৰ্ত ধাৰণা। অৰ্থাৎ ই এটা নিৰ্দিষ্ট মানুহৰ গোট। কিন্তু কেৱল এটা নিৰ্দিষ্ট ভৌগোলিক এলেকা দখল কৰি থকা মানুহৰ গোটৰ ক্ষেত্ৰতহে এই সংজ্ঞাটো প্ৰযোজ্য।

**৩) উমৈহতীয়া সংস্কৃতি (Common culture) :** সম্প্ৰদায়ৰ সদস্যসকলে উমৈহতীয়া বিশ্বাস, পৰম্পৰা, জীৱনশৈলী, খাদ্যাভ্যাস, গৃহ-নিৰ্মাণশৈলী আদি মানি চলে।

**৪) উমৈহতীয়া ভাষা (Common Language) :** এডোখৰ নিৰ্দিষ্ট এলেকা দখল কৰি থকা গোট এটাৰ সদস্যসকলে এটা উমৈহতীয়া ভাষা ব্যৱহাৰ কৰে।

**৫) উমৈহতীয়া আদৰ্শ আৰু প্ৰত্যাশা (Common ideals and aspirations) :** সম্প্ৰদায় আখ্যা পোৱা মানুহৰ গোট এটাই উমৈহতীয়া আদৰ্শ আৰু প্ৰত্যাশা ভাগ বাটোৱাৰা কৰে। সদস্যসকলৰ জীৱনৰ লক্ষ্যও এনে ধৰণৰ।

**৬) সাম্প্ৰদায়িক আবেগ (Community sentiment) :** ই হ'ল সম্প্ৰদায়ৰ আন এক বৈশিষ্ট্য। কাৰণ এই আবেগ নথকাকৈ মানুহৰ দল এটাই কেৱল এডোখৰ নিৰ্দিষ্ট এলেকাত এটা সম্প্ৰদায় গঠন কৰিব নোৱাৰে। সাম্প্ৰদায়িক আবেগে সদস্যসকলৰ মাজত এক ধৰণৰ একতাৰ ভাৱ গঢ়ি উঠে। ইয়াৰ উপৰি তেওঁলোকে এক আপোন ভাৱ ভাগ বটোৱাৰা কৰে। ই একোটা অঞ্চলতে বসবাস কৰে।

## সম্প্ৰদায়ৰ প্ৰকৃতি (Nature of Community) :

নগৰীয় আৰু গ্ৰাম্য সম্প্ৰদায় হ'ল পাৰস্পৰিক সহযোগৰ দ্বাৰা নিজ নিজ প্ৰয়োজনসমূহ পূৰণ কৰি একোটা অঞ্চলতে বসবাস কৰি থকা মানৱ গোট। এই গোটাবোৰৰ আকাৰ এখন গাঁও নাইবা ক্ষুদ্ৰ গাঁওৰ সমান আৰু নগৰ অথবা চহৰ অঞ্চলত একোটা বস্তি, চ'ক অথবা মোহল্লাৰ সমান হ'ব পাৰে। কোনো এটা মানৱ গোটক তেতিয়াহে সম্প্ৰদায় বুলি কোৱা হয় যেতিয়া গোটটোৰ সদস্যসকলে একেটা অঞ্চলৰে বাসিন্দা হিচাপে নিজৰ সামাজিক জীৱনৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিব পাৰে। ইয়াৰ অৰ্থ হ'ল সম্প্ৰদায়ৰ স্বীকৃতি লাভ কৰা মানৱ গোটবোৰ নিজৰ মৌলিক প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব পৰাকৈ আত্মনিৰ্ভৰশীল। তেওঁলোকৰ থাকিবলৈ ঘৰ আছে আৰু অঞ্চলটোত বিদ্যালয়, চিকিৎসালয় অথবা হাকিমৰ দোকান আছে। তেওঁলোকৰ বাসস্থানৰ কাষতে এটা ডাকঘৰো থকা উচিত। সম্প্ৰদায়ৰ বাবে ইয়াৰ এলেকাৰ ভিতৰত মাদ্ৰাছাসহ একোটা মছজিদ আৰু মৌলবীয়ে কোৰাণ পঢ়োৱা অনুষ্ঠান একোটাও থাকিব লাগে। দৈনন্দিন জীৱনৰ বাবে লাগতিয়াল সামগ্ৰী বিক্ৰি কৰা দোকান, ধান, ঘেঁহু বনা কল, কৃষি কাৰ্যালয়, পশুচিকিৎসালয় আৰু ইউনিয়ন পৰিষদৰ কাৰ্যালয় আদি হ'ল আমাৰ সমাজৰ গ্ৰাম্য সম্প্ৰদায় এটাৰ বাবে প্ৰয়োজনীয় অনুষ্ঠান।

নগৰীয় আৰু গ্ৰাম সম্প্ৰদায়বোৰ হ'ল একেডোখৰ স্থানৰ বাসিন্দা হিচাপে অনুভৱ কৰা টানৰ দ্বাৰা বান্ধ খাই থকা মানৱ গোট। এই টানে তেওঁলোকৰ মনত সম্প্ৰদায়ৰ আবেগ সৃষ্টি কৰে। এটা সম্প্ৰদায়ৰ সদস্যৰ মাজত আন কোনো গোটত পৰিলক্ষিত নোহোৱা দুই ধৰণৰ আবেগ থাকে। ইয়াৰে এটা হ'ল কোনো এডোখৰ নিৰ্দিষ্ট স্থানৰ বাসিন্দা হোৱাৰ আবেগ আৰু আনটো হ'ল ইজনে সিজনৰ হোৱাৰ আবেগ। অৰ্থাৎ সম্প্ৰদায় এটাক পৰিচালিত কৰা আবেগ দুটাৰ উৎস হ'ল বাসথান আৰু পৰস্পৰৰ প্ৰতি থকা আপোন ভাৱ। এই একজোঁট হৈ থকাৰ ভাৱনাটো সৃষ্টি হোৱাৰ মূল কাৰণ হ'ল ঘনিষ্ঠভাৱে আৰু মুখামুখিকৈ সম্পন্ন হোৱা সামাজিক আন্তঃক্ৰিয়া। সম্প্ৰদায়ৰ সদস্যসকলে পৰস্পৰক চিনি পায় আৰু বিভিন্ন কাৰণত সঘনাই লগ পায়। প্ৰাথমিক গোটৰ সদস্যসকলে এনে পৰিস্থিতি বেছিভাগ সময়তে নিজেই নিজৰ মাজত সৃষ্টি কৰে। একেদৰে, একেটা অঞ্চলৰে বাসিন্দা হোৱাৰ বাবে অঞ্চলটোৰ সৈতেও গোটৰ সদস্যসকলৰ এক আবেগিক সম্পৰ্ক স্থাপিত হয়। তেওঁলোকে কোনো পধ্যে নিজৰ এলেকা এৰি আন ক'লৈকো যাব নোখোজে।

সম্প্ৰদায় হ'ল এটা উমৈহতীয়া সংস্কৃতি থকা মানৱ গোট। এনে গোটে বেছিভাগ সময়তে একোটা স্থানীয় গোটৰ বৈশিষ্ট্য প্ৰদৰ্শন কৰে। তেওঁলোকৰ নিজস্ব সামাজিক প্ৰথা-পৰম্পৰা থাকে। এইবোৰ সাধাৰণ সমাজখনৰ প্ৰথা পৰম্পৰাতকৈ পৃথক আৰু সম্প্ৰদায়টোৰ বাবে অধিক গুৰুত্বপূৰ্ণ। এইবোৰৰ উৎস হ'ল তেওঁলোকৰ স্থানীয় সামাজিক পৰিস্থিতি। পাৰস্পৰিক আন্তঃক্ৰিয়াৰ মাধ্যমেৰে তেওঁলোকে সামাজিক জীৱনত মানি চলিবলগীয়া এই প্ৰথা-পৰম্পৰাবোৰ বিকশাই তোলে। এই সামাজিক ব্যৱস্থাসম্পন্ন সংগঠিত মানৱ গোটটোৱে সম্প্ৰদায়ৰ নীতি-নিয়ম অনুসৰি সামাজিক কাৰ্যবোৰ সম্পাদন কৰে। মানুহে মানি চলা এই পন্থাবোৰকে সম্প্ৰদায়ৰ সংস্কৃতি বোলে।

ওপৰৰ আলোচনাৰ পৰা ইয়াকে ক'ব পাৰি যে আন্তঃসম্পৰ্ক থকা সম্প্ৰদায়ৰ ভিতৰুৱা অনুষ্ঠানবোৰে একেলগে সামাজিক আন্তঃগাঁথনিটো নিৰ্মাণ কৰে। গ্ৰাম্য সম্প্ৰদায়বোৰৰ ক্ষেত্ৰত এই গাঁথনিটো সৰল, কিন্তু নগৰীয় সম্প্ৰদায়বোৰৰ ক্ষেত্ৰত ই অত্যন্ত জটিল।

## সমাজ আৰু সম্প্ৰদায়ৰ মাজৰ প্ৰভেদ (Difference between Society and Community):

সাধাৰণতে 'সমাজ' আৰু 'সম্প্ৰদায়'ক সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা দেখা যায়। কিন্তু মানুহে একেলগে বসবাস কৰা দুয়োটা সংগঠনৰ মাজত এক সূক্ষ্ম প্ৰভেদ আছে। সমাজ মানে হ'ল নিজৰ জীৱন যাপন শৈলী আৰু জীৱনৰ লক্ষ্য সম্পৰ্কে সচেতন। এক সুনিৰ্দিষ্ট সংখ্যক লোকে একেলগে বসবাস কৰি থকা এটা ভৌগোলিক অঞ্চল। আনহাতে সম্প্ৰদায় মানেও এটা ভৌগোলিক অঞ্চলত বাস কৰা মানুহৰ একোটা গোট। কিন্তু সম্প্ৰদায় এটাৰ সদস্যসকল কেতিয়াবা নিজ জীৱনযাপনৰ শৈলী আৰু জীৱনৰ উদ্দেশ্য সম্পৰ্কে সচেতন নহবও পাৰে। সেইবাবেই কোৱা হয়, সৰু ল'ৰা-ছোৱালীৰ গোট এটাই সমাজ নহয় সম্প্ৰদায়হে গঠন কৰে।

এখন সমাজ হ'ল সম্প্ৰদায়ৰ এটা অংশ। সমাজ সু-সংগঠিত আৰু সু-নিৰ্দিষ্ট। কিন্তু সম্প্ৰদায় এটা সঠিকভাৱে সংহত নহয়। সম্প্ৰদায় অথবা সমাজ কোনোটোৱেই স্থিৰ প্ৰকৃতিৰ নহয়। দুয়োটাই গতিশীল আৰু নিৰন্তৰ পৰিবৰ্তনশীল। কিন্তু সমাজ এখনৰ সদস্যসকল নিজ প্ৰমূল্য, প্ৰয়োজন, আশা, প্ৰত্যাশা সম্পৰ্কে অধিক সচেতন। ইয়াৰ উপৰি তেওঁলোক সম্প্ৰদায়ৰ সদস্যসকলতকৈ আবেগিকভাৱে অধিক সু-সংগঠিত।

## শিশুৰ ওপৰত সম্প্ৰদায়ৰ প্ৰভাৱ (Influence of Community on the Child) :

জন্মৰ পিছত শিশু এটাই তাৰ বিকাশৰ কালছোৱাত পৰিয়ালৰ প্ৰভাৱৰ পৰা ওলাই আহি ক্ৰমে সম্প্ৰদায়ৰ প্ৰভাৱত পৰে। সি আনুষ্ঠানিকভাৱে সকলোবোৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ক্ৰিয়া-কলাপ আদি সম্প্ৰদায়ৰ পৰা শিকি উঠে। বহিৰ্মুখী স্বভাৱৰ শিশুৱে এই সময়ত তাৰ সমনীয়াৰ

লগত কৰা খেলাৰ পৰিবেশত ক্রিয়াৰ সহযোগিতা আৰু ভাৱৰ আদান প্রদান কৰিবলৈ শিকে। সুখ দুখৰ পৰিস্থিতিত অনুভূতিৰ আদান-প্রদান কৰি মাতৃভাষা আয়ত্ব কৰি উঠে। কিছু ডাঙৰ হৈ উঠি সম্প্রদায়ৰ লোকৰ মাজত হোৱা উৎসৱ-পার্বন, ধর্মীয় অনুষ্ঠান, বিয়া-সবাহ, লোক-গীত, লোকনৃত্য আদিত সক্রিয়ভাৱে অংশগ্রহণ কৰে। ইয়াৰ যোগেদি সম্প্রদায়ৰ লোকৰ মাজত থকা ৰীতি-নীতি, আস্থা, নিষ্ঠা, বিশ্বাস আদি শিশুৰ মন আৰু আচৰণত গঢ় লৈ উঠে। সি ক্রমে এক সামাজিক ব্যক্তিত পৰিণত হয়। উল্লেখযোগ্য যে জনজাতীয় লোকৰ সম্প্রদায় সমূহৰ মাজত এনেবোৰ আস্থা, নিষ্ঠা, বিশ্বাস আদিৰ প্ৰভাৱ অধিক বেছি হোৱা বাবে তেওঁলোকৰ শিশুসকলে তাৰ যোগেদিয়ে আনুষ্ঠানিকভাৱে শিক্ষিত হৈ উঠে।

- এটা সম্প্রদায় হ'ল এক উমৈহতীয়া সাংস্কৃতিক ঐতিহ্য ভাগবটোৱাৰা কৰা আৰু এডোখৰ সুনির্দিষ্ট এলেকাত বাস কৰা এটা সামাজিক গোট।
- ইয়াৰ সদস্যসকল 'সামূৰিক আপোনভাৱে' আৰু 'সামূহিক আৱেগেৰে' পৰিচালিত হয়।
- ইয়াৰ সদ্যসকলক উমৈহতীয়া প্রয়োজন, অভিপ্রায়, উদ্দেশ্য আৰু আদর্শই নিয়ন্ত্রণ কৰে।
- সম্প্রদায়ৰ সদস্যসকলে উমৈহতীয়া উৎসৱ, সাংস্কৃতিক কার্যসূচী আৰু সাহিত্যকেন্দ্রিক কার্যকলাপত ভাগ লয়। ই সম্প্রদায়ৰ সার্বজনীন ভাতৃত্ববোধৰ এনাজীৰডাল সুদৃঢ় কৰে।
- সম্প্রদায়ৰ সদস্যসকলে 'উমৈহতীয়া কাৰণ'ৰ বাবে 'নিজস্ব'ৰ বলি দিয়ে আৰু এই উমৈহতীয়া কাৰণৰ হকে একেলগে কাম কৰি যায়।
- তেওঁলোক এটা সম্প্রদায়ৰ সদস্য — এই ধাৰণাটোৱে সদস্যসকলৰ মাজত এক 'সুৰক্ষা'ৰ ভাৱনা জাগৃত কৰে।

## শিশু শিক্ষাত সম্প্রদায়ৰ দায়িত্ব (Duties of the Community towards Child's Education) :

শিশু এটাৰ শিক্ষা আৰু সামাজিক বিকাশৰ দিশত সম্প্রদায়ৰ কেতবোৰ দায়িত্ব পালন কৰিব লগা থাকে। এই প্ৰসংগত তলৰ কথাকেইটাৰ প্রতি আমাৰ দৃষ্টি নিক্ষেপ কৰিব পাৰি —

১. সাম্প্রদায়িক উৎসৱ-পর্ব আদিত শিশুক সক্রিয়ভাৱে অংশগ্রহন কৰিবলৈ দি সেইসমূহ উদ্‌যাপনত আগভাগ ল'বলৈ দিব লাগে।
২. নিজ সম্প্রদায়ৰ ধর্মীয় আদর্শসমূহৰ অন্ধ অনুকৰণ আৰু গোড়া মনোভাব প্রদর্শনৰ পৰিবৰ্তে তাক বুজি উঠিবলৈ এক উদাৰ মনোভাব গঢ়ি তুলিব লাগে।
৩. শিশুৰ বাবে গ্ৰহণ কৰা অৱসৰ সময়ৰ শিক্ষা ব্যৱস্থাত সাংস্কৃতিক উপাদানসমূহে স্থাপন পাব লাগে।

৪. একো একোটা সম্প্ৰদায়ৰ গ্ৰণহযোগ্য নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, আদৰ্শ আৰু মূল্যবোধ আদিৰ লগত শিশুক পৰিচয় কৰাই দিব লাগে।
৫. নিজ সম্প্ৰদায়ৰ হস্তশিল্প, কুটিৰশিল্প আদি অৰ্থনৈতিক জীৱনৰ বৈশিষ্ট্যসমূহৰ লগতো শিশুক পৰিচয় কৰাই দিব লাগে।
৬. আনুষ্ঠানিক শিক্ষাৰ পাঠ্যক্ৰমত সাম্প্ৰদায়িক জীৱনৰ বৈশিষ্ট্যসমূহ যথোচিতভাৱে অন্তৰ্ভুক্ত কৰিব লাগে।

## বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত সম্পৰ্ক (Relationship between School and Community) :

বিদ্যালয় শৈক্ষিক প্ৰক্ৰিয়াৰ বাবে এক গুৰুত্বপূৰ্ণ স্থান। সম্প্ৰদায়ে বিদ্যালয় স্থাপন কৰে। এখন ভাল বিদ্যালয়ে বিচ্ছিন্নভাৱে কাম কৰিব নোৱাৰে। ই সম্প্ৰদায়ৰ সৈতে ঘনিষ্ঠা যোগসূত্ৰ স্থাপন কৰিবই লাগিব। বিদ্যালয়ে নিজৰ কাৰ্যসূচীবোৰক স্থানীয় সম্প্ৰদায়টোৰ সামূহিক সেৱাৰ সৈতে জড়িত কৰিব লাগিব। সেয়েহে বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত এটা ঘনিষ্ঠ সম্পৰ্ক আছে বুলি কোৱা হয়। ফ্ৰেংকলিনৰ মতে বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত এটা দ্বি-মুখী আহযাহ চলে। সম্প্ৰদায়ে দিক্‌নিৰ্দেশনা আৰু সমাধান বিচাৰি বিদ্যালয়ক নিজৰ সমস্যাবোৰ অৱগত কৰে। বিদ্যালয়ে সমস্যাবোৰ বিশ্লেষণ কৰে আৰু অনুসন্ধান লব্ধ তথ্যবোৰৰ লগতে অভিজ্ঞতালব্ধ জ্ঞান সম্প্ৰদায়ক জানিবলৈ দিয়ে। সম্প্ৰদায় এটাই যদি নিজৰ বিদ্যালয়ৰপৰা দিক্‌নিৰ্দেশনা আৰু সম্ভাব্য সমাধান সঁহাৰি হিচাপে লাভ নকৰে, তেন্তে ইয়াৰ উন্নয়ন প্ৰক্ৰিয়া বাধাপ্ৰাপ্ত হয়। ইয়াৰ দ্বাৰাই গম পোৱা যায় যে বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে। পৰস্পৰে অগ্ৰগতিৰ বাবে পৰস্পৰক নিৰ্ভৰ কৰে।

### (I) সম্প্ৰদায়ত বিদ্যালয়ৰ প্ৰভাৱ (Impact of School on Community) :

বিদ্যালয়বোৰে সংশ্লিষ্ট সম্প্ৰদায়বোৰক গভীৰভাৱে প্ৰভাৱিত কৰে। তলত সেইবোৰ আলোচনা কৰা হ'ল —

**১) সম্প্ৰদায়ৰ আৱশ্যকতা পূৰণ কৰে (Fulfill needs of Community) :** সম্প্ৰদায়বোৰৰ নিজ নিজ প্ৰয়োজনীয়তা থাকে। এই প্ৰয়োজনীয়তাবোৰে বিদ্যালয়ৰ ৰূপ ঠাৱৰ কৰে। বিদ্যালয়ে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু জীৱনৰ অন্যান্য ক্ষেত্ৰবোৰত সম্প্ৰদায়ৰ আৱশ্যকতাবোৰ পূৰণ কৰিবলৈ নিজৰ কাৰ্যকলাপবোৰ গঢ়ি লয় অথবা কাৰ্যকলাবোৰৰ ৰূপান্তৰ ঘটায়। বিদ্যালয় হ'ল সামূহিক জীৱনৰ কেন্দ্ৰস্থলী।

**২) সম্প্ৰদায়ৰ সমস্যা (Problems of Community) :** বিদ্যালয়ে সম্প্ৰদায়ৰ সমস্যাবোৰ চিনাক্ত কৰে আৰু সেইবোৰৰ সমাধান বিচাৰি উলিওৱাৰ চেষ্টা কৰে। ই বিশেষ সমস্যা সন্দৰ্ভত নিজে আহৰণ

কৰা জ্ঞান সম্প্ৰদায়ক প্ৰদান কৰে। এনে জ্ঞানৰ সামৰণিত আহৰণ কৰা পৰীক্ষালব্ধ ফলাফলবোৰ সাময়িক সমাধানৰূপে আগবঢ়ায়।

**৩) সম্প্ৰদায়ৰ সংস্কৃতি (Culture of Community) :** প্ৰতিটো সম্প্ৰদায়ৰে নিজস্ব সাংস্কৃতিক ঐতিহ্য আছে। বিদ্যালয়ে এই সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰে আৰু ইটোৰ পৰা সিটো প্ৰজন্মৰ বাবে এই ঐতিহ্যৰ বিকাশ ঘটোৱাৰ লগতে ঐতিহ্য প্ৰচাৰ কৰে। এই উদ্দেশ্যক বাস্তৱ ৰূপ দিবলৈ বিদ্যালয়বোৰে বিভিন্ন কাৰ্যকলাপৰ আয়োজন কৰে। ই ল'ৰা-ছোৱালীক নিজৰ সম্প্ৰদায়ৰ সাংস্কৃতিক প্ৰমূল্যবোৰ বুজা আৰু অনুশীলন কৰাত সহায় কৰে।

**৪) সম্প্ৰদায়ৰ জীৱন যাপনৰ মান (Standard of living of Community) :** সম্প্ৰদায় এটাৰ জীৱন যাপনৰ মান নিৰ্ণয়ত ব্যক্তিৰ নিজৰ জীৱন যাপন শৈলী সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা লয়। বিদ্যালয়ে জীৱন যাপনৰ ব্যক্তিগত মান উন্নত কৰে। ই সমগ্ৰ সম্প্ৰদায়টোকে প্ৰভাৱিত কৰে। শিক্ষাই ল'ৰা-ছোৱালীৰ দক্ষতা আৰু সামৰ্থ্য বৃদ্ধি কৰে। ইয়াৰ ফলতেই অৰ্থনৈতিক বিকাশ সম্ভৱ হয় আৰু জীৱন যাপনৰ মান উন্নততৰ হৈ পৰে। অৰ্থাৎ বিদ্যালয় এখনে সংশ্লিষ্ট সম্প্ৰদায়টোৰ সদস্যসকলৰ জীৱন যাপনৰ মান নিৰ্ধাৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।

**৫) সম্প্ৰদায়ৰ বৃত্তিমুখী আৰু ঔদ্যোগিক প্ৰগতি (Vocational and Industrial Progress of Community) :** বিদ্যালয়বোৰে সংশ্লিষ্ট সম্প্ৰদায়ৰ বৃত্তিমুখী আৰু ঔদ্যোগিক প্ৰগতিক প্ৰভাৱিত কৰে। বিদ্যালয়ে ল'ৰা-ছোৱালীক আত্মনিৰ্ভৰশীল আৰু আৰ্থিক দিশেৰে স্বচ্ছল কৰি তোলে। ইয়াৰ জৰিয়তে ল'ৰা-ছোৱালীয়ে বিভিন্ন হস্তকলা অথবা সামগ্ৰী উৎপাদনৰ আধুনিক কৌশলৰ প্ৰশিক্ষণ ল'ব পাৰে।

**৬) সম্প্ৰদায়ৰ প্ৰমূল্যবোৰৰ পুনৰ্গঠন (Reformation of Values of Community) :** সম্প্ৰদায়ৰ লক্ষ্য, আদৰ্শ আৰু প্ৰমূল্যবোৰ বিদ্যালয়ে ল'ৰা-ছোৱালীক জানিবলৈ দিয়ে। ল'ৰা-ছোৱালীহঁতে কালক্ৰমত নিজৰ অনুশীলন আৰু পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা এই আদৰ্শ তথা প্ৰমূল্যবোৰক নতুন সাঁচত চালে আৰু পৰিশোধিত কৰে। তাৰ পাছত সেইবোৰ সম্প্ৰদায়টোৰ আগত উপস্থাপন কৰে।

**৭) সম্প্ৰদায়ৰ পৰিৱৰ্তন সাধন (Bringing Change in Community) :** প্ৰতিটো সম্প্ৰদায়ে পৰিৱৰ্তনশীল সময় আৰু পৰিস্থিতি অনুসৰি প্ৰগতিশীল পৰিৱৰ্তন তথা পুনৰ্গঠন প্ৰক্ৰিয়াৰ মাজেৰে গতি কৰে। এই পৰিৱৰ্তনবোৰক বাস্তৱ ৰূপ দিবলৈ সৰু ল'ৰা-ছোৱালীৰ মনবোৰ সলনি কৰাটো প্ৰয়োজনীয়। বিদ্যালয়ে ল'ৰা-ছোৱালীৰ পৰিৱৰ্তন সাধন কৰিবলৈ উপযুক্ত নিৰ্দেশনা প্ৰদান কৰে।

**৮) সম্প্ৰদায়ৰ পুনৰ্নিমান (Reconstruction of Community) :** সম্প্ৰদায়ৰ পুনৰ্গঠন আৰু পুনৰ্নিমাণত বিদ্যালয়ে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিদ্যালয়তে সম্প্ৰদায় মানি চলা অন্ধবিশ্বাসবোৰ, অদৰকাৰী প্ৰথা, পৰম্পৰা আৰু অপকাৰী নীতি-নিয়মবোৰ সমালোচনামূলক

দৃষ্টিভংগীৰে পৰীক্ষা কৰি চোৱা আৰু পুনৰনির্মাণ কৰা হয়। এই প্রক্রিয়াবোৰত পৰিবর্তনশীল পৰিস্থিতি অনুসৰি নতুন লক্ষ্য, আদর্শ আৰু প্রমূল্যৰ সহায় লোৱা হয়।

**(II) বিদ্যালয়ত সম্প্রদায়ৰ প্রভাৱ (Impact of Community on School) :**

সম্প্রদায়ে নিজ প্রয়োজনীয়তা পূৰণৰ বাবে বিদ্যালয় স্থাপন কৰে। সেয়েহে বিদ্যালয়ত সম্প্রদায়ে গভীৰ প্রভাৱ পেলায়। তলত ইয়াৰ বিস্তৃত আলোচনা কৰা হ'ল —

১) **বিদ্যালয়ত সম্প্রদায়ৰ আদর্শ আৰু পৰম্পৰাৰ প্রভাৱ (Ideals and traditions of Community on Schools) :** প্রতিটো সম্প্রদায়ে নিজ নিজ আদর্শ, পৰম্পৰা আৰু সাংস্কৃতিক প্রমূল্য মানি চলে। এই প্রমূল্যবোৰ ইটো প্রজন্মৰ পৰা আনটো প্রজন্মলৈ গতি কৰে আৰু বিকশিত হয়। সম্প্রদায়ে এই দুটা প্রক্রিয়া অবিৰতভাৱে আগবঢ়াই নিবলৈ বিদ্যালয় খোলে। বিদ্যালয়ে ল'ৰা-ছোৱালীক কৰিবলৈ দিয়া বিভিন্ন কার্যকলাপ আৰু আহৰণত সহায় কৰা অভিজ্ঞতাবোৰত নিজৰ সম্প্রদায়ৰ সাংস্কৃতিক ঐতিহ্যৰ সমল লুকাই থাকে। এই প্রমূল্যবোৰৰ অধিকাৰী সদস্যই এসময়ত নিজৰ সম্প্রদায়টোক উন্নয়নৰ সর্বোচ্চ বিন্দুলৈ আগবঢ়াই নিয়ে।

২) **বিদ্যালয়ত সম্প্রদায়ৰ প্রমূল্যবোৰৰ প্রভাৱ (Values of Community on Schools) :** সম্প্রদায় এটাৰ সু আৰু কু-কাৰকবোৰে বিদ্যালয়ৰ কাম-কাজত প্রত্যক্ষ প্রভাৱ পেলায়। সম্প্রদায় এটাৰ সদস্যসকলৰ যদি দুর্নীতি, মদ্যপান, ধূমপান, আদিৰ দৰে কুকার্যত লিপ্ত হোৱাৰ অভ্যাস থাকে, তেন্তে বিদ্যালয়তো ইয়াৰ কু-প্রভাৱ দৃষ্টিগোচৰ হ'ব। আনহাতে সম্প্রদায় এটা মানি চলা ভাল প্রমূল্যবোৰে বিদ্যালয়ৰ জীৱন বিশুদ্ধ কৰে তথা শিক্ষক-শিক্ষার্থী উভয়ৰে মনোভাৱ, চৰিত্র আৰু আচৰণত সু-প্রভাৱ পেলায়।

৩) **বিদ্যালয়ত সম্প্রদায়ৰ অর্থনৈতিক অৱস্থাৰ প্রভাৱ (Economic Impact of Community on Schools) :** ঔদ্যোগিক বিপ্লৱৰ অর্থনৈতিক প্রভাৱে বিজ্ঞাপন আৰু নতুন উদ্ভাৱনৰ ক্ষেত্রখনত জোৱাৰৰ সৃষ্টি কৰিছে। এই পৰিৱেশে বিদ্যালয়ক গভীৰভাৱে প্রভাৱিত কৰা দেখা গৈছে। এই বৈপ্লৱিক পৰিবর্তনবোৰে শিক্ষণৰ লক্ষ্য, পাঠ্যক্রম আৰু পদ্ধতিবোৰে তাৎপর্যপূর্ণভাৱে সলনি কৰিছে। দেখা গৈছে যে বৃত্তিমুখী, কাৰিকৰী, বুদ্ধিজীৱি, কৃষি আৰু বিভিন্ন প্রকাৰৰ শিক্ষাৰ চাহিদা বাঢ়ি যোৱাৰ লগে লগে ব্যক্তিৰ উপার্জন সামর্থ্যও বাঢ়িছে। সেয়েহে ক'ব পাৰি যে সম্প্রদায় এটাৰ অর্থনৈতিক অৱস্থাই বিদ্যালয়বোৰতো গভীৰ প্রভাৱ পেলায়।

## যুটীয়া উদ্যোগ ঃ বিদ্যালয় আৰু সম্প্ৰদায় (Collaboration : School and Community):

শিক্ষা হ'ল এক জীৱন জোৰা সামাজিক প্ৰক্ৰিয়া। কেৱল সম্প্ৰদায় এটাৰ মাজতহে শিক্ষাদান তথা গ্ৰহণ প্ৰক্ৰিয়াটো সক্ৰিয় হৈ থাকে। মূল ভেটি সম্প্ৰদায় অবিহনে শৈক্ষিক প্ৰক্ৰিয়াবোৰ চলাই নিয়াটো সম্ভৱ নহয়। সম্প্ৰদায়ে প্ৰত্যাশা তথা পোষকতা কৰা শৈক্ষিক প্ৰক্ৰিয়া এটাত বিদ্যালয়ৰ স্থান অতি গুৰুত্বপূৰ্ণ। বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত এক ওতঃপ্ৰোত সম্পৰ্ক আছে। উভয়ে অস্তিত্ব বৰ্তাই ৰখা তথা উন্নয়নৰ স্বাৰ্থত পৰস্পৰক নিৰ্ভৰ কৰে। সেয়েহে বিদ্যালয় আৰু সম্প্ৰদায়ে পৰস্পৰে পৰস্পৰক গভীৰভাৱে প্ৰভাৱিত কৰে। বিদ্যালয়ে সম্প্ৰদায়ৰ আদৰ্শ জীৱনটো প্ৰতিফলিত কৰে। ল'ৰা-ছোৱালীয়ে বিদ্যালয়ত লাভ কৰা জ্ঞান আৰু আয়ত্ব কৰা দক্ষতা, পৰীক্ষা কৰি চোৱা পৰীক্ষাগাৰটো হ'ল সম্প্ৰদায়। অৰ্থাৎ এটা ভাল সম্প্ৰদায়ে এখন ভাল বিদ্যালয় আৰু এখন ভাল বিদ্যালয়ে এটা ভাল সম্প্ৰদায় গঢ়াত অবিহণা আগবঢ়ায়। বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত সহযোগিতাপূৰ্ণ সম্পৰ্কক দুটা প্ৰধান শিৰোনামাৰ অধীনত আলোচনা কৰিব পাৰি —

(ক) বিদ্যালয়ত সম্প্ৰদায়

(খ) সম্প্ৰদায়ত বিদ্যালয়

### (ক) বিদ্যালয়ত সম্প্ৰদায় (Community in School) :

১. বিদ্যালয়ে সম্প্ৰদায়ৰ সমস্যাবোৰ বুজি পাব লাগিব। সম্প্ৰদায়ক বিদ্যালয়ৰ ওচৰ চপাই আনিবলৈ বিদ্যালয়ে এনে সমস্যাবোৰ ভালদৰে অধ্যয়ন কৰা উচিত। শিক্ষাৰ্থীক এই সমস্যাবোৰ সন্দৰ্ভত নিজস্ব দৃষ্টিভংগী গঢ়াৰ সুযোগ আৰু সমাধান বাহিৰ কৰাৰ প্ৰশিক্ষণ দিব লাগিব। ইয়াৰ ফলত সমাজত বিদ্যালয়ৰ মান-মৰ্যাদা বাঢ়িব। তেওঁলোকে বিদ্যালয়ৰ এই সজাগতাৰ প্ৰশংসা কৰিব। এইদৰে বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজৰ পাৰস্পৰিক সহযোগিতা বাঢ়িব।

২. বিদ্যালয়ত অভিভাৱক দিৱস উদ্‌যাপন কৰা উচিত। অভিভাৱকসকলক মাতি আনি বিদ্যালয়ে আদৰণি জনোৱা উচিত। ইয়াৰ দ্বাৰাও সম্প্ৰদায় আৰু বিদ্যালয়ৰ মাজত সহযোগিতাৰ পৰিৱেশ গঢ়ি তুলিব পাৰি।

৩. বিদ্যালয়ে মাজে সময়ে সম্প্ৰদায় এটাৰ খ্যাতিমান সদস্য তথা বিভিন্ন ক্ষেত্ৰত ব্যুৎপত্তি থকাসকলক নাইবা নিয়োগ বিষয়াক আমন্ত্ৰণ কৰি আনিব লাগে। তেওঁলোকে শিক্ষাৰ্থীক বিভিন্ন বৃত্তিমুখী জ্ঞান আৰু সঠিক দিক নিৰ্দেশনা, প্ৰদান কৰিব পাৰিব। এই কথায়ো সম্প্ৰদায় আৰু বিদ্যালয়ৰ মাজৰ সহযোগিতা বৃদ্ধি কৰিছে।

৪. বিদ্যালয়ে উদাৰভাৱে সম্প্ৰদায়ক ইয়াৰ পুথিভঁৰাল আৰু অধ্যয়ন কক্ষ ব্যৱহাৰৰ সুযোগ দিব লাগে। সম্প্ৰদায়ৰ সদস্যসকলৰ পঢ়াৰ অভ্যাসক অনুপ্ৰাণিত কৰিবলৈ বিদ্যালয়ে বিভিন্ন কিতাপ-আলোচনীৰ যোগান ধৰিব লাগে। ইয়াৰ ফলত সম্প্ৰদায় আৰু বিদ্যালয়ৰ মাজৰ সহযোগিতাৰ মনোভাৱ গঢ় লৈ উঠে।

৫. বিদ্যালয়ে আয়োজন কৰা বিভিন্ন আলোচনা চক্র, বিজ্ঞান প্রদর্শনী, NSS, NCC অনুষ্ঠানলৈ সম্প্রদায়ৰ নেতা আৰু সদস্যসকলক আমন্ত্রণ কৰিব পাৰে। ইয়াৰ ফলত শিক্ষাৰ প্রতি সম্প্রদায়ৰ আগ্রহ বাঢ়িব আৰু বিদ্যালয়ে সম্প্রদায়ৰপৰা ফলপ্রসূ সহযোগিতা লাভ কৰিব।

৬. বিদ্যালয়ে নিজস্ব ব্যৱস্থাপনা সমিতিত স্থানীয় সম্প্রদায়ৰ প্রতিনিধিৰ আসনৰ সংখ্যা উপযুক্তভাৱে ঠিৰাং কৰিব লাগিব। ব্যৱস্থাপনা সমিতিত সম্প্রদায়ৰ সদস্যক স্থান দিলে, সম্প্রদায়টোৰ বিদ্যালয়কেন্দ্রিক কার্যকলাপত প্রত্যক্ষ অংশগ্রহণৰ মাত্রা বৃদ্ধি পাব, তেওঁলোকে বিদ্যালয়ৰ উন্নয়নত সহায়ক হ'ব পৰা পৰামর্শ প্রদান কৰিব পাৰিব। ফলত দুয়োপক্ষৰ মাজৰ সহযোগিতাৰ মাত্রা উন্নততৰ হ'ব।

**(খ) সম্প্রদায়ত বিদ্যালয় (School in Community) :**

১. বিদ্যালয়ে বিভিন্ন ধৰণৰ সামূহিক সেৱা আগবঢ়ায়। যেনে — চাফাই অভিযান, পথ নির্মাণ, খেতি, প্রাপ্তবয়স্কসকলৰ শিক্ষা কার্যসূচী আদি। ইয়াৰ উপৰিও বিদ্যালয়ে খৰাং বতৰ, বানপানী, ভূমিকম্প, চুনামী আদিত সম্প্রদায়ক সহায় কৰে। এই কামবোৰৰ জৰিয়তে বিদ্যালয়ে সম্প্রদায়ৰ

২. বিদ্যালয়ে শিক্ষকবৃন্দক শিক্ষার্থীৰ ঘৰে ঘৰে যাবলৈ দিব লাগে। তেতিয়া শিক্ষকে শিক্ষার্থীসকলক ব্যক্তিগতভাৱে জনাৰ সুযোগ পাব। শিক্ষার্থীৰ সবলতা আৰু দুর্বলতাবোৰ গম পালে শিক্ষকে পাছত শিক্ষাদানৰ সময়ত প্রয়োজনীয় দিশবোৰত বিশেষ মনোযোগ দিব পাৰিব। গৃহ এখনে শিক্ষক আৰু অভিভাৱক দুয়ো পক্ষকে শিক্ষার্থীৰ বিষয়ে মত বিনিময় কৰাৰ সুযোগ দিব। এই কার্যই বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত এক আনন্দপূর্ণ বাতাবৰণৰ সৃষ্টি কৰে।

৩. সম্প্রদায়ে আয়োজন কৰা মেলা, উৎসৱ-পার্বন আৰু বিবাহ আদিৰ দৰে সামাজিক, ধর্মীয় আৰু সাংস্কৃতিক কার্যসূচীত বিদ্যালয়ে অংশগ্রহণ কৰা উচিত। ইয়াৰ ফলত বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত সহযোগিতা বৃদ্ধি পায়, সম্প্রদায়ৰ বিকাশ ঘটে, সম্প্রদায় বিদ্যালয়ৰ মাজৰ সম্পর্ক সুদৃঢ় হয়।

৪. সম্প্রদায়ৰ বাবে গুৰুত্বপূর্ণ বিভিন্ন ঐতিহাসিক স্থান, প্রাকৃতিক পৰিৱেশ, ধর্মীয় স্থান, ঔদ্যোগিক ক্ষেত্র, বৈজ্ঞানিক গুৰুত্বসম্পন্ন কেন্দ্র আৰু শৈক্ষিক গুৰুত্ব থকা স্থানলৈ বিদ্যালয়ে শিক্ষামূলক ভ্রমণ কৰে। ই শিক্ষার্থীক সম্প্রদায়ৰ বিষয়ে বিভিন্ন জ্ঞান দিয়ে। এনেকৈয়ে দুয়োটা পক্ষৰ মাজত এক সম্পর্ক গঢ় লৈ উঠে।

৫. বিদ্যালয়ে সম্প্রদায়ৰ মাজত বিভিন্ন সাংস্কৃতিক তথা শৈক্ষিক কার্যসূচীৰ আয়োজন কৰি শিক্ষার্থীক জ্ঞান আৰু মনোৰঞ্জন প্রদান কৰে। ই সম্প্রদায়ত বর্তি থকা বহুতো সমস্যা সমাধানত সহায় কৰে।

৬. বিদ্যালয়ে সম্প্ৰদায়ৰ পিছপৰা আৰু দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীক বিনামূলীয়া কিতাপ-বহী আৰু ইউনিফৰ্ম যোগান ধৰিব পাৰে। এনে কাৰ্যকলাপে সম্প্ৰদায়ক বিদ্যালয়ৰ প্ৰতি আকৰ্ষিত কৰিব।

## সম্প্ৰদায় অধ্যয়ন কৰাৰ পদ্ধতি (Methods of Studying Community) :

সম্প্ৰদায়ৰ বিষয়ে অধ্যয়ন কৰাৰ সময়ত এক সুনিৰ্দিষ্ট কাৰ্যপ্ৰণালী তথা পদ্ধতি অনুসৰণ কৰা হয়। ইয়াৰে কিছুমান পদ্ধতি কেৱল প্ৰশিক্ষণ প্ৰাপ্ত বিশেষজ্ঞহে প্ৰয়োগ কৰিব পাৰে। অৱশ্যে অধিকাংশ পদ্ধতি পৰামৰ্শদাতাৰ দিক নিৰ্দেশনা অনুসৰি অথবা গৱেষকৰ পৰামৰ্শ অনুসৰি যিকোনো লোকেই কৰিব পাৰে। এটা কথা জানি থোৱাটো ভাল হ'ব যে সম্প্ৰদায়ৰ সৈতে সফলভাৱে কাম কৰিবলৈ বহুমুখী সংযোগ স্থাপন কৰাটো আৱশ্যক। প্ৰথম কাৰ্য হিচাপে বিদ্যালয় সম্প্ৰদায় সম্পৰ্ক বিষয়ে এক নীতি বিৱৰণ গ্ৰহণ কৰা উচিত। তাৰ পাছত অধ্যয়ন আৰু গৱেষণা কাৰ্যত তলত উল্লেখ কৰা পদ্ধতিবোৰ অনুমান কৰা উচিত।

- **ঐতিহাসিক পদ্ধতি (The Historical Method) :** এই পদ্ধতি প্ৰয়োগ কৰি সম্প্ৰদায় এটাৰ জন্ম, ইয়াৰ সংগঠিত হোৱাৰ প্ৰক্ৰিয়া, প্ৰচলিত প্ৰমূল্য, সমাজখনে কোনবোৰ বিষয়ক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰে অন্যৰ সৈতে ইয়াৰ সম্পৰ্ক, ইত্যাদিৰ বিষয়ে জানিব পৰা যায়।
- **সমীক্ষা (Surveys) :** সাম্প্ৰতিক পৰিস্থিতি জানিবলৈ সমীক্ষাৰ সহায় লোৱা হয়। সমীক্ষাৰ সহায়ত সম্প্ৰদায়ৰ ঘৰুৱা জীৱনৰ প্ৰকৃতি, যুৱ সমাজৰ সমস্যা আৰু তেওঁলোকক সহায় কৰাৰ উপায়, সম্প্ৰদায়ৰ প্ৰমূল্যবোৰ, বিদ্যালয়ৰ কাৰ্যসূচী আৰু অনুশীলন, সম্প্ৰদায়ৰ অন্তৰ্গত বিভিন্ন দল গোট, সম্প্ৰদায়ে ব্যৱহাৰ কৰি থকা সংযোগৰ গণ-মাধ্যমসমূহ আৰু এই মাধ্যমবোৰৰ ভূমিকা আদি জনাৰ চেষ্টা কৰা হয়। সমীক্ষাৰ জৰিয়তে তথ্য সংগ্ৰহ কৰিবলৈ সাক্ষাৎকাৰ, পৰ্য্যবেক্ষণ, লিখিত তথ্যৰ বিশ্লেষণ লগ্ বুক তথা ৰেকৰ্ড বুকত টোকা লিখা আদি কৌশলৰ সহায় লোৱা হয়।
- **লিখিত তথ্য আৰু আইন আদিৰ বিশ্লেষণ (Analysis of Records and Laws) :** কিছুমান বিশেষ ধৰণৰ সম্প্ৰদায় অধ্যয়নৰ সময়ত লোকপিয়ল প্ৰতিবেদন, শিক্ষাবিষয়ক ছপা প্ৰবন্ধ, শিক্ষা বিষয়ক আইন আদি ভালদৰে বিশ্লেষণ কৰা হয়। এনে সংখ্যা (Data) সমূহ অত্যন্ত সাৱধানতা সহকাৰে অধ্যয়ন কৰি এছোৱা সুনিৰ্দিষ্ট সময়ৰ উল্লেখেৰে বিশ্লেষণ তথা ব্যাখ্যা কৰা হয়।

- **বাস্তৱ ঘটনা অধ্যয়ন (Case Studies) :** সম্প্ৰদায় এটাৰ ভিতৰত সক্ৰিয় হৈ থকা বিভিন্ন সামাজিক শক্তি আৰু প্ৰভাব গোষ্ঠীৰ মাজত চলা আন্তঃক্ৰিয়া বিশ্লেষণ আৰু ব্যাখ্যা কৰাত বাস্তৱ ঘটনা অধ্যয়নে সহায় কৰে। এনে অধ্যয়নৰ পৰাও গম পোৱা যায় যে সংগঠনবোৰ স্থিৰ নহয় গতিশীল।

## সম্প্ৰদায়ৰ বিকাশত শিক্ষকৰ ভূমিকা (Role of Teachers in Community Development):

ওপৰৰ আলোচনাৰ পৰা বিদ্যালয় সম্প্ৰদায় অংশীদাৰত্ব বিকাশত শিক্ষকে কেনে ভূমিকা পালন কৰিব পাৰে তাৰ স্পষ্ট ছবি এখন গম পোৱা গ'ল। তাত্বিকভাৱে সামুহিক কাৰ্যসূচীক বিভিন্ন শিতানত ভাগ কৰা হয়। কাৰ্যসূচীবোৰৰ প্ৰকৃতি, স্থান, উপলক্ষ্য অথবা হিতাধিকাৰীৰ ভিত্তিত এই শিতানবোৰ বাছনি কৰা হ'ব পাৰে। বিদ্যালয়ত পঢ়ি থকা ল'ৰা-ছোৱালী, যুৱ-সমাজ আৰু প্ৰাপ্ত বয়স্ক লোক আদিৰ বাবে সুকীয়া সুকীয়া সামুহিক কাৰ্যসূচীৰ আয়োজন কৰিব পৰা যায়। কাৰ্যসূচীবোৰ সাংস্কৃতিক, প্ৰাপ্তবয়স্কৰ শিক্ষা, সজাগতা অভিযান, বিশেষ অনুষ্ঠান উদ্‌যাপন আদি প্ৰকৃতিৰ হ'ব পাৰে। এনে অধিকাংশ কাৰ্যসূচীয়ে পূৰ্বপৰিকল্পিত আৰু প্ৰতিটো কাৰ্যসূচীয়েই যুটীয়াভাৱে সম্পাদন কৰা হয়। কাৰ্যসূচীবোৰ সম্পাদন কৰাত বিদ্যালয় নাইবা সম্প্ৰদায়ৰ মাজেৰে কোনোবা এটাই প্ৰধান ভূমিকা লয়। আন এক তাৎপৰ্যপূৰ্ণ কথা হ'ল কাৰ্যসূচীবোৰক শিক্ষকে দ্বৈত ভূমিকা পালন কৰিব বুলি ধৰা হয়। ইয়াৰে এটা ভূমিকা হ'ল সমাজক পৰিবৰ্তন সাধনৰ প্ৰয়োজনীয় দিক নিৰ্দেশনা প্ৰদান কৰা আৰু আনটো হ'ল সম্প্ৰদায়ে আশা কৰা মতে তেনে কাৰ্যবোৰ সম্পাদন কৰাৰ দায়িত্ব লোৱা। ইয়াৰ উপৰি শিক্ষকে সম্প্ৰদায়ৰ প্ৰয়োজনীয়তাবোৰ ভালদৰে অধ্যয়ন কৰি সেইবোৰক বিশেষ স্বাৰ্থগোগটবোৰৰ প্ৰয়োজনীয়তাৰ পৰা পৃথক কৰিবলৈ শিকা উচিত।

শিক্ষকে বিদ্যালয় সম্প্ৰদায়ৰ অবিচ্ছেদ্য অংগ হ'ব পৰা গঠনমূলক কাৰ্যসূচী বিকশিত কৰিব পাৰে। ইয়াৰ উপৰি তেওঁলোকে বিদ্যালয় আৰু সম্প্ৰদায়ৰ সামাজিক বাতাবৰণ উন্নত কৰাৰ লক্ষ্য বান্ধি ল'ব পাৰে। ছাত্ৰ-ছাত্ৰীক সমস্যা থকা পৰিস্থিতিবোৰ পৰ্যবেক্ষণ কৰাৰ সুবিধা দিব লাগে আৰু যিমানদূৰ পাৰে সেই সমস্যাবোৰৰ সমাধান বাহিৰ কৰাৰ বাবে অনুপ্ৰাণিত কৰিব লাগে। গণিত, ভাষা, পৰিবেশ বিজ্ঞান আদিৰ দৰে বিভিন্ন বিষয়ৰ শিক্ষাদান কৰা কাৰ্যটোতো সামাজিক অৰ্থ নিহিত হৈ থাকে। এই বিষয়বোৰ জীৱনৰ প্ৰকৃত পৰিস্থিতিৰ সৈতে সাঙোৰ খাই থাকে। শিক্ষকে শিক্ষাক এক সংহত ৰূপত আগবঢ়াই নিবলৈ এই যোগসূত্ৰবোৰ ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ পৰৱৰ্তী কামটো হ'ল সম্প্ৰদায়ত প্ৰচলিত ধাৰণা, প্ৰত্যাশা, বিশ্বাস, প্ৰমূল্য, পৰম্পৰা, মনোভাৱ আদি জনাৰ উদ্দেশ্যেৰে এটা আৰ্থ সামাজিক সমীক্ষা কৰা।

সামাজিক পৰিবেশত বিভিন্ন ধৰণৰ সামূহিক সমল থাকিব পাৰে। এই সমলবোৰ নির্দেশনা প্রদানৰ উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰি। শিক্ষসকলৰ সামূহিক সমলৰ একো একোখন তথ্যপুথি প্রস্তুত কৰিব পাৰে। তাত সমলবোৰক ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, ভৌতিক আদি শিতানত ভগাব পাৰি। প্রাথমিক স্তৰৰ ছাত্র-ছাত্রীক শিক্ষাদান কৰাৰ সময়ত সম্প্রদায়ত থকা গেলামালৰ দোকান, বেংক, ৰে'লৰে ষ্টেচন, ডাকঘৰ, নদী, বন, পাহাৰ-পর্বত আদিৰ উদাহৰণ দিব পাৰে। এই কথাবোৰ আমাৰ দৈনন্দিন জীৱনত কিদৰে জড়িত সিহঁতক সেয়া ভালদৰে বুজাই দিব পৰা যায়। ইয়াৰ ফলত ল'ৰা-ছোৱালীৰ বাবে শিক্ষা অধিক অর্থবহ হৈ পৰিব। নির্দেশনামূলক কার্যকলাপত ৰাতিপুৱাৰ সমবেত সভা, শ্রেণীকোঠা পৰিস্কাৰ কৰা, বিদ্যালয়ৰ চৌহদ আৰু চৌপাশ চাফা কৰা, সামাজিক আৰু জাতীয় অনুষ্ঠান পর্ব আদি উদ্‌যাপন কৰা, সাপ্তাহিক সাংস্কৃতিক অনুষ্ঠান, বিদ্যালয়ৰ আলোচনী সম্পাদনা আদিৰ দৰে দলীয় কার্যকলাপ অন্তর্ভুক্ত কৰিব পৰা যায়। সাংস্কৃতিক কার্যকলাপৰ আয়োজন কৰি ল'ৰা-ছোৱালীৰ মনত সম্প্রদায় আৰু ই মানি চলা প্রমূল্যবোৰৰ এটি ইতিবাচক মনোভাব বিকশাই তুলিব পৰা যায়।

শ্রেণীকোঠাত কথা কোৱাৰ সুযোগ দি সঠিক সৌজন্যমূলক আচাৰ-ব্যৱহাৰ মানি, শ্রেণী আৰু বিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত ভাগ ল'বলৈ দি, ৰাষ্ট্রীয় দিৱস আৰু ধর্মীয় অনুষ্ঠান আদি উদ্‌যাপন কৰি ল'ৰা-ছোৱালীৰ মনত নাগৰিকত্বৰ ভাৱনাৰ উন্মেষ ঘটাব পাৰি। মধ্যাহ্ন ভোজনৰ সময়ছোৱাত ল'ৰা-ছোৱালীক আহাৰ গ্রহণৰ সময়ত মানি চলিবলগীয়া নীতি নিয়মবোৰ শিকাব পাৰি। এই কাম-কাজবোৰ কৰি ল'ৰা-ছোৱালীয়ে শৃংখলাবদ্ধতা, ভদ্রতা, নির্ভয়তা, আনৰ সৈতে ভগাই লোৱা, বয়সত ডাঙৰসকলক শ্রদ্ধা প্রদর্শন, ইত্যাদি সজ গুণবোৰ শিকে। শিক্ষকসকলে বিদ্যালয় সমিতিও গঠন কৰিব পাৰে। এই সমিতিবোৰে বিদ্যালয়ৰ বাবে বিভিন্ন ধৰণৰ সমর্থন গোটোৱাৰ দায়িত্ব পালন কৰিব পাৰে। সমিতিৰ সদস্যসকলে বিদ্যালয়ৰ সৈতে জড়িত বিষয় তথা সমস্যাবোৰৰ প্রতিবেদন বৃহত্তৰ বিদ্যালয় সম্প্রদায়ৰ আগত উপস্থাপন কৰাৰ লগতে নামভর্তিৰ অভিযানত বিদ্যালয়ক সহায় কৰিব আৰু বিদ্যালয়ৰ সামগ্রিক উন্নয়নৰ পৰিকল্পনা কৰিব পাৰে। এগৰাকী শিক্ষকে বিদ্যালয় আৰু সম্প্রদায়ৰ সামাজিক বাতাবৰণ উন্নত কৰাত অৰিহণা যোগাব পাৰে। শিক্ষকে সম্প্রদায় এটাৰ বাবে পৰিচিত কাম কিছুমানক সামূহিক কার্যৰ বাবে সতর্কতাৰে বাছনি কৰিব লাগে। ব্যক্তিগত পৰিস্কাৰ-পৰিচ্ছন্নতা, কৃষি সমস্যা আদি হ'ল এনে কার্যৰ কেইটামান উদাহৰণ। সম্প্রদায়ৰ স্বার্থজড়িত কার্যসূচী, মহিলা পিছপৰা শ্রেণী, অনুসূচীত জাতি, অনুসূচীত জনজাতি আদিৰ বাবে শিক্ষকসকলে বিশেষ কার্যসূচী বিকশাই তুলিব পাৰে। ইয়াৰ উপৰি আন দুটামান গুৰুত্বপূর্ণ কার্য হ'ল প্রাথমিক শিক্ষা সার্বজনীন

কৰণৰ কাৰ্যসূচী, প্ৰাপ্তবয়স্ক শিক্ষাৰ কাৰ্যসূচী, পঢ়া আধৰুৱা কৰা যুবক-যুবতী আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে আৰম্ভ কৰা শৈক্ষিক কাৰ্যসূচী আদি আৰম্ভ কৰিব পৰা যায়। শিক্ষকসকলৰ পৰা ইতিবাচক অনুপ্ৰেৰণা পালে সম্প্ৰদায়ে ল'ৰা-ছোৱালীৰ বাবে শিক্ষাৰ গুৰুত্ব কিমান সেয়া সহজে বুজি পোৱা যায়।

এইবোৰ কাৰ্যকলাপত অংশগ্ৰহণ কৰা শিক্ষকসকলক সম্প্ৰদায়ে নিজৰ মাজৰে এজন বুলি গণ্য কৰে। ইয়াৰ ফলত শিক্ষকেও সম্প্ৰদায়ৰ সদস্যসকলৰ প্ৰয়োজনীয়তা আৰু সমস্যাবোৰৰ বাস্তৱসন্মত প্ৰাককথন কৰিব পৰা হয়। সেয়েহে শিক্ষকসকলে এছোৱা দীঘলীয়া সময় সম্প্ৰদায়ৰ সৈতে কটাব আৰু প্ৰয়োজনৰ সময়ত ইয়াৰ সৈতে মিলি কাম কৰিব লাগে। এইটো কাৰণতে গাঁৱলীয়া আৰু অনগ্ৰসৰ অঞ্চলত কৰ্মৰত শিক্ষকসকলক সঘনাই বদলি কৰাব নালাগে। অৱশ্যে ওপৰত আলোচনা কৰা কামবোৰ শিক্ষকে অকলে কৰিব নোৱাৰে। এই কাৰ্যসূচীবোৰ সফল কৰি তুলিবলৈ অনা চৰকাৰী সংস্থা, চৰকাৰ, শিক্ষাবিভাগ আদিৰ দৰে অভিকৰণবোৰে শিক্ষকক সহায় কৰিব লাগিব। শিক্ষকে সদায় বিদ্যালয়ৰ বাহিৰত সকলোধৰণৰ বিতৰ্কৰ পৰা আঁতৰি থকা উচিত। ই বিদ্যালয়ৰ কাৰ্যকলাপবোৰত বিঘ্নিত কৰিব পাৰে। বিদ্যালয় চৌহদৰ বাহিৰৰ কাৰ্যকলাপবোৰত খৰছ কৰিবলগীয়া সময় সুবিবেচিতভাৱে ঠিক কৰি লোৱা উচিত।

## শৈক্ষিক অনুষ্ঠানত সম্প্ৰদায়ৰ ব্যক্তিৰ অংশগ্ৰহণ (Participation of Community People In Educational Institutions):

এয়া কোৱা বাহুল্য যে বিদ্যালয়ে সম্প্ৰদায়ৰ বাবে সম্প্ৰদায়বোৰ বিদ্যালয়ৰ বাবে। বিদ্যালয়ে সম্প্ৰদায়ৰ উন্নয়নত অবিহণা আগবঢ়ায় আৰু সম্প্ৰদায়ে বিদ্যালয়ৰ উন্নতিত সৰ্বোচ্চ হাত উজান দিয়ে। বিদ্যালয়ে ইয়াৰ সমলবোৰ সম্প্ৰদায়ৰ সৈতে ভাগবটোৱাৰা কৰে আৰু সম্প্ৰদায়েও বিদ্যালয়ত নানা ধৰণৰ কাৰ্যসূচীৰ আয়োজন কৰাৰ সময়ত নিজৰ সমলবোৰ ব্যৱহাৰ কৰে।

সাধাৰণভাৱে বিদ্যালয়-সম্প্ৰদায়ৰ সম্পৰ্ক আৰু বিশেষকৈ বিদ্যালয়ৰ কাৰ্যসূচীবোৰক উন্নত কৰি তোলাৰ কামত সম্প্ৰদায়ৰ অংশগ্ৰহণ এক প্ৰয়োজনীয় বিষয়।

এই ক্ষেত্ৰত NCERT (1987) এ এক পৰ্যবেক্ষণক সঠিক বুলি গণ্য কৰা হয়। এই পৰ্যবেক্ষণ অনুসৰি, "আন বহুতো কথাৰ লগতে NPE-এ শৈক্ষিক সা-সুবিধাৰ ক্ষেত্ৰত থকা বৈষম্য আঁতৰাবলৈ শৈক্ষিক সুবিধাবোৰ সম্প্ৰসাৰিত কৰাৰ কথা ভাবিছে। ইয়াৰ দ্বাৰা শিক্ষাক সামাজিক প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ প্ৰাসংগিক কৰি তোলাৰ লগতে ব্যৱস্থাপনাৰ দিশটোৰ বিকেন্দ্ৰীকৰণৰ কথা ভবা হৈছে। এই কামবোৰত সম্প্ৰদায়ৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে সফলতা লাভ কৰিব পৰা নেযাব। পৰ্যবেক্ষনে শৈক্ষিক কাৰ্যকলাপবোৰৰ বাবে বিকেন্দ্ৰীকৰণ আৰু স্ব-নিয়ন্ত্ৰণৰ স্পৃহা সৃষ্টি কৰাতো জোৰ

দিছে।" (NCERT, 1987, "The NPE has besides may other things, enquiraged expansion of education facilities to remove disparities in educational opportunities making education relevaint to the social needs, decentralization of management etc. which are not likely to be achieved without active participation of the Community. It emphasizes decentralization and the creation of a spirit of autonomy for educational activities as well.")

সম্প্ৰদায়ৰ অংশগ্ৰহণ বঢ়াবলৈ কিছুমান কৌশল প্ৰয়োগ কৰাৰ বাবে পৰামৰ্শ দিছিল —

- প্ৰধান শিক্ষককে ধৰি অন্যান্য শিক্ষকবৃন্দই বিদ্যালয়ৰ প্ৰয়োজনীয়তাবোৰ তথা সম্প্ৰদায়ৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তা থকা ক্ষেত্ৰবোৰ চিনাক্ত কৰি উলিয়াবলৈ ক্ষুদ্ৰ সমীক্ষা (micro survey) চলোৱা উচিত।
- ক্ষুদ্ৰ সমীক্ষাবোৰৰ জৰিয়তে বিদ্যালয়ৰ প্ৰধান শিক্ষক, আন শিক্ষকবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজনীয় সমলবোৰ চিনাক্ত কৰিব আৰু সেইবোৰ সংগঠিত কৰাৰ উপায় বিচাৰিব লাগে। সমল সংগঠিতকৰণত এই বিষয়বোৰ অন্তৰ্ভুক্ত কৰিব পাৰি —

  (i) সামগ্ৰী (ii) মানৱ সম্পদ, (iii) বিত্ত

  টেলিভিছন, কম্পিউটাৰ, টেপ-ৰেকৰ্ডাৰ, কেছেট বাদ্যযন্ত্ৰ, আঁচবাবপত্ৰ, কিতাপ, কৃষি সঁজুলি, ভৱন নিৰ্মাণ সামগ্ৰী, বেংক, ডাকঘৰ, ৰাজহুৱা উদ্যান আদিৰ দৰে সামূহিক সমলক বিদ্যালয়ৰ উন্নতিৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সংগঠিতকৰণৰ শিতানত সামৰি ল'ব পৰা যায়।
- মানৱ সম্পদ বিকাশ শিতানত স্থানীয় হস্তশিল্পী, বুদ্ধিজীৱি, শিল্পী, দক্ষ আৰু অদক্ষ কৰ্মী আদিৰ চিনাক্তকৰণক স্থান দিয়া হয়। বিত্তীয় সমল বুলিলে অতিৰিক্ত শ্ৰেণীকোঠা আদিৰ নিৰ্মাণত প্ৰয়োজন হ'ব পৰা ধনৰ বাজেট প্ৰাক্কৰণ (additional budget) আচবাব পত্ৰ ক্ৰয়, বিভিন্ন আহিলা ক্ৰয় আৰু আকস্মিক তথা মেৰামতি ব্যয় আদিৰ কথা বুজোৱা হয়।

যুৱকসকল, ছাত্ৰ-ছাত্ৰী আৰু সম্প্ৰদায়ৰ নেতাসকলক জড়িত কৰোৱাই এই প্ৰক্ৰিয়াবোৰ আগবঢ়াই নিব লাগে। আৰু ক্ষুদ্ৰ সমীক্ষাৰ শেষত প্ৰধান শিক্ষক, শিক্ষকবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীয়ে ডাটাসমূহ বিশ্লেষণ কৰি সেইবোৰ ভিন্ ভিন্ শিতানত ভগাই ল'ব। তাৰপাছত সমল ব্যৱহাৰৰ এক প্ৰতিবেদনৰ প্ৰস্তুত কৰিব। এই প্ৰতিবেদনখন বিদ্যালয় সমিতিৰ আগত স্থাপন আৰু মঞ্জুৰী আদায় কৰা হ'ব। মঞ্জুৰী আদায় কৰাৰ পিছত ব্যৱস্থাপনা বিভাগ, অভিভাৱক, শিক্ষক, ছাত্ৰ-ছাত্ৰী বিশেষভাৱে চিনাক্ত কৰা সম্প্ৰদায়ৰ নেতা আদিয়ে মিলি বিদ্যালয়ৰ সাধাৰণ সভা পাতিব। এই সভাত উপযুক্ত সময়ত উপযুক্ত উদ্দেশ্যত সম্প্ৰদায়ৰ সমলবোৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সহযোগিতা বিচৰা হ'ব। যেনে — সাধাৰণ

সভা এখনত বিদ্যালয়ৰ বাবে মাটিৰ প্ৰয়োজন হোৱাৰ বিষয়টো উত্থাপিত হ'ব পাৰে। সাধাৰণ সভাত সম্ভাব্য ভূমিদান কৰোঁতাসকলৰ তালিকা এখন উপস্থাপন কৰা হ'ব পাৰে অথবা তেওঁলোকৰ উপস্থিতি বাঞ্ছা কৰা হ'ব পাৰে। সভাত তেওঁলোকৰ ধন অথবা ভূমিদান কৰাৰ অনুৰোধ জনোৱা হ'ব পাৰে। প্ৰয়োজনীয় বিষয়। সম্প্ৰদায়ৰ অংশগ্ৰহণ সাধাৰণতে তিনিটা শিতানত ভাগ কৰা হয় —

**ক) স্বতঃস্ফূৰ্ত (Spontaneous) :** ব্যক্তিয়ে কোনো বাহ্যিক সমৰ্থন অথবা হেঁচা নথকাকৈ নিজে নিজে অংশগ্ৰহণৰ বাবে আগবাঢ়ি আহে। যেনে — বিদ্যালয় উন্নতকৰণ কাৰ্যসূচীত অংশগ্ৰহণ।

**খ) পৃষ্ঠপোষকতা (Sponsored) :** আনুষ্ঠানিক নিৰ্দেশনা অথবা যুটীয়া উদ্যোগ সম্পৰ্কীয় জাননী জাৰি কৰাৰ বাবে ব্যক্তিয়ে অংশগ্ৰহণ কৰে। কোনো বল নাইবা হেঁচা নাথাকে যদিও বাহ্যিক সমৰ্থনৰ দিশতো হৈ থাকে যেনে— নামভৰ্তি অভিযান।

**গ) বাধ্যতামূলক (Compulsory) :** বাধ্যতামূলক কৰি দিয়াৰ বাবেহে ব্যক্তিয়ে কেতিয়াবা অংশগ্ৰহণ কৰে। নিয়ম উলংঘা কৰিলে বলপূৰ্বকভাৱে মানিবলৈ বাধ্য কৰোৱা অথবা শাস্তি প্ৰদান কৰা হ'ব পাৰে। যেনে — নামভৰ্তি অভিযান, মধ্যাহ্নভোজন কাৰ্যসূচীৰ তদাৰক, বিনামূলীয়া পাঠ্যপুথি আৰু জলপানি আদিৰ বিতৰণ।

## সম্প্ৰদায়ৰ কাৰ্যকলাপত বিদ্যালয়ৰ অংশগ্ৰহণ (School's Participation in Community Activities) :

সম্প্ৰদায়ক নিজৰ সমলবোৰ যোগান ধৰাৰ লগতে বিদ্যালয়বোৰে সম্প্ৰদায়ৰ সকলো কাম কাজত সহায় কৰা উচিত। সম্প্ৰদায়ৰ কল্যাণৰ বাবে গঠন কৰা বিভিন্ন ধৰণৰ সমিতিত বিদ্যালয়ৰ প্ৰতিনিধি অন্তৰ্ভুক্ত কৰিব পৰা যায়। গ্ৰাম্যামঞ্চলত বিদ্যালয়বোৰে সম্প্ৰদায়ক কৃষি, স্বাস্থ্য আৰু পুষ্টি সহায় আগবঢ়াব পাৰে। উদ্যোগবোৰৰ সহযোগিতাত গ্ৰাম্য জীৱনৰ সৈতে জড়িত বিভিন্ন বৃত্তিত গাঁৱৰ যুৱ সমাজক দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণ দিয়াব পাৰে। ইয়াৰ সহায়ত তেওঁলোকে দৈনন্দিন জীৱনৰ বিভিন্ন কাম-কাজ আগতকৈ অধিক ফলপ্ৰসূভাৱে কৰিব পৰা হ'ব আৰু তাৰ পৰা অধিক লাভান্বিত হ'ব। গ্ৰাম্য আৰু নগৰীয়া উভয় অঞ্চলতে বিদ্যালয়বোৰে পৰিবৰ্তনৰ বাহক হিচাপে কাম কৰিব পাৰে। বিদ্যালয়বোৰে নিজ নিজ এলেকাৰ আৰ্থ সামাজিক দিশত অনগ্ৰসৰ সম্প্ৰদায় কিছুমান বাছি ল'ব পাৰে আৰু এই সম্প্ৰদায়বোৰৰ বাবে বিশেষ শৈক্ষিক কাৰ্য্যসূচী বিকশিত কৰিব পাৰে। সম্প্ৰদায়কেন্দ্ৰিক বিদ্যালয়বোৰত পাঠ্যক্ৰম যুগুত কৰাৰ সময়ত অঞ্চলটোৰ ভৌগোলিক অৱস্থিতি, ৰ্থনৈতিক সমল, সামাজিক নুষ্ঠান, স্বাস্থ্য আৰু স্থানীয় প্ৰশাসন, সামাজিক কল্যাণ ব্যৱস্থা আদিৰ দৰে বিভিন্ন গুৰুত্বপূৰ্ণ দিশ মনত ৰাখি আগবাঢ়িব লাগে। এই উদ্দেশ্যত সফল হ'বলৈ সম্প্ৰদায়ৰ সদস্য, উন্নয়ন খণ্ড,

কাৰ্যালয়ৰ বিভিন্ন স্তৰৰ বিষয়া, গ্ৰাম্য শিক্ষা সমিতিৰ সদস্য, সমাজ কল্যাণ কৰ্মী, কৃষি সম্প্ৰসাৰণ বিষয়া আদিৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিব লাগে। তেওঁলোকৰ সৈতে বিভিন্ন শৈক্ষিক দিশ আলোচনা কৰি পোৱা তথ্যবোৰ বিদ্যালয়ৰ পাঠ্যক্ৰমত সন্নিবিষ্ট কৰিব পাৰিলে পাঠ্যক্ৰম সমৃদ্ধ হৈ পৰে। বিদ্যালয়ে সম্প্ৰদায়ৰ মূল্যবোধবোৰ অক্ষুন্ন ৰাখে।

আগতেই আলোচনা কৰা হৈছে যে বিদ্যালয়ত থকা বিশেষজ্ঞৰ সহায়ত সমাজ কাৰ্য্য, নিৰক্ষৰ আৰু প্ৰাপ্তবয়স্ক শিক্ষাদান, বস্তি অঞ্চলৰ দুখীয়া লোকলৈ সেৱা সমৰ্থ আগবঢ়োৱা আদিৰ দৰে প্ৰকল্প প্ৰস্তুত কৰিব পৰা যায়। ছাত্ৰ-ছাত্ৰীক বিদ্যালয় চৌদহৰ ভিতৰতে সামূহিক কাম কৰাৰ প্ৰশিক্ষণ দিব পৰা যায়। ইয়াৰ লগতে বিদ্যালয়ে মূল্যবোধ সম্পৰ্কীয় বিভিন্ন ধৰ্মৰ প্ৰতি সন্মান জগাই তোলা বিভিন্ন প্ৰকল্পৰ কাম আৰম্ভ কৰিব পাৰে। মনোৰঞ্জন প্ৰদানৰ বাবে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন আৰু অন্ধবিশ্বাস কু-প্ৰথাৰ বিৰুদ্ধে সজাগতা অভিযান চলোৱাৰ দায়িত্বও বিদ্যালয়ে পালন কৰিব পাৰে। বাহিৰা অভিকৰণৰ সহযোগিতাত বিদ্যালয় আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ বাবে কথাছবি প্ৰদৰ্শন, বিভিন্ন প্ৰদৰ্শনী আৰু কথোপকথন অনুষ্ঠানৰ আয়োজন কৰিব পৰা যায়।

**বিদ্যালয়-সম্প্ৰদায়ৰ যোগাযোগ স্থাপনকাৰী কাৰ্যসূচী পৰিচালনা (Conducting School Community Contact Programmes) :**

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে সম্প্ৰদায়ৰ ব্যক্তিবিলাকৰ সৈতে সু-সম্পৰ্ক গঢ়ি তুলিবলৈ বিদ্যালয়ে দুই ধৰণৰ কাৰ্যসূচী হাতত ল'ব পাৰে। প্ৰথমটো হ'ল সম্প্ৰদায়ৰ অংশ ছাত্ৰ-ছাত্ৰীক বাস্তৱ অভিজ্ঞতাৰ যোগান ধৰিব পাৰে। দ্বিতীয়টো হ'ল — যুৱসমাজ আৰু প্ৰাপ্তবয়স্কৰ বাবে বিভিন্ন কাৰ্যকলাপৰ আয়োজন কৰা। তলত দুয়ো ধৰণৰ কাৰ্যকলাপৰ উদাহৰণ সহ এখন তালিকা দিয়া হ'ল —

**I. ল'ৰা-ছোৱালী (ছাত্ৰ-ছাত্ৰীৰ) বাবে প্ৰয়োজনীয় কাৰ্যকলাপ (Activities for Children Students) :**

(ক) মধ্যাহ্ন ভোজন, সামূহিক ৰান্ধনিঘৰ সেৱা।
(খ) বিদ্যালয় স্বাস্থ্য সেৱা — স্বাস্থ্য পৰীক্ষা।
(গ) পুথিভঁৰাল সেৱা।
(ঘ) স্কাউট-গাইড প্ৰশিক্ষণ।
(ঙ) বিদ্যালয়ৰ সংগ্ৰহালয়।
(চ) আন্তঃবিদ্যালয় প্ৰতিযোগিতাৰ আয়োজন।

(ছ) বিদ্যালয়ৰ পৰিচালনা সমিতি গঠন।

**II. যুৱ সমাজ আৰু প্ৰাপ্ত বয়স্কৰ বাবে কাৰ্যকলাপ (Activities for youth and adults):**

(ক) যুৱসকলৰ বাবে কাৰ্যকলাপ ঃ

(i) শৈক্ষিক কাৰ্যকলাপ (কথোপকথন বক্তৃতা, আলোচনা, ৰেডিঅ'ৰ কথিকা, টেলিভিছন অনুষ্ঠান, পুথিভঁৰালৰ কাম আদি।)

(ii) অৱসৰ বিনোদন কাৰ্যকলাপ (বিভিন্ন খেল-ধেমালি, বনভোজ, সংগীত প্ৰতিযোগিতা)।

(iii) দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিব পৰা সামগ্ৰী উৎপাদন।

(iv) সামূহিক কাৰ্যকলাপ (পালচ-পলিও অভিযান, নামভৰ্তি অভিযান ইত্যাদি।)

(খ) প্ৰাপ্তবয়স্কৰ কাৰ্যকলাপ (Activities for Adults) :

(i) অভিভাৱক শিক্ষক সন্থা (PTA)

(ii) সাক্ষৰতা আৰু সাক্ষৰ হোৱাৰ পাছৰ শিক্ষাদান।

(iii) চিলাই, উল গোঠা, ফুল তোলা, আচাৰ তৈয়াৰ কৰাৰ প্ৰশিক্ষণ, গাৰ্হস্থ বিজ্ঞান।

(iv) সম্প্ৰদায়ৰ শিক্ষা তথা কল্যাণৰ বাবে গঢ়ি তোলা বিভিন্ন সুযোগ।

(গ) উমৈহতীয়া কাৰ্যকলাপ (Activities for all) :

(i) বাৰ্ষিক অধিবেশন, ক্ৰীড়া দিৱস প্ৰসদৰ্শনী আদিৰ দৰে বিদ্যালয়ে আয়োজন কৰা বিভিন্ন অনুষ্ঠানলৈ সম্প্ৰদায়ক আমন্ত্ৰণ জনোৱা। এনে অনুষ্ঠানত বিভিন্ন বস্তু প্ৰদৰ্শন কৰা আৰু কিছুমান কাৰ্যকলাপ তথা কাৰ্যপ্ৰক্ৰিয়া হাতে কামে কৰি দেখুওৱা হয়।

(ii) স্থানীয় দুৰ্যোগৰ সময়ত কৰা সহায়।

(ii) ব্যক্তিগত পৰিচ্ছন্নতা বৰ্তাই ৰখাৰ শিক্ষা দিয়া আৰু বিভিন্ন সামাজিক কাৰ্যত সম্প্ৰদায়ক সহায় কৰা ইত্যাদি।

## সম্প্ৰদায়ৰ উন্নয়নত শিক্ষাৰ ভূমিকা (Role of Education in Community Development):

সামূহিক উন্নয়নত বাস্তব ৰূপ দিবলৈ ভাগ-বটোৱাৰা কৰা শৈক্ষিক কাৰ্যকলাপক এক সংগঠিত ৰূপ দিয়াটো প্ৰয়োজন। ইয়াৰ দ্বাৰা সমাজক দলীয়ভাৱে কাম কৰাৰ পদ্ধতিটোৰ সৈতে পৰিচয় কৰাই দিব পাৰি। এই ক্ষেত্ৰত শৈক্ষিক অনুষ্ঠানবোৰৰ গুৰুত্বক উলাই কৰা অনুচিত। এটা সম্প্ৰদায় সৃষ্টিকাৰী প্ৰকল্পই সম্প্ৰদায় এটাৰ উন্নয়ন আৰু পৰিবৰ্তনৰ সূচনা হয়। এই প্ৰক্ৰিয়াটোত মানুহৰ মনত সামৰ্থবোধৰ উদ্ৰেক ঘটোৱা আৰু ধাৰণাটো পুংখানুপংকৰূপত সুমুৱাই দিয়াৰ কামটো শৈক্ষিক অনুষ্ঠানবোৰে

সম্পাদন কৰিব লাগে। নিসন্দেহে ইয়াত শৈক্ষিক অনুষ্ঠানবোৰে সবাতোকৈ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

**সামূহিক উন্নয়নত শিক্ষাৰ ভূমিকাৰ কেতবোৰ দিশ হ'ল —**

**১) শিক্ষাই সক্ষমতাৰ পৃষ্ঠপোষকতা কৰে (It promotes equality) :** শিক্ষাক আদৰি লোৱা সম্প্রদায় এটাৰ প্রতিগৰাকী সদস্যৰ মনত উন্নয়নৰ বিষয়বোৰৰ ক্ষেত্রত এক সমতা বোধৰ উদয় হ'ব। শিক্ষাৰ সৈতে জড়িত হৈ থকা সমান সুযোগৰ বৈশিষ্ট্যটোৰে সামাজিক শ্রেণী আৰু বিভিন্ন লিংগৰ মাজত সাধাৰণভাৱে ক্রিয়া কৰি থকা প্রভেদবোৰ আঁতৰোৱাত মুখ্য ভূমিকা ল'ব পাৰে। সহজ অর্থত ই মহিলা সবলীকৰণ প্রক্রিয়াটোক সহায় কৰিব পাৰে।

**২) শিক্ষাই সম্প্রদায়ৰ সদস্যসকলক আত্মনির্ভৰশীল আৰু আত্মবিশ্বাসী কৰি তোলে (It makes members of the Community get a sense of dependance and confidence) :** অইনক নির্ভৰ নকৰাকৈ আর্থিকভাৱে স্বতন্ত্র জীৱন এটা কটাবলৈ সকলোৰে শিক্ষাৰ প্রয়োজন। আত্মনির্ভৰশীলতাই নিশ্চিতভাৱে সম্প্রদায় এটাক উন্নয়নৰ পথেৰে আগুৱাই যোৱাত সহায় কৰে। শিক্ষাই মানুহক গুণী কৰি তোলে, নিজাকৈ সিদ্ধান্ত ল'ব পৰা কৰি তোলে। সু-শিক্ষাই মানুহক নিজৰ দৃষ্টিভংগী আৰু মতামত সহজে ব্যক্ত কৰিবলৈ শিকায়। সু-শিক্ষিত মানুহৰ মতামত অইনে শুনাৰ আৰু গুৰুত্ব দিয়াৰ সম্ভাৱনা অধিক।

**৩) শিক্ষাই শান্তি আৰু সুৰক্ষাৰ পোষকতা কৰে (It promotes peace and security) :** সু-শিক্ষা লাভ কৰা সম্প্রদায়ৰ সদস্যসকলে ভাল-বেয়া, ভুল-শুদ্ধৰ মাজৰ পার্থক্য ভালদৰে ধৰিব পাৰে। এনে ব্যক্তিয়ে বেয়া কামৰ পৰিণাম অনুমান কৰিব পাৰে। সেইবাবে তেওঁ পৰাপক্ষত তেনে কার্য অথবা পৰিস্থিতিৰ পৰা আঁতৰি থাকে। ইয়াৰ উপৰি শিক্ষাই মানুহক নিজৰ অধিকাৰ আৰু দায়িত্বৰ লগতে সাধাৰণভাৱে আইন-কানুনৰ বিষয়ে জনাৰ সুযোগ দিয়ে।

### সামূহিক বিকাশত শিক্ষানুষ্ঠানৰ সমস্যা (Problems of educational institutions in community development):

উঠি অহা চামক সমাজত ভালদৰে খাপ খুৱাবলৈ আৰু সমাজৰ নিপুণ সদস্যৰূপে গঢ়ি তুলিবলৈ চলোৱা প্রস্তুতিবোৰত সহায় কৰাৰ উদ্দেশ্যেৰে সু-সংস্কৃত মানুহে বিকশাই তোলা অনুষ্ঠানসমূহেই হ'ল শিক্ষানুষ্ঠান। এই শৈক্ষিক অনুষ্ঠানসমূহে এনে নিপুণ সদস্য গঢ়ি তুলিবলৈ যোৱাৰ পথত বিভিন্ন ধৰণৰ সমস্যাই দেখা দিয়ে। যেনে —

**১) অভিভাৱকৰ দৰিদ্ৰতা (Poverty of the Guardian) :** আৰ্থিক দৈন্যতাৰ বাবে বহুতো পিতৃ-মাতৃয়ে নিজৰ সন্তানক শিক্ষা লাভৰ বাবে স্কুললৈ পঠিয়াব নিবিচাৰে। আমাৰ দেশত এনেকুৱা পৰিয়াল ও আছে যি এসাঁজ খাই এসাঁজ নোখোৱাকৈ থাকিবলগীয়া হয়। তেনে পৰিয়ালৰ শিশুক ন্যূনতম সুবিধাখিনিও পিতৃ-মাতৃয়ে দিব নোৱাৰে। বহুক্ষেত্ৰত দেখা যায় ল'ৰাটোক স্কুললৈ পঠিয়ায় আৰু ছোৱালীক আনৰ ঘৰত কাম কৰি পইচা উপাৰ্জন কৰিবলৈ দিয়ে, ফলত ছোৱালীবিলাক নিৰক্ষৰ হৈ ৰৈ যায়।

**২) শিশু শ্ৰমিক প্ৰথা (Practice of Child labour) :** পিত-মাতৃৰ দৰিদ্ৰতাৰ ফলত শিশুসকলে শ্ৰমিক হিচাপে কাম কৰি উপাৰ্জন কৰিবলগীয়া হয়। স্কুললৈ যোৱাৰ বয়সত বহু শিশুৱেই দুবেলা দুসাজ খাবলৈ নেপাই নগৰৰ উপকণ্ঠ অঞ্চলত বা গাঁৱত গঢ়ি উঠা শিল্প উদ্যোগ, কুটিৰ শিল্পৰ অনুষ্ঠান আদিত শ্ৰমিক হিচাপে দিন হাজিৰা কৰে।

**৩) প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ (Dearth of Trained Teachers) :** এজন সফল শিক্ষক হ'বলৈ প্ৰশিক্ষণৰ প্ৰয়োজন। শ্ৰেণীকোঠাত শিক্ষাৰ্থীক নিয়ন্ত্ৰণ কৰি শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰিলে তেওঁলোকে নিশ্চয় আধৰুৱাকৈ বিদ্যালয় ত্যাগ কৰিবলৈ ইচ্ছুক নহ'ব। কিন্তু বহু সময়ত দেখা যায় প্ৰশিক্ষণ নথকা শিক্ষকৰ ৰূঢ় ব্যৱহাৰ আৰু কঠোৰ অনুশাসনৰ ফলত ছাত্ৰই শিক্ষানুষ্ঠানলৈ আহিবলৈ এৰি দিয়ে।

**৪) শিক্ষানুষ্ঠানৰ শোচনীয় আন্তঃগাথনি (Poor infrastructure of School) :** শিক্ষানুষ্ঠান এখনৰ সন্মুখত খেলা-ধূলা কৰিব পৰা এখন মুকলি পথাৰ, শ্ৰেণীকোঠাৰ সন্মুখত এখন সুন্দৰ ফুলনি, শ্ৰেণীকোঠাত পৰ্যাপ্ত পৰিমাণৰ ডেস্ক-বেঞ্চ, পোহৰ, বতাহ আহিব পৰা, দুৱাৰ খিৰিকী, ভেণ্টিলেটৰ. ছাত্ৰ-ছাত্ৰীয়ে মূল্যায়ন কৰিবলৈ দিয়া বহী ৰাখিবৰ বাবে কাঠৰ আলমাৰি, মেপ, গ্লোব আদিৰে পৰিপূৰ্ণ এখন শিক্ষানুষ্ঠান শিক্ষাৰ্থীক আকৰ্ষণ কৰি ৰাখিবৰ বাবে অত্যন্ত প্ৰয়োজন। কিন্তু আমাৰ দেশত বিশেষকৈ গ্ৰাম্যাঞ্চলৰ কিমান স্কুলত এনে পৰিৱেশ আছে সেইটো চিন্তাৰ বিষয়।

**৫) অভিভাৱকৰ নিৰক্ষৰতা (Illiteracy of the Guardians) :** প্ৰাপ্তবয়স্ক নিৰক্ষৰতাৰ সংখ্যাও দুৰ্গম আৰু পিছপৰা গ্ৰাম্যাঞ্চলতেই বেছি। এনে নিৰক্ষৰ লোকসকলে ওচৰত শিক্ষানুষ্ঠান নথকাৰ অজুহাতত সন্তানক শিক্ষাৰ পৰা বঞ্চিত কৰে। কেতিয়াবা আকৌ শিক্ষানুষ্ঠান থাকিলেও পঢ়া-শুনাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব নোৱাৰাৰ বাবেও ল'ৰা-ছোৱালীক বিদ্যালয়লৈ যাবলৈ নিদিয়ে।

## সামৰণি (Conclusion)

ওপৰত কৰা আলোচনাৰপৰা ইয়াকে ক'ব পাৰি যে শিক্ষাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অৱদান হ'ল মানুহৰ জীৱন যাপনৰ মান উন্নত কৰাৰ লগতে মানুহক সুনাগৰিক কৰি তোলা। ইয়াৰ উপৰি বৰ্তমান শিক্ষাক এক মানৱ অধিকাৰ বুলিও গণ্য কৰা হয়। উন্নয়নৰ এক পূৰ্বচৰ্ত হ'ল শিক্ষা। ইয়াৰ জ্ঞানভিত্তিক

সিদ্ধান্ত গ্ৰহণ আৰু গণতান্ত্ৰিক ব্যৱস্থা উন্নতকৰণৰ এক ফলপ্ৰসূ উপায় বুলিও ধৰা হয়। শিক্ষাই ব্যক্তি, সম্প্ৰদায়, মানুহৰ গোট, অনুষ্ঠান আৰু দেশৰ উন্নয়নমূলক সামৰ্থ উন্নত তথা শক্তিশালী কৰে।

## প্ৰশ্নাৱলী

**I. অতি চমু উত্তৰৰ প্ৰশ্ন (Questions of Very Short answer)**

১। সম্প্ৰদায় মানে কি?

What is Community?

২। 'Community' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ লিখা।

Write the derivative meaning of 'Community'.

৩। সম্প্ৰদায়ৰ এটা সংজ্ঞা দিয়া।

Give one definition of Community.

৪। "সম্প্ৰদায় হ'ল সামাজিক জীৱনৰ সকলো দিশ সামৰি ল'ব পৰা ক্ষুদ্ৰতম আঞ্চলিক গোট।' — কথাষাৰ কোনে কৈছিল?

"A Community is the smallest territorial group that can embrace all aspects of social life." — Who said this?

৫। সমাজ মানে কি?

What is society?

৬। সম্প্ৰদায়ৰ এটা বৈশিষ্ট্য লিখা।

Write one characteristic of community.

৭। সমাজ আৰু সম্প্ৰদায়ৰ মাজৰ এটা প্ৰভেদ লিখা।

Write one difference between society and Community.

৮। সম্প্ৰদায় অধ্যয়ন কৰাৰ যিকোনো এটা পদ্ধতি লিখা।

Write any one method of studying community.

৯। বাস্তৱ ঘটনা অধ্যয়ন কি?

What is Case studies?

১০। সম্প্ৰদায়ত বিদ্যালয়ৰ যিকোনো এটা প্ৰভাৱ লিখা।

Write any one impact of school on community.

১১। সমীক্ষা পদ্ধতি কি?

What is survey method?

১২। সামূহিক বিকাশত শিক্ষানুষ্ঠানৰ যিকোনো এটা সমস্যাৰ নাম লিখা।

Write any one problems of educational institution in community development.

**II. চমুটোকা লিখা (Write Short Notes) :**

১। সমাজ আৰু সম্প্ৰদায়ৰ মাজৰ পাৰ্থক্য।

Distinguish between Society and Community.

২। সম্প্ৰদায়ৰ বৈশিষ্ট্যসমূহ।

Characteristics of Community.

৩। শিশুৰ ওপৰত সম্প্ৰদায়ৰ প্ৰভাৱ।

Influence of community on the child.

৪। শিশু শিক্ষাত সম্প্ৰদায়ৰ দায়িত্ব।

Duties of the community towards child's education.

৫। ঐতিহাসিক পদ্ধতি?

Historical method?

৬। যুৱ সমাজ আৰু প্ৰাপ্তবয়স্কৰ বাবে কাৰ্যকলাপ।

Activities for youth and adults.

৭। শিক্ষাত সম্প্ৰদায়ৰ ভূমিকা।

Role of Community in Education.

৮। সম্প্ৰদায়ৰ অংশগ্ৰহণৰ তিনিটা শিতান।

Three different Categories of Community participation.

৯। বিদ্যালয়ত সম্প্ৰদায়ৰ অৰ্থনৈতিক অৱস্থাৰ প্ৰভাৱ।

Economic impact of community on schools.

১০। বিদ্যালয়ত সম্প্ৰদায়ৰ প্ৰমূল্যবোৰৰ প্ৰভাৱ।

Values of community on schools.

**III. দীঘল উত্তৰৰ প্ৰশ্ন (Questions of long answer)**

১। সম্প্ৰদায় কি? বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।

What is Community? Discuss the relationship between school and community.

২। সম্প্ৰদায় অধ্যয়ন কৰাৰ পদ্ধতিসমূহ ব্যাখ্যা কৰা।

Explain the methods of studying community.

৩। সামূহিক কাৰ্যকলাপত শিক্ষকৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

Discuss the role of teachers in community development.

৪। শৈক্ষিক অনুষ্ঠানত সামূহিক ব্যক্তিৰ অংশগ্ৰহণ সম্পৰ্কে ব্যাখ্যা কৰা।

Explain the participation of community people in educational institutions.

৫। সামূহিক কাৰ্যকলাপত বিদ্যালয়ৰ অংশগ্ৰহণ সম্পৰ্কে বহলাই লিখা।

Write broadly about the school's participation in community activities.

৬। সম্প্ৰদায়ৰ উন্নয়নত শিক্ষাৰ ভূমিকা সম্পৰ্কে বহলাই লিখা।

Write elaborately about the role of education in community development.

৭। সামূহিক বিকাশত শিক্ষানুষ্ঠানৰ সমস্যাসমূহ আলোচনা কৰা।

Discuss the problem of educational institutions in community development.

● ● ●

# তৃতীয় অধ্যায়
# শিক্ষা আৰু মানৱ সম্পদৰ বিকাশ
# (Education and Human Resources Development)

- মানৱ সম্পদৰ বিকাশ ঃ অৰ্থ আৰু বৈশিষ্ট্যসমূহ (**Human Resource Development : Meaning, Definitions and Characteristics**)
- মানৱ সম্পদ বিকাশৰ উদ্দেশ্য আৰু প্ৰয়োজনীয়তা (**Objectives and Need of Human Resource Development**)
- মানৱ সম্পদ বিকাশৰ কাৰকবোৰ (**Factors of Human Resource Development**)
- মানৱ সম্পদৰ বিকাশত শিক্ষাৰ ভূমিকা (**Role of Education in Human Resource Development**)
- মানৱ সম্পদ বিকাশৰ সংগঠনবোৰ : **MHRD, UGC, NCERT, CBSE (Organisations of Human Resource Development : MHRD, UGC, NCERT, CBSE)**

## প্ৰস্তাৱনা (Introduction) :

প্ৰাকৃতিক সম্পদেৰে চহকী হ'লে দেশ এখনৰ অৰ্থনৈতিক বিকাশ হোৱা বুলি ক'ব নোৱাৰি। এই প্ৰাকৃতিক সম্পদসমূহ সু-ব্যৱহাৰ কৰি দেশখনক উন্নতিৰ পথত আগবঢ়াই নিবলৈ উপযুক্ত, কাৰ্যক্ষম তথা পাৰ্গত মানৱ সম্পদৰ প্ৰয়োজন হয়। প্ৰকৃতপক্ষে ক'বলৈ গ'লে দেশ এখনক অৰ্থনৈতিকভাৱে সবল কৰে মানৱ সম্পদেহে। সেয়েহে সকলো দেশেই নিজৰ মানৱ সম্পদক উপযুক্ত হিচাপে গঢ়ি তুলিবলৈ চেষ্টাৰ ত্ৰুটি নকৰে। কিন্তু কোনো এখন দেশৰ জনসংখ্যা বৃদ্ধি হ'লেই তাক মানৱ সম্পদ বুলি ক'ব নোৱাৰি। কাৰণ দেশৰ মানৱ সম্পদ যদি নিৰক্ষৰ আৰু অপটু হয়, তেনে মানৱ বা জনশক্তি দেশখনৰ বাবে সম্পদ নহয়। বৰং তেনে জনসংখ্যা দেশখনৰ বাবে এক বোজা স্বৰূপ হৈ পৰে। দেশৰ মানৱ সম্পদক উপযুক্তভাৱে শিক্ষিত কৰিব পাৰিলেহে সি সম্পদ হ'ব। যিখন দেশৰ মানৱ কাৰ্যক্ষম, কাৰিকৰী দিশত পটু সেইখন দেশৰ অৰ্থনৈতিক উন্নয়নত মানৱ সম্পদে প্ৰচুৰ অৰিহণা যোগাব

পাৰে। পৃথিৱীৰ ভিতৰত চীন দেশতেই জনসংখ্যা সৰ্বাধিক। কিন্তু এটা সময়ত চীন দেশৰ এই বৃহৎ মানৱ সম্পদ দেশখনৰ বাবে বোজাহে আছিল। কিন্তু কম সময়ৰ ভিতৰতেই এই মানৱ শক্তিক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি দেশখনৰ বাবে এক সম্পদ স্বৰূপে গঢ়ি তুলিব পাৰিলে। এই মানৱ সম্পদে দেশখনৰ অৰ্থনৈতিক অৱস্থাৰ দ্ৰুত পৰিৱৰ্তন সাধন কৰি এছিয়াৰ ভিতৰতে এখন শক্তিশালী দেশলৈ পৰিৱৰ্তন কৰিলে।

## মানৱ সম্পদৰ ধাৰণা (Concept of Human Resource) :

মানৱ সম্পদ হ'ল কোনো এখন দেশৰ গুৰুত্বপূৰ্ণ সম্পদ। দেশ এখন কেৱল ভৌতিক সম্পদৰ দ্বাৰাই নহয়, মানৱ-সম্পদৰ দ্বাৰাও পৰিচিত। ইয়াৰ দ্বাৰা দেশ এখন বিকশিত হয় নে নহয় বিচাৰ কৰা হয়। সকলো ব্যক্তিকে মানৱ সম্পদ স্বৰূপে বিবেচনা কৰা নহয়। যিসকল লোকে দেশৰ হকে কৰ্ম সম্পাদন কৰে তেনে ব্যক্তিকহে মানৱ সম্পদ স্বৰূপে বিবেচনা কৰা হয়। দেশে বিকাশ লাভৰ বাবে এই মানৱ সম্পদৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

আমেৰিকাৰ প্ৰতিষ্ঠানিক অৰ্থনীতিবিদ জন আৰ. কমন্স (John R.Commons)-এ ১৮৯৩ চনত প্ৰকাশিত তেখেতৰ গ্ৰন্থ 'The Distribution of Wealth'ত প্ৰথমবাৰৰ বাবে 'মানৱ সম্পদ' শব্দটো প্ৰয়োগ কৰিছিল।

ৱিকিপেডিয়া (Wikipedia) অনুসৰি 'মানৱ সম্পদ হ'ল মানুহৰ সমষ্টি যিয়ে কোনো এক কৰ্ম প্ৰতিষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান বা অৰ্থনীতিৰ কৰ্মবাহিনী তৈয়াৰ কৰে' (Human resources is the set of the people who make up the workforce of an organisation, business sector, industry or economy)।

মানৱ সম্পদ হ'ল ব্যৱসায়ৰ এক বিভাগ যিয়ে চাকৰি প্ৰত্যাশী ব্যক্তিৰ স্ক্ৰীনিং, নিয়োগ, প্ৰশিক্ষণ আৰু শিক্ষাৰ লগত সম্বন্ধ ৰক্ষা কৰে।

## বিকাশৰ ধাৰণা (Concept of Development) :

United Nations Development Decade Reportৰ মতে বিকাশ মানে হ'ল বৰ্ধন আৰু পৰিৱৰ্তন, এই পৰিৱৰ্তন সামাজিক বা সাংস্কৃতিক তথা অৰ্থনৈতিক আৰু গুণগত আৰু সংখ্যাগত হ'ব পাৰে (Development is growth plus change, change in turn is social and cultural as well as economic and qualitative as well as quantitative)। আকৌ হাৰ্বিচনৰ মতে, প্ৰাকৃতিক সম্পদ আৰু মানৱ মূলধনৰ নিষ্ক্ৰীয় সত্তাৰ দ্বাৰা নহয়, পৰিৱৰ্তনৰ সক্ৰিয় এজেন্ট আৰু বৈষয়িক সম্পদৰ উৎপাদন কৰা মানুহৰ দ্বাৰা বিকাশ সম্ভৱ নহয় (Development is brought about not by passive entities such as natural resources and material capital but by human beings who are

the active agents of change and bring about production of physical resource)। ওপৰত উল্লেখ কৰা সংজ্ঞা দুটাই প্ৰতিপন্ন কৰে যে বিকাশৰ ধাৰণা মানুহৰ প্ৰয়াসৰ লগত সম্বন্ধিত। কোনো এখন দেশৰ বিকাশৰ বাবে মানুহৰ বিকাশ প্ৰয়োজনীয়।

## মানৱ সম্পদ বিকাশৰ অৰ্থ (Meaning of Human Resource Development) :

মানৱ সম্পদ বিকাশ হ'ল এক সৰ্বাত্মক শব্দ যিয়ে কোনো এখন দেশৰ প্ৰয়োজন অনুসৰি বৃত্তিত নিয়োজিত কৰিবৰ বাবে উপযুক্ত মানৱ সম্পদৰ সৃষ্টি কৰা কাৰ্যৰ লগত সম্বন্ধ ৰাখে। এই ধাৰণাই মানৱ সম্পদৰ সৰ্বতোকৃষ্ট বিকাশৰ বাবে জ্ঞান, দক্ষতা আৰু মনোভাৱৰ বৰ্ধনক বুজায়। ১৯৭০ চনত লিওনাৰ্ড নেডলাৰ (Leonard Nadler)ৰ দ্বাৰা প্ৰকাশিত 'Developing Human Resource' গ্ৰন্থত 'মানৱ সম্পদ বিকাশ' শব্দটো ব্যৱহাৰ কৰা হৈছিল। এক চীনা মতামত অনুসৰি এবছৰৰ পৰিকল্পনা কৰিলে গুটি সিঁচিব লাগে, দহ বছৰৰ পৰিকল্পনা কৰিলে গছ ৰোপণ কৰিব লাগে আৰু এশ বছৰৰ পৰিকল্পনা কৰিলে মানুহৰ বিকাশ সাধন কৰিব লাগে। মানৱ সম্পদ বিকাশৰ ধাৰণা দেশ ভেদে বেলেগ বেলেগ হোৱা দেখা যায়। ইটালী আৰু কানাডাৰ দৰে উন্নত দেশসমূহত মানৱ সম্পদৰ বিকাশ মানে হ'ল জনসংখ্যা কেনেকৈ বৃদ্ধি কৰিব পাৰি। ছোভিয়েট ৰুছিয়াত মানৱ সম্পদৰ বিকাশে মানৱ সম্পদৰ সংখ্যাগত আৰু গুণগত বিকাশক সূচায়। আকৌ ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহত মানৱ সম্পদ বিকাশ হ'ল এক প্ৰক্ৰিয়া যাৰ যোগেদি সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ জ্ঞান, দক্ষতা আৰু সামৰ্থতা বৃদ্ধি কৰা হয়। অৰ্থনৈতিক দৃষ্টিকোণেৰে মানৱ সম্পদ হ'ল মানৱ মূলধনৰ সঞ্চয় আৰু অৰ্থনীতিৰ বিকাশত ইয়াৰ ফলপ্ৰসূ বিনিয়োগ। ৰাজনৈতিক দৃষ্টিকোণৰে মানৱ সম্পদৰ বিকাশ মানে হ'ল গণতান্ত্ৰিক ৰাজনৈতিক প্ৰক্ৰিয়াত ফলপ্ৰসূ অংশগ্ৰহণৰ বাবে ব্যক্তিক প্ৰস্তুত কৰি তোলা। সামাজিক আৰু সাংস্কৃতিক দৃষ্টিকোণেৰে মানৱ সম্পদৰ বিকাশে ব্যক্তি সুখী জীৱনৰ বাবে সহায় কৰে।

মানৱ সম্পদ শব্দই কোনো এখন দেশৰ জনসাধাৰণৰ সম্পূৰ্ণ জ্ঞান, দক্ষতা সৃজনশীল সামৰ্থতা, প্ৰতিভা, অভিজ্ঞতা, লক্ষণ আৰু মূল্যবোধক বুজায়। এফ. এইচ হাৰ্বিচন (F. H. Harbison)ৰ মতে 'মানৱ সম্পদ হ'ল মানুহৰ শক্তি, দক্ষতা, প্ৰতিভা আৰু জ্ঞান যাক পণ্য উৎপাদন বা উপযোগী সেৱাৰ সম্পাদনৰ ক্ষেত্ৰত সম্ভাব্যভাৱে প্ৰয়োগ কৰা হয়' (The human resources are the energies, skills, talent and knowledge of people which potentially can ba applied to the production of goods or the rendering of useful services)। আলফ্ৰেড মাৰ্শ্বেলে (Alfred Marshall) 'মানুহৰ ক্ষেত্ৰত হোৱা বিনিয়োগ হ'ল সকলো মূলধনৰ ভিতৰত মূল্যবান' (the investment in human beings as the most valuable of all capital) বুলি মত পোষণ কৰিছিল। বিকাশ শব্দটোৱে মানুহৰ মাজত থকা সম্ভাৱনীয়তাৰ বাস্তৱায়নক বুজায়। মানুহৰ মাজত থকা সম্ভাৱনীয়তাৰ বাস্তৱায়নক গছৰ বীজৰ লগত তুলনা কৰিব পাৰি। যেতিয়া বীজৰ অংকুৰণ হয় তেতিয়া বীজৰ বাস্তৱায়ন প্ৰক্ৰিয়া আৰম্ভ হৈ

যায়। বীজ শেষত বিকশিত হৈ গছৰ ৰূপ লয়। একেদৰে মানুহৰো জন্মগত জৈবিক, মনোবৈজ্ঞানিক আৰু সামাজিক ক্ষমতা থাকে। এই সম্ভাব্য ক্ষমতাবোৰ বিকশিত হয় আৰু উৎপাদনশীল হয়। মানুহৰ মাজত থকা সম্ভাৱনীয়তাবোৰৰ বিকাশ সাধন প্ৰক্ৰিয়াকে মানৱ সম্পদৰ বিকাশ বোলা হয়।

মানৱ সম্পদৰ বিকাশক সংজ্ঞায়িত কৰি ক'ব পাৰি যে ই হ'ল এক প্ৰক্ৰিয়া যাৰ মাধ্যমেৰে কোনো এক সংগঠনৰ কৰ্মী আৰু সদস্যসকলে অবিৰত আৰু পৰিকল্পিতভাৱে সহযোগিতা বুজায়। এই প্ৰক্ৰিয়াই বিভিন্ন দলৰ মানুহক নতুন দক্ষতা অৰ্জন কৰাত অবিৰতভাৱে সহায় কৰে যিয়ে ব্যক্তিক অধিক স্বাৱলম্বী কৰি তোলে আৰু নিজ দেশৰ বাবে গৌৰবান্বিত কৰি তোলে।

## মানৱ সম্পদ বিকাশৰ সংজ্ঞা (Definitions of Human Resource Development) :

মানৱ সম্পদ বিকাশৰ ধাৰণা অধিক স্পষ্টভাৱে উপলব্ধি কৰিবৰ বাবে বিশেষজ্ঞসকলে আগবঢ়োৱা ইয়াৰ সংজ্ঞাবোৰ বিচাৰ কৰি চোৱাটো প্ৰয়োজন। মানৱ সম্পদ বিকাশৰ সম্বন্ধে বিশেষজ্ঞ ব্যক্তি তথা কোনো প্ৰতিষ্ঠানে আগবঢ়োৱা কেইটামান সংজ্ঞা আলোচনা কৰা হ'ল —

শশী আগৰৱাল (Sashi Agarwal)-ৰ মতে, 'মানৱ সম্পদ বিকাশে ব্যক্তি এজনৰ লগত সমাজৰ সম্বন্ধক বুজায়। মানৱ সম্পদ বিকাশে ব্যক্তিৰ কাৰকক বুজায় যিয়ে ব্যক্তিত্ব, মনোভাৱ আৰু বৃত্তীয় দক্ষতা নিৰ্ধাৰণ কৰে' (Human resource development refers to the relationship of one's self and with society. Human resource development also refers to factors in the individual which determine the personality, attitude and professional skills.)।

United Nations Development Programme (UNDP) এ মানৱ সম্পদ বিকাশক সংজ্ঞায়িত কৰি মত পোষণ কৰিছিল যে 'ই হ'ল সেই নীতি আৰু কাৰ্যসূচী যিয়ে দক্ষতা, জ্ঞান আৰু সামৰ্থতা ক্ৰমাগত অধিগ্ৰহণ আৰু প্ৰয়োগৰ বাবে উপযুক্ত সুযোগ প্ৰদান কৰে আৰু যিয়ে ব্যক্তি স্বায়ত্বশাসন প্ৰচাৰ কৰে আৰু ব্যক্তি, সম্প্ৰদায় আৰু বৃহৎ পৰিৱেশৰ বাবে উমৈহতীয়াভাৱে সহায়কাৰী যাৰ তেওঁলোক অংশ' (Those policies and programmes that support and sustain equitable opportunities for continuing acquisition and application of skills, kowledge and completencies which promote individual autonomy and are mutually beneficial to individuals, the community and the larger environment of which they are a part)। এই সংজ্ঞাটোৱে বিকাশৰ বহুতো দিশ যেনে শাৰীৰিক, বৌদ্ধিক, আবেগিক, সামাজিক, নৈতিক, ৰাজনৈতিক আৰু আধ্যাত্মিক তথা ব্যক্তিৰ বিকাশৰ আন উপাদানবোৰক সামৰি লয়।

হাৰ্বিচন আৰু মায়াৰচ (Harbison and Meyers)ৰ মতে, 'মানৱ সম্পদ বিকাশ হ'ল সমাজ এখনৰ সকলো মানুহৰ জ্ঞান, দক্ষতা আৰু সামৰ্থতা বৃদ্ধিৰ প্ৰক্ৰিয়া' (Human resource development is

the process of increasing the knowledge, the skill and the capacity of all the people in a society)।

পিটাৰ ড্ৰাকাৰ (Peter Drucker)ৰ মতে, 'মানুহ সম্পদ নহয়, কেৱল প্ৰশিক্ষণপ্ৰাপ্ত, উন্নত আৰু উৎপাদনশীল কৰ্মত নিয়োজিত হ'লেহে ই সম্পদ হৈ পৰিব' (The human being is not a resource, it becomes a resource only if trained, developed and allocated to productive work)।

ৰাও (Rao)ৰ মতে, 'মানৱ সম্পদ বিকাশ হ'ল এক প্ৰক্ৰিয়া য'ত এটা প্ৰতিষ্ঠানৰ কৰ্মচাৰীসকলে বিভিন্ন কাৰ্য সম্পাদন কৰাৰ বাবে প্ৰয়োজনীয় দক্ষতা অৰ্জন আৰু সূক্ষ্ম কৰাৰ বাবে অবিৰতভাৱে পৰিকল্পিতভাৱে সহায় কৰে' (Human Resource Development is a process in which employees of an organisation are continuously helped in planned manner to acquire and sharpen capabilities that are required to perform various functions)।

নাডলাৰ (Nadler) ৰ মতে, 'প্ৰশিক্ষণ, জ্ঞান আৰু বিকাশমূলক কাৰ্যসূচীৰ যোগেদি নিয়োগকৰ্তাৰ সক্ষমতাৰ পৰ্যায় আৰু সাংগঠনিক কৰ্মদক্ষতা উন্নত কৰাৰ বাবে ব্যৱস্থাপনাৰ এক পৰিকল্পিত আৰু অবিৰত প্ৰয়াস হ'ল মানৱ সম্পদ বিকাশ' (Human Resource Development is a planned and continuous effort by management to improve employer capacity levels and organisational performance through training, education and development programmes)।

## মানৱ সম্পদ বিকাশৰ বৈশিষ্ট্য (Characteristics of Human Resource Development) :

মানৱ সম্পদ বিকাশৰ ওপৰত উল্লেখিত অৰ্থ আৰু সংজ্ঞাবোৰ বিশ্লেষণ কৰিলে এই ধাৰণাৰ কেতবোৰ স্বকীয় বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। তলত এই বিষয়ে আলোচনা আগবঢ়োৱা হ'ল—

**১। জনসাধাৰণৰ সৰ্বাত্মক বিকাশ (Holistic Development of Masses) :** মানৱ সম্পদৰ বিকাশ হ'ল এক প্ৰক্ৰিয়া যাৰ যোগেদি দেশ এখনৰ জনসাধাৰণৰ সৰ্বাত্মক বিকাশ সাধন কৰিব পৰা যায়। মানৱ সম্পদৰ বিকাশে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ জ্ঞান, দক্ষতা আৰু সামৰ্থতা বৃদ্ধি কৰি তোলে।

**২। অৰ্থনৈতিক উন্নয়ন (Economic Development) :** মানৱ সম্পদ বিকাশৰ ধাৰণা অৰ্থনৈতিক উন্নয়নৰ লগত জড়িত। দেশ এখনে অৰ্থনৈতিক দিশেৰে বিকাশ লাভ কৰিবলৈ হ'লে সেই দেশৰ মানৱ সম্পদৰ বিকাশ অপৰিহাৰ্য।

**৩। ব্যক্তিৰ সম্ভাৱনীয়তাবোৰ বিকাশ (Development of possibilities of Individual) :** মানৱ সম্পদৰ বিকাশে মানুহৰ মাজত থকা সম্ভাৱনীয়তাবোৰৰ বিকাশ সাধন কৰাত সহায় কৰে। এখন দেশৰ বিকাশ ব্যক্তিৰ প্ৰতিভা, অন্তৰ্নিহিত গুণ আৰু সম্ভাৱনীয়তাবোৰৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে উপযুক্ত শিক্ষা কাৰ্যসূচীৰ মাধ্যমেৰে ব্যক্তিৰ সম্ভাৱনীয়তাবোৰৰ বিকাশ সাধন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

**৪। ব্যক্তিৰ স্বাৱলম্বীতা (Self-reliance of Individual) :** মানৱ সম্পদৰ বিকাশে ব্যক্তিক স্বাৱলম্বী কৰি গঢ়ি তোলে। স্বাৱলম্বী ব্যক্তিয়ে নিজৰ আৰু পৰিয়ালৰ লগতে দেশৰ অর্থনৈতিক বিকাশতো বৰঙণি আগবঢ়াব পাৰে। ব্যক্তিৰ স্বাৱলম্বীতাই দৰাচলতে দেশ এখনৰ বিকাশকে সূচায়।

**৫। পদ্ধতিগত অভিগমন (Systematic Approach) :** মানৱ সম্পদ বিকাশ হ'ল এটা পদ্ধতিগত আৰু পৰিকল্পিত অভিগমন যাৰ যোগেদি কর্মীসকলৰ দক্ষতাৰ উন্নতি সাধন কৰা হয়। ভৱিষ্যত লক্ষ্য আৰু উদ্দেশ্যবোৰ সমগ্ৰ সংগঠনৰ দ্বাৰা নির্ধাৰিত হয় যি ব্যক্তি আৰু সাংগঠনিক পর্যায়ত সুপৰিকল্পিত।

**৬। অবিৰত প্ৰক্ৰিয়া (Continuous Process) :** কর্মীসকলৰ সকলো প্ৰকাৰৰ দক্ষতা যেনে — প্ৰযুক্তিগত, ব্যৱস্থাগত, আচৰণগত আৰু ধাৰণাগত দক্ষতাৰ বিকাশৰ বাবে মানৱ সম্পদৰ বিকাশ হ'ল এক অবিৰত প্ৰক্ৰিয়া। কর্মচাৰী এজন অৱসৰৰ আগমুহূর্তলৈ এই দক্ষতাবোৰ আয়ত্ব কৰি থকা প্ৰয়োজন।

**৭। বহু শৃংখলিত বিষয় (Multi disciplinary Subject) :** মানৱ সম্পদৰ বিকাশ হ'ল এটা বহু শৃংখলিত বিষয় যিয়ে আচৰণগত বিজ্ঞান (Behavioural science), অভিযান্ত্রিক বিজ্ঞান, বাণিজ্য, ব্যৱস্থাপনা, অর্থনীতি, চিকিৎসা বিজ্ঞান আদিৰ পৰা অন্তকৰণ (Input) লাভ কৰে।

**৮। সর্বব্যাপী (All pervasive) :** মানৱ সম্পদৰ বিকাশ হ'ল সকলো ক্ষেত্ৰতে অপৰিহার্য এক বিষয়। উৎপাদন প্রতিষ্ঠান, সেৱা ক্ষেত্ৰ তথা উদ্যোগ সকলো এই বিষয় ব্যাপ্ত হৈ আছে।

**৯। কৌশল (Techniques) :** মানৱ সম্পদৰ বিকাশ হ'ল কর্মদক্ষতা মূল্যায়ন, প্রশিক্ষণ, ব্যৱস্থাপনাৰ বিকাশ, বৃত্তিগত পৰিকল্পনা, পৰামর্শদান, কর্মচাৰীৰ অংশগ্ৰহণ আৰু গুণগত প্ৰক্ৰিয়া আদি সম্ভৱ কৰি তোলা কৌশল।

**১০। শিক্ষাৰ লগত সম্বন্ধিত (Related to Education) :** মানৱ সম্পদৰ বিকাশ শিক্ষাৰ লগত সম্বন্ধিত। এই ক্ষেত্ৰত ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত কোৱা হৈছিল 'মানুহ হ'ল ইতিবাচক আৰু মূল্যবান জাতীয় সম্পদ যাৰ লালন-পালন আৰু বিকাশ হোৱা প্ৰয়োজন। এই ক্ষেত্ৰত শিক্ষাৰ কর্মসূচী পৰিকল্পনা কৰা আৰু দক্ষতাৰ সৈতে বাস্তৱায়িত কৰা প্ৰয়োজন" (The human being is a positive asset and a valuable national resource which need to be cherished, nurtured and developed. The catalyst action of education in this context needs to be planned and implemented meticulously)।

গতিকে ক'ব পাৰি যে মানৱ সম্পদৰ বিকাশ হ'ল সমাজ তথা দেশৰ প্ৰগতিৰ বাবে অপৰিহার্য আৰু গুৰুত্বপূর্ণ এক ধাৰণা।

## মানৱ সম্পদ বিকাশৰ সূচকবোৰ (Indicators of Human Resource Development) :

মানৱ সম্পদ বিকাশৰ গুৰুত্বপূৰ্ণ সূচকবোৰক চাৰিটা ভাগত ভাগ কৰিব পাৰি। সেয়া হ'ল—

**১। শিক্ষিত ব্যক্তিৰ পৰা (From educated people) :** শিক্ষিত শ্ৰেণীৰ ব্যক্তিয়ে মানৱ সম্পদ বিকাশৰ বিষয়ে তথ্য নিশ্চিতভাৱে প্ৰদান কৰিব পাৰে। কাৰণ শিক্ষিত লোকসকলে মানৱ অধিকাৰৰ বিষয়ে আলোচনা কৰিব পাৰে। প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ সম্প্ৰসাৰণে দেশ এখনত মানৱ সম্পদ বিকাশৰ কথাকে সূচাব।

**২। সাক্ষৰতাৰ সম্প্ৰসাৰণ (Expansion of Literacy) :** ভাৰতবৰ্ষৰ দৰে দেশত প্ৰতি বছৰে ব্যাপক সংখ্যক ব্যক্তিয়ে সাক্ষৰতা লাভ কৰে। ইয়াৰ অৰ্থ হ'ল উন্নয়নশীল দেশবোৰত প্ৰতিবছৰে ব্যাপক হাৰত মানৱ সম্পদৰ বিকাশ হয়।

**৩। দক্ষকৰ্মী (Skilled Workers) :** জনসাংখ্যিক দৃষ্টিকোণেৰে এখন দেশৰ কৰ্মীৰ লগত সম্বন্ধ ৰাখি বৈজ্ঞানিক, অভিযন্তা, শিক্ষাবিদ, ব্যৱস্থাপক, চিকিৎসক, শিক্ষক আদিৰ দৰে দক্ষ কৰ্মীৰ সংখ্যা যদি বৃদ্ধি পায় তেন্তে ই দেশ এখনৰ বিকাশক সূচায়। অৰ্থাৎ মানৱ সম্পদ বিকাশৰ আন এক সূচক হ'ল দক্ষ কৰ্মীৰ সংখ্যা।

**৪। সামাজিক আৰু অৰ্থনৈতিক জ্ঞানৰ বোধ (Social and Economic Awakening) :** সামাজিক আৰু অৰ্থনৈতিক জ্ঞানৰ বোধ হ'ল আন এক সূচক যিয়ে মানৱ সম্পদৰ বিকাশক সূচায়। সামাজিক অৰু অৰ্থনৈতিক জ্ঞানৰ বিকাশ আৰু সামাজিক তথা অৰ্থনৈতিক সমস্যাৰ সমাধানে মানৱ সম্পদৰ বিকাশক সূচায়।

## মানৱ সম্পদ বিকাশৰ উদ্দেশ্য (Objectives of Human Resource Development) :

মানৱ সম্পদ বিকাশৰ সপোন বাস্তৱায়িত কৰিবৰ বাবে এই ধাৰণাৰ লক্ষ্য উদ্দেশ্যবোৰ সম্বন্ধে জ্ঞাত হোৱাটো প্ৰয়োজনীয়। মানৱ সম্পদ বিকাশৰ লক্ষ্য-উদ্দেশ্যবোৰ তলত উল্লেখ কৰা হ'ল—

**লক্ষ্য (Aims) :**

১। কৰ্মৰত ব্যক্তিসকলৰ বৰ্তমানৰ বৃত্তিৰ ক্ষেত্ৰত কৰ্মদক্ষতা বৃদ্ধি কৰি তোলা।

২। ভৱিষ্যতে কৰ্ম সম্পাদন কৰিবৰ বাবে ব্যক্তিৰ দক্ষতাৰ উন্নতি সাধন কৰা।

৩। দলীয় গতিশীলতা আৰু কাৰ্যকাৰিতা উন্নত কৰি তোলা।

৪। ব্যক্তিৰ মনোভাৱৰ বিকাশ সাধন কৰা।

৫। প্ৰতিষ্ঠানৰ লক্ষ্যৰ লগত ব্যক্তিৰ লক্ষ্যক একত্ৰিত কৰা।

৬। কোনো এক প্ৰতিষ্ঠানৰ উপলব্ধ মানৱ সম্পদৰ সৰ্বতোকৃষ্ট ব্যৱহাৰ সম্ভৱ কৰি তোলা।

৭। ব্যক্তিক সৃজনশীলতাক উৎসাহিত কৰা।
৮। ব্যক্তিক নিজৰ প্ৰতিভাৰ সম্ভাব্যতা পূৰ্ণ প্ৰকাশৰ বাবে সুযোগ আৰু সুবিধা প্ৰদান কৰা।
৯। আন্তঃ ব্যক্তিসম্বন্ধ আৰু কৰ্ম-সংস্কৃতিৰ বিকাশ সাধন কৰা।
১০। ঔদ্যোগিক সম্প্ৰীতি সম্প্ৰচাৰিত কৰা।
১১। উৎপাদনশীলতা বৃদ্ধি কৰি তোলা।

**উদ্দেশ্য (Aims) :**

১। বৰ্তমান আৰু ভবিষ্যতৰ পৰিবৰ্তিত চাকৰি বা বৃত্তিৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে কৰ্মচাৰীসকলক প্ৰস্তুত কৰি তোলা।
২। কৰ্মচাৰীৰ কমি যোৱা কৰ্মদক্ষতা ৰোধ কৰা।
৩। সৃজনশীল ক্ষমতা আৰু প্ৰতিভাৰ বিকাশ সাধন কৰা।
৪। কৰ্মচাৰীসকলক উচ্চ স্তৰৰ বৃত্তিৰ বাবে প্ৰস্তুত কৰি তোলা।
৫। নতুনকৈ প্ৰবেশ কৰা কৰ্মচাৰীসকলক মানৱ সম্পদ বিকাশৰ দক্ষতা আৰু জ্ঞান প্ৰদান কৰা।
৬। পৰৱৰ্তী স্তৰৰ বৃত্তিৰ বাবে ব্যক্তিৰ সম্ভাৱনীয়তাৰ বিকাশ সাধন কৰা।
৭। সম্পূৰ্ণ গুণগত ব্যৱস্থাপনাত সহায় আগবঢ়োৱা।
৮। ব্যক্তিগত আৰু সামূহিক ন্যায়বোধ, দায়িত্ববোধ, সহযোগিতামূলক মনোভাৱ আৰু সু-সম্বন্ধৰ উন্নীতকৰণ কৰা।
৯। জ্যেষ্ঠ ব্যৱস্থাপকসকলক প্ৰতিষ্ঠানৰ ভিতৰে-বাহিৰে অভিজ্ঞতা প্ৰদানৰ সুযোগ প্ৰদান কৰি মন প্ৰসাৰিত কৰা।
১০। প্ৰতিষ্ঠানৰ মসৃণ আৰু দক্ষ কাম-কাজ নিশ্চিত কৰা।
১১। মানৱ সম্পদ বিকাশৰ বাবে ব্যাপক পৰিসৰৰ কাঠামো বা সংৰচনা প্ৰদান কৰা।
১২। সাংগঠনিক সক্ষমতা বৃদ্ধি কৰি তোলা।
১৩। ব্যক্তিগত আৰু সামূহিক লক্ষ্যত উপনীত হোৱাৰ লক্ষ্যৰে প্ৰত্যেক কৰ্মচাৰীৰ সম্পূৰ্ণ সম্ভাৱনীয়তাবোৰৰ আৱিষ্কাৰ, বিকাশ আৰু ব্যৱহৃৰ কৰাৰ বাবে এক পৰিৱেশ সৃষ্টি কৰি তোলা।
১৪। কৰ্মচাৰীসকলৰ সক্ষমতাৰ বিকাশ সাধনৰ বাবে সম্পূৰ্ণ স্বাস্থ্যৰ বিকাশৰ বাবে সুযোগ প্ৰদান কৰাও মানৱ সম্পদ বিকাশৰ অন্যতম উদ্দেশ্য।

## মানৱ সম্পদ বিকাশৰ উপাদান (Components of Human Resource Development) :

মানৱ সম্পদৰ বিকাশে কৰ্মচাৰীসকলক বা মানৱ সম্পদক ব্যক্তিগত আৰু প্ৰতিষ্ঠানিক পৰ্যায়ত বিকাশ সাধন কৰে। ই বৃত্তীয় বিকাশকো সামৰি লয়। মানৱ সম্পদ বিকাশৰ সাৰমৰ্ম হ'ল যে ব্যক্তিগত

কৰ্মচাৰীসকলৰ ব্যক্তিগত আৰু সামূহিক বিকাশৰ যোগে প্ৰতিষ্ঠানিক বিকাশ সম্ভৱ কৰি তুলিব পাৰি।

মানৱ সম্পদ বিকাশৰ প্ৰধান উপাদান তিনিটা হ'ল—

১। **ব্যক্তিগত বিকাশ (Individual Development) ঃ** এই উপাদানে ব্যক্তিৰ নতুন দক্ষতা, জ্ঞান আৰু উন্নত আচৰণক সূচায় যিয়ে ব্যক্তিৰ উৎপাদনশীলতাত বৰঙণি আগবঢ়ায়। এই ধৰণৰ প্ৰশিক্ষণে মানৱ সম্পদৰ দক্ষতা বৃদ্ধি কৰি তোলে। অভিজ্ঞ জ্যেষ্ঠ নিৰ্দেশক বা প্ৰশিক্ষকৰ অনানুষ্ঠানিক কাৰ্যৰ যোগে ব্যক্তিগত বিকাশ সম্ভৱপৰ হয়।

২। **বৃত্তিগত বিকাশ (Career Development) ঃ** এই অভিগমনত কৰ্মচাৰীৰ লক্ষ্যক প্ৰতিষ্ঠানৰ প্ৰয়োজনীয়তাৰ লগত সম্বন্ধিত কৰা হয়। ব্যক্তিৰ ভৱিষ্যত বৃত্তিৰ বাবে প্ৰয়োজনীয় দক্ষতাবোৰ কেনেকৈ বিশ্লেষণ কৰিব লাগে সেয়া জানিবৰ বাবে আগ্ৰহ, মূল্যবোধ, সামৰ্থতা আৰু দক্ষতাবোৰ চিনাক্তকৰণ কৰা হয়। ব্যক্তিগত পৰ্যায়ত বৃত্তীয় বিকাশে বৃত্তীয় পৰিকল্পনা আৰু বৃত্তীয় সচেতনতাক সামৰি লয়। বৃত্তীয় বিকাশৰ বাবে প্ৰতিষ্ঠানবোৰে পৰামৰ্শদান, বৃত্তীয় বিকাশৰ কৰ্মশালা, মানৱ সম্পদৰ পৰিকল্পনা আদি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰে।

৩। **প্ৰতিষ্ঠানিক বিকাশ (Organisational Development) ঃ** প্ৰতিষ্ঠানিক বিকাশে প্ৰতিষ্ঠানৰ কাৰ্যকাৰিতা বৃদ্ধিৰ বাবে প্ৰাতিষ্ঠানিক ভিত্তিত গ্ৰহণ কৰাৰ প্ৰয়াসক সূচায়। ই প্ৰতিষ্ঠানৰ গাঁথনি, সংস্কৃতি, প্ৰক্ৰিয়া ইত্যাদি সাফল্যতাৰ মূল্যায়ন, ব্যৱস্থাপনাৰ পৰিৱৰ্তন, অনুক্ৰমিক পৰিকল্পনা, প্ৰক্ৰিয়া বিশ্লেষণ আৰু দল গঠন কাৰ্যৰ দ্বাৰা প্ৰতিষ্ঠানৰ বিকাশক সূচায়। প্ৰতিষ্ঠানিক বিকাশৰ প্ৰথম পদক্ষেপ হ'ল প্ৰতিষ্ঠানৰ আভ্যন্তৰীণ সমস্যা আৰু দুৰ্বলতাবোৰ আৱিষ্কাৰ কৰা আৰু সেইবোৰ নিৰাময়ৰ বাবে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা।

## মানৱ সম্পদ বিকাশৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব (Need and Importance of Human Resource Development) :

এখন দেশৰ বিকাশৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উৎস হ'ল মানৱ সম্পদ। তিনিটা M যেনে — মানুহ (Man), অৰ্থ (Money) আৰু সামগ্ৰী (Material)ৰ ভিতৰত মানুহ হ'ল সকলো বিকাশৰ মূল চাবিকাঠি। পণ্য আৰু সেৱাৰ যোগেদি জাতীয় বিকাশ লাভৰ ক্ষেত্ৰত মানৱ শক্তিক সমৃদ্ধিশালী, প্ৰশিক্ষণ আৰু জ্ঞান প্ৰদান কৰা দৰকাৰ। উৎপাদন আৰু আয় বৃদ্ধিৰ ক্ষেত্ৰত মানৱ সম্পদক শক্তিশালী উপায় স্বৰূপে গ্ৰহণ কৰা হয়। ইয়ে মানৱ সম্পদক ভৌতিক সম্পদৰ পৰা পৃথক কৰি তোলে। মানৱ মূলধনে শিক্ষাৰ ক্ষেত্ৰত কৰা বিনিয়োগক সূচায়। মানৱ মূলধনৰ বিনিয়োগ হ'ল দেশ এখনৰ বিকাশৰ বাবে পূৰ্বচৰ্ত স্বৰূপ।

মানৱ সম্পদ বিকাশৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ কেতবোৰ দিশ তলত বৰ্ণনা কৰা হ'ল—

**১। চূড়ান্ত বিষয় (An End in itself) :** আধুনিক সমাজৰ আটাইতকৈ স্বকীয় বৈশিষ্ট্য হ'ল বিজ্ঞানভিত্তিক প্ৰযুক্তিবিদ্যা গ্ৰহণ কৰা। উৎপাদন বৃদ্ধিৰ বাবে উন্নয়নশীল দেশবোৰক ই সহায় কৰে আৰু উন্নত দেশবোৰৰ সমকক্ষ কৰি তোলাৰ বাবে প্ৰয়াস কৰে। উন্নয়নশীল দেশবোৰ উন্নত দেশলৈ ৰূপান্তৰিত হ'বৰ বাবে ভৌতিক সম্পদ আৰু মানৱ সম্পদ দুয়োটাই প্ৰয়োজনীয়। ভৌতিক সম্পদবোৰ আমি কৃষিৰ আধুনিকীকৰণ আৰু দ্ৰুত ঔদোগিকৰণৰ যোগে লাভ কৰিব পাৰো। কিন্তু মানৱ সম্পদৰ বিকাশৰ বাবে আমাক সংগঠিত শিক্ষাৰ কাৰ্যসূচীৰ প্ৰয়োজন। মানৱ সম্পদৰ বিকাশ এক চূড়ান্ত বিষয় আৰু ইয়াৰ অবিহনে ভৌতিক সম্পদৰ বিকাশ সম্ভৱ নহয়।

**২। অৰ্থনৈতিক প্ৰয়াসৰ বাবে (For Economic endeavover) :** প্ৰশিক্ষিত আৰু দক্ষতাপূৰ্ণ মানৱ শক্তিস্বৰূপ মানৱ সম্পদ হ'ল যিকোনো অৰ্থনৈতিক প্ৰয়াসৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰক। অধ্যাপক এ. কে. ঘোষ (Prof. A. K. Ghosh)ৰ মতে, 'বেছিভাগ পিছপৰা দেশেই পিছপৰা হোৱাৰ কাৰণ ভৌতিক আৰু আৰ্থিক সম্পদৰ অপৰ্যাপ্ত যোগান নহয়, ইয়াৰ কাৰণ হ'ল দক্ষতাপূৰ্ণ আৰু কৌশলী ব্যক্তিৰ অভাৱ' (Most of the backward countries are backward not bacause of inadequate supply of physical and financial resources but because of acute shortage of skilled personal and techniques)। মুঠ জাতীয় উৎপাদন, দক্ষতাৰ মেচিন পৰিচালনা কৰা আৰু মূলধন সামগ্ৰীবোৰ দীৰ্ঘ সময়ৰ বাবে শক্তিশালী কৰি ৰখা বৰঙণিৰ দ্বাৰা মানৱ সম্পদ বিকাশৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব উপলব্ধি কৰিব পাৰি। শিক্ষাই প্ৰশিক্ষিত মানৱ সম্পদ গঢ়ি তোলে যি নতুন প্ৰযুক্তিবিদ্যাৰ লগত সহজে সমাযোজিত হ'ব পাৰে।

**৩। বহনক্ষম বিকাশ (Sustainable Development) :** আমাক মানৱ সম্পদৰ বিকাশ প্ৰয়োজন কিয়নো বিকাশৰ প্ৰক্ৰিয়াত বহন ক্ষমতা অনাৰ ই এক গুৰুত্বপূৰ্ণ কাৰক। প'ল হল্‌ফমেন (Paul Halffman)ৰ ভাষাত, 'অনুন্নত দেশবোৰক মূলধনৰ দৰেই উচ্চ পৰ্যায়ৰ মানৱ শক্তিও অধিক প্ৰয়োজন। অৰ্থনৈতিক বিকাশৰ বাবে প্ৰয়োজনীয় সকলো সম্পদৰ ভিতৰত উচ্চ প্ৰতিভাসম্পন্ন মানৱ শক্তিৰ প্ৰয়োজনীয় দীৰ্ঘদিনীয়া। শক্তিস্থান, টেক্সটাইল কাৰখানা তথা ষ্টিল মিল এটা কিছু বছৰৰ ভিতৰতে গঠন কৰিব পাৰি কিন্তু সেইবোৰ তদাৰক কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাপক, অভিযন্তা আৰু প্ৰশাসক আদিৰ বিকাশৰ বাবে দহৰ পৰা পোন্ধৰ বছৰ সময় লাগে। এই মানৱ শক্তিবোৰ দেশ এখনৰ আত্ম বহনক্ষমতাপূৰ্ণ বিকাশৰ বাবে অপৰিহাৰ্য' (The underdeveloped countries need high level manpower just as urgently as they need capital of all resources required for economic development, high talent manpower requires the longest 'lead time'. The power station, textile factories as steel mills can be constructed in a few years, but it takes ten to fifteen years to develop managers, engineers and administrators to operate them. The existence of such manpower is essential if the countries are to achieve self sustaining growth.)

৪। **আধুনিক দেশ নিৰ্মাণ (Building Modern Nation) :** আধুনিক দেশ নিৰ্মাণৰ বাবেও মানৱ সম্পদৰ বিকাশ প্ৰয়োজনীয়। হাৰ্বিচন আৰু মায়াৰৰ মতে আধুনিক দেশৰ নিৰ্মাণ ব্যক্তিৰ বিকাশ আৰু মানৱ কাৰ্যৰ সংগঠনৰ ওপৰত নিৰ্ভৰশীল। মূলধন, প্ৰাকৃতিক সম্পদ, বিদেশী আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আদিয়ে অৰ্থনৈতিক বিকাশত অৰিহণা আগবঢ়ায় যদিও এই সকলোবোৰৰ উৰ্ধত হ'ল মানৱ শক্তি। ১৯৬৪-৬৬ চনৰ শিক্ষা আয়োগেও মত পোষণ কৰিছিল যে আমাৰ দেশৰ ভাগ্য শিক্ষাৰ দ্বাৰা নিৰ্মাণ কৰিব পৰা যায়।

৫। **দেশৰ আকাংক্ষাৰ উপলব্ধি (Realising Country's Aspirations) :** এখন দেশৰ আকাংক্ষাৰ উপলব্ধিৰ বাবেও মানৱ সম্পদ বিকাশ অতি প্ৰয়োজনীয়। আৰ্থ-সামাজিক বিকাশৰ মূল ভিত্তিস্বৰূপ মানুহৰ জ্ঞান, দক্ষতা, আগ্ৰহ আৰু মূল্যবোধৰ পৰিবৰ্তনৰ লগতে ই সম্বন্ধিত।

৬। **জনমূৰি আয় বৃদ্ধি (Increase in Per-Capita income) :** দেশ এখনৰ অৰ্থনৈতিক বিকাশত বৰঙণি আগবঢ়োৱা জনমুৰি আয় বৃদ্ধি কৰাৰ ক্ষেত্ৰতো মানৱ সম্পদৰ বিকাশে মুখ্য ভূমিকা গ্ৰহণ কৰে। মানৱ সম্পদৰ বিকাশ সাধনে মানুহৰ উপাৰ্জন বৃদ্ধি কৰে আৰু বৰ্ধিত উপাৰ্জনে দেশৰ জনমুৰি আয় বৃদ্ধি হোৱাত সহায় কৰে।

৭। **লক্ষ্যত উপনীত হোৱা (To Achieve Goals) :** কৰ্ম সম্পাদনৰ বাবে ব্যক্তিক দক্ষতাৰ প্ৰয়োজন। উচ্চ ডিগ্ৰী আৰু কৰ্ম সম্পাদনৰ গুণমানৰ বাবে ব্যক্তিক উচ্চ পৰ্যায়ৰ দক্ষতাৰ প্ৰয়োজন হয়। কোনো এক প্ৰতিষ্ঠানৰ লক্ষ্যত উপনীত হ'বৰ বাবে দক্ষতাৰ অবিৰত বিকাশ অপৰিহাৰ্য। প্ৰতিষ্ঠান এটা বৃদ্ধি, শ্ৰেষ্ঠত্ব, বাচি থাকিবৰ বাবে যোগ্য আৰু অভিৰোচিত কৰ্মচাৰী অপৰিহাৰ্য।

৮। **বৃদ্ধিৰ স্তৰ বজাই ৰখা (To maintain a level of Growth) :** সময়ৰ লগে লগে প্ৰতিষ্ঠান এটাই বৃদ্ধিৰ ক্ষেত্ৰত এটা সংকটপূৰ্ণ বিন্দুত উপনীত হয়। এনে সংকটপূৰ্ণ পৰিস্থিতিৰ লগত মোকাবিলা কৰিবৰ বাবে কৰ্মচাৰী বা মানৱ সম্পদবোৰৰ দক্ষতাৰ সৰ্বতোকৃষ্ট বিকাশ অপৰিহাৰ্য। মানৱ সম্পদৰ বিকাশেহে নতুন দক্ষতা অৰ্জনত সহায় কৰে।

৯। **কাৰ্যকাৰিতা বৃদ্ধি কৰা (Improve Effectiveness) :** কোনো প্ৰতিষ্ঠানে ব্যয় হ্ৰাস, বিলম্ব হ্ৰাস (reduction in delays), গ্ৰাহকৰ সন্তুষ্টি বৃদ্ধি, সেৱাৰ গুণমান বৃদ্ধি, বজাৰ চিত্ৰৰ বাবে প্ৰয়োজনীয় কাম-কাজ সম্পাদন কৰিবৰ বাবে প্ৰতিষ্ঠানটোৰ মানৱ সম্পদবোৰৰ সেৱা আৰু কাৰ্যকাৰীতা বৃদ্ধি কৰিব লাগিব। মানৱ সম্পদৰ কাৰ্যকাৰিতা বৃদ্ধি অবিহনে প্ৰতিষ্ঠানটোৱে বিচৰা ধৰণে কৰ্ম সম্পাদন কৰিব নোৱাৰিব।

গতিকে ক'ব পাৰি যে দেশ এখন বিকাশ প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰশীল যদিও প্ৰাকৃতিক সম্পদৰো উৰ্ধত থাকে মানৱ সম্পদ। মানৱ সম্পদৰ যথাযোগ্য বিকাশ হ'লে প্ৰাকৃতিক সম্পদত

চহকী নহ'লেও দেশ এখনে বিকাশ লাভ কৰিব পাৰে। এই ক্ষেত্ৰত আমি জাপান, চীন, চিংগাপুৰ আদি দেশবোৰৰ কথা উনুকিয়াব পাৰো। এই দেশবোৰে মানৱ সম্পদৰ সৰ্বতোকৃষ্ট প্ৰয়োগ কৰি নিজকে এখন উন্নত দেশ হিচাপে বিশ্বৰ আগত প্ৰতিষ্ঠিত কৰিব পাৰিছে।

## মানৱ সম্পদ বিকাশৰ পৰিসৰ (Scope of Human Resource Development) :

ব্যক্তিগত, দলীয় আৰু প্ৰতিষ্ঠানিক লক্ষ্য লাভৰ বাবে মানৱ সম্পদ বিকাশে বিকাশৰ লগত সম্বন্ধ ৰাখে। মানৱ সম্পদ বিকাশৰ পৰিসৰৰ কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়বস্তু তলত উল্লেখ কৰা হ'ল—

(i) মানৱ সম্পদ বিকাশৰ মাত্ৰা আৰু সম্ভাৱনীয়তাৰ মাজতে কৰ্মচাৰী নিয়োগ কৰা।

(ii) বৰ্তমান আৰু ভৱিষ্যতৰ সাংগঠনিক চাহিদা পূৰণ কৰিব পৰা মানৱ সম্পদক বৃত্তিত নিয়োগ কৰা।

(iii) দক্ষতা আৰু জ্ঞানৰ মাজত থকা ব্যৱধান চিনাক্ত কৰি সেইবোৰৰ বিকাশৰ বাবে ব্যক্তি আৰু দল তথা প্ৰতিষ্ঠানৰ সদস্য স্বৰূপে মানৱ সম্পদৰ কৰ্ম ক্ষমতা বিশ্লেষণ, মূল্যায়ন আৰু বিকাশ কৰা।

(iv) কৰ্মক্ষমতা পৰামৰ্শ, পাৰদৰ্শিতা পৰামৰ্শ আৰু পাৰদৰ্শিতা সাক্ষাৎকাৰৰ যোগে জ্যেষ্ঠ কৰ্মচাৰীসকলৰ পৰা শিকাত সহায় কৰা।

(v) সকলো কৰ্মচাৰী বা মানৱ সম্পদক নতুন দক্ষতা আৰু জ্ঞান অৰ্জনৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা।

(vi) কৰ্মচাৰী বা মানৱ সম্পদৰ আচৰণগত দক্ষতা আৰু জ্ঞানৰ বিকাশ সাধন কৰা।

(vii) কৰ্মচাৰীসকলৰ বৃত্তি আৰু বিকাশমূলক কাৰ্যসূচীৰ পৰিকল্পনা কৰা।

(viii) কৰ্মচাৰী বা মানৱ সম্পদৰ সফলতা আৰু বিকাশৰ বাবে পৰিকল্পনা কৰা।

(ix) প্ৰতিষ্ঠানৰ বিকাশৰ যোগে কৰ্মচাৰীৰ আচৰণৰ পৰিৱৰ্তন কৰা।

(x) দলীয় গতিশীলতা, অন্তঃ আৰু আন্তঃ দলীয় আন্তক্ৰিয়াৰ যোগে কৰ্মচাৰীৰ শিকণ।

(xi) সামাজিক আৰু ধৰ্মীয় আন্তঃক্ৰিয়া আৰু কাৰ্যসূচীৰ যোগে শিকণ।

(xii) বৃত্তিৰ আৱৰ্তন (rotation), বৃত্তিৰ সমৃদ্ধিকৰণ আৰু সবলীকৰণৰ যোগে শিকণ।

## মানৱ সম্পদ বিকাশৰ কৌশলবোৰ (Strategies of Human Resource Development):

আমি ইতিমধ্যে জানিলো যে মানৱ সম্পদৰ বিকাশে দেশ এখনৰ সৰ্বাংগীন বিকাশ সাধন কৰে। মানৱ সম্পদৰ বিকাশ কেনেকৈ হয় সেই বিষয়ে জ্ঞাত হোৱাৰ বাবে আমি ইয়াৰ কৌশলবোৰৰ লগত জ্ঞাত হোৱা প্ৰয়োজন।

মানৱ সম্পদ বিকাশৰ কৌশলৰ ক্ষেত্ৰত মত প্ৰকাশ কৰি ভাৰতীয় অৰ্থনীতিবিদ ভি. কে. আৰ. ভি. ৰাও (V. K. R. V. Rao) এ পাঁচটা কৌশলৰ বিষয়ে কৈছিল। এই কৌশলকেইটা হ'ল —

১। কাৰিকৰী কৌশল আৰু পদ্ধতিৰ বিকাশ হ'ল প্ৰথম কৌশল। এই কৌশলৰ লগত জড়িত থকা ব্যৱস্থা হ'ল —

(i) কাৰ্যকৰী সাক্ষৰতা বৃদ্ধি।

(ii) বৃত্তিমূলক দক্ষতাৰ বিকাশ।

২। প্ৰযুক্তিবিজ্ঞানৰ উন্নত ভৱিষ্যতৰ প্ৰতি দৃষ্টি ৰখা, অভিৰোচন আৰু নিৰ্দেশনা প্ৰদান কৰা।

৩। তৃতীয় কৌশল হ'ল সংগঠন আৰু পৰিচালনা। এই কৌশলৰ লগত জড়িত ব্যৱস্থা হ'ল —

(i) কৰ্মশক্তিৰ বিকাশৰ বাবে প্ৰয়োজনীয় উপাদানবোৰ যোগান ধৰা।

(ii) উৎপাদনৰ বাবে প্ৰয়োজনীয় উপাদানবোৰৰ যোগান ধৰা।

(iii) বজাৰৰ সুবিধাৰ ব্যৱস্থা কৰা।

(iv) উন্নত উৎপাদনৰ বাবে সুপৰিকল্পনা কৰা।

৪। নিবনুৱাসকলৰ বাবে ঘৰ, যাতায়ত আৰু অন্যান্য সুবিধাবোৰৰ ব্যৱস্থা কৰা।

৫। মানৱ সম্পদৰ বিকাশৰ বাবে সুস্থ পৰিকল্পনা প্ৰস্তুত কৰা।

আকৌ ভাৰতৰ পিছপৰা অঞ্চলৰ লোকসকলক মানৱ সম্পদ স্বৰূপে বিকশাই তুলিবৰ বাবে ১৯৮৩ চনত ভাৰতীয় অৰ্থনীতিবিদ মেহতা (Mehta) ই কেইটামান কথা কৈছিল। যেনে —

(ক) দলীয় কৰ্ম সম্পাদনৰ কৌশল শিকোৱাত গুৰুত্ব দিয়া।

(খ) কৃষিকাৰ্যৰ বাবে কৌশল শিকোৱাত গুৰুত্ব দিয়া।

(গ) সহযোগিতামূলক কৰ্ম সম্পাদনৰ বাবে মনোভাৱ বিকশাই তোলা।

(ঘ) সমস্যা সমাধান আৰু আঁচনি প্ৰস্তুতকৰণৰ বাবে গুৰুত্বপূৰ্ণ সমস্যাবোৰৰ বোধ আৰু চিনাক্তকৰণত গুৰুত্ব প্ৰদান কৰা।

(ঙ) ব্যক্তিক নিজৰ অধিকাৰ আৰু দায়িত্ববোৰৰ বিষয়ে সজাগ কৰি তোলা।

(চ) বিভিন্ন জনগোষ্ঠীৰ সমস্যাবোৰৰ নিজৰ সমস্যা বুলি ভাবি সমাধানৰ বাবে জনসাধাৰণৰ মাজত মানসিকতা গঢ়ি তোলা।

ওপৰোক্ত কৌশলবোৰৰ বাহিৰেও মানৱ সম্পদ বিকাশৰ কেতবোৰ সাধাৰণ কৌশল তলত উল্লেখ কৰা হ'ল —

১। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশ সাধন কৰা।

২। পৰিবেশৰ লগত সমাযোজিত হ'বৰ বাবে শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন কৰা।

৩। অৰ্থনৈতিক বিকাশ সাধন কৰা।

৪। দক্ষতাপূৰ্ণ মানৱ সম্পদৰ বৃদ্ধি কৰা আৰু দৰিদ্ৰতা নিৰ্মূল কৰা।

৫। স্থানীয় সম্পদৰ প্ৰয়োগেৰে দ্ৰুত ঔদ্যোগীকৰণ কৰা।

৬। কৃষি ব্যৱস্থাৰ আধুনিকীকৰণ কৰা।

৭। কৰ্মৰত ব্যক্তিসকলক উন্নত প্ৰশিক্ষণ প্ৰদান কৰা।

৮। প্ৰাপ্তবয়স্ক শিক্ষা আৰু বৃত্তীয় প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

৯। উচ্চ শিক্ষা সকলোৰে বাবে সহজলভ্য কৰি তোলা।

১০। শিক্ষকসকলৰ যোগ্যতাৰ বিকাশ সাধন কৰা আৰু শিক্ষাৰ অপচয় হ্ৰাস কৰি তোলা।

**মানৱ সম্পদ বিকাশৰ কাৰকবোৰ (Factors of Human Resource Development) :**

বিংশ শতিকাৰ শেষ সময়ছোৱাৰ পৰা মানৱ সম্পদ বিকাশৰ ওপৰত অধিক মনোযোগ দি অহা হৈছে। মানৱ সম্পদ বিকাশৰ বিভিন্ন কাৰক থকা দেখা যায়। কেইটামান কাৰক তলত আলোচনা কৰা হ'ল —

**১। প্ৰাযুক্তিক দক্ষতা (Technical Skill) :** প্ৰাযুক্তিক দক্ষতাই মানৱ সম্পদ বিকাশৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হিচাপে এতিয়া স্বীকৃতি লাভ কৰিছে। প্ৰাযুক্তিক উপযুক্ততাৰ বাবে এই দক্ষতা অতি প্ৰয়োজনীয়। এই দক্ষতা লাভৰ বাবে এশ শতাংশ কাৰ্যকৰী সাক্ষৰতাৰ দৰকাৰ। সহজ সৰল ভাষাত সকলোৰে বোধগম্য হোৱাকৈ অধ্যয়নৰ সামগ্ৰীবোৰ প্ৰস্তুত কৰিব লাগে। কৰ্মীসকলৰ প্ৰাযুক্তিক দক্ষতাৰ বিকাশৰ বাবে বিভিন্ন ধৰণৰ সুবিধাৰ ব্যৱস্থা কৰিব লাগে।

**২। অভিৰোচন (Motivation) :** দল আৰু সংগঠনৰ বিষয়াসকলক দক্ষতাৰ ইতিবাচক ব্যৱহাৰৰ বাবে অভিৰোচিত কৰিব লাগে। ইয়াৰ কাৰণ হ'ল বিষয়াসকলে নিজৰ সক্ষমতা আৰু দক্ষতাৰ সৰ্বতোকৃষ্ট ব্যৱহাৰ কৰি অধিক উৎপাদন কৰিব পাৰে। অৰ্থাৎ অভিৰোচনে কৰ্মীসকলক অধিক কাম কৰিবৰ বাবে উৎসাহিত কৰে আৰু দক্ষতাৰ সৰ্বতোকৃষ্ট প্ৰয়োগ সম্ভৱ কৰি তোলে।

**৩। ব্যৱস্থাপনা (Management) :** ভাল ব্যৱস্থাপকে ভাল ব্যৱস্থাপনাৰ সহায়ত সু-সংগঠিতভাৱে কোনো সংগঠন বা দলৰ কাৰ্যদক্ষতা বৃদ্ধি কৰিব পাৰে। ই ব্যক্তিক শুদ্ধ পথেৰে কৰ্ম সম্পাদনৰ বাবে অভিৰোচিত কৰে। ভাল ব্যৱস্থাপনাৰ অধীনত দক্ষতাপূৰ্ণ আৰু কৰ্মক্ষম ব্যক্তিক নিয়োগ কৰা হয়। এগৰাকী ভাল নিয়োগকৰ্তাই বিষয়া আৰু কৰ্মচাৰীসকলৰ মাজত প্ৰত্যক্ষ সম্বন্ধ স্থাপন কৰে আৰু অভিৰোচিত কৰে। প্ৰত্যক্ষ যোগাযোগে তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ আৰু তাৰ কাৰ্যকৰীকৰণত সহায় কৰে।

**৪। মানৱ সম্পদৰ ব্যৱহাৰ (Utilisation of Human Resources) :** মানৱ সম্পদৰ অধিক ব্যৱহাৰে ব্যক্তি, সমাজ তথা দেশত অধিক প্ৰগতি আনে। নিবনুৱাই দেশৰ প্ৰগতিত বাধাৰ সৃষ্টি কৰে।

সেয়েহে শিক্ষিত আৰু প্ৰাযুক্তিক কৌশলপূৰ্ণ ,নিবনুৱাসকলক নিয়োগৰ সুবিধা প্ৰদান কৰিব লাগে। মানৱ সম্পদৰ সৰ্বতোকৃষ্ট ব্যৱহাৰৰ ক্ষেত্ৰত বেংক আৰু উদ্যোগবোৰে শক্তিশালী ভূমিকা পালন কৰিব লাগে।

৫। **পৰিকল্পনা (Planning) :** মানৱ সম্পদৰ অধিক ব্যৱহাৰৰ বাবে পৰিকল্পনা অপৰিহাৰ্য। মানৱ সম্পদৰ ব্যৱহাৰ পৰিকল্পিতভাৱে হ'ব লাগে। উপযুক্ত পৰিকল্পনাৰ সহায়ত মানৱ সম্পদক প্ৰাকৃতিক সম্পদৰ প্ৰয়োগ তথা উৎপাদন বৃদ্ধিৰ কামত প্ৰয়োগ কৰিব পৰা যায়।

৬। **নতুন সাংগঠনিক সংস্কৃতি (New Organisational Culture) :** মানৱ সম্পদৰ বিকাশক প্ৰভাৱিত কৰা এক গুৰুত্বপূৰ্ণ কাৰক হ'ল নতুন সাংগঠনিক সংস্কৃতি। গোলকীকৰণে সকলো ক্ষেত্ৰতে ব্যাপক পৰিৱৰ্তন সূচনা কৰিছে যাৰ ফলশ্ৰুতিত মানৱ সম্পদ ব্যৱস্থাটোত শক্তিশালী সংগঠকৰ প্ৰয়োজন। সাংগঠনিক গাঁথনিৰ ব্যাপক কাৰিকৰী, প্ৰাযুক্তিক আৰু সাংস্কৃতিক পৰিবৰ্তনৰ বাবে মানৱ সম্পদৰ বিকাশ অপৰিহাৰ্য।

৭। **অনুকূল পৰিৱেশ (Congenial Environment) :** মানৱ সম্পদ বিকাশক প্ৰভাৱিত কৰা আন এক কাৰক হ'ল অনুকূল পৰিৱেশ। মানৱ সম্পদৰ বিকাশে অনুকূল আৰু স্বাস্থ্যসন্মত কৰ্ম পৰিৱেশ সৃষ্টি কৰিব লাগে যাতে মানৱ সম্পদে প্ৰতিষ্ঠানৰ বিকাশ তথা নিজৰ সুবিধা অনুসৰি কৰ্ম সম্পাদন কৰিবলৈ অভিৰোচিত হয়। মানৱ সম্পদ বিকাশে উচিত আৰু অনুকূল পৰিৱেশ সৃষ্টি কৰি উৎকৃষ্ট প্ৰচেষ্টা, ব্যৱস্থাপকৰ লগত সহযোগিতা, আৰু কৰ্মস্পৃহাৰে যিকোনো প্ৰতিষ্ঠানৰ উন্নতি সাধড় কৰিব পাৰে।

৮। **ব্যক্তিত্বৰ বিকাশ (Development of personality) :** মানৱ সম্পদ বিকাশৰ সফলতাৰ আন এক কাৰক হ'ল প্ৰতিষ্ঠান এটাৰ লগত জড়িত সকলো ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ। সেয়েহে মানৱ সম্পদৰ বিকাশে প্ৰতিষ্ঠানৰ ব্যক্তিসকলৰ সম্ভাৱনীয়তাবোৰ চিনাক্তকৰণ কৰি ব্যক্তিত্বৰ লগতে সম্ভাৱনীয়তাবোৰ বিকশাই তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগে।

৯। **পৰামৰ্শদান (Counselling) :** প্ৰতিষ্ঠান এটাৰ প্ৰত্যেকগৰাকী কৰ্মচাৰীকে প্ৰতিষ্ঠানটোৰ কাৰ্য ব্যৱস্থা সম্বন্ধে পৰামৰ্শ প্ৰদান কৰিব লাগে। কৰ্মচাৰী গৰাকীৰ ব্যক্তিগত বিকাশ আৰু প্ৰতিষ্ঠানৰ উন্নতিৰ লগত পৰামৰ্শদান সেৱাক সম্বন্ধিত কৰিব লাগে। কেৱল কৰ্ম সম্বন্ধীয় বিষয়তে পৰামৰ্শ প্ৰদান কৰিব নালাগে। বৈবাহিক সমস্যা, সন্তানৰ লগত জড়িত সমস্যা, আৰ্থিক জটিলতা বা স্বাস্থ্য সম্বন্ধীয় বিষয়বোৰতো পৰামৰ্শ প্ৰদান কৰিব লাগে। কিয়নো ব্যক্তিগত জীৱনত সমস্যা থাকিলে কৰ্মচাৰীসকলে সফলভাৱে কৰ্ম সম্পাদন কৰিব নোৱাৰিব। গতিকে পৰামৰ্শদানকো মানৱ সম্পদ বিকাশক প্ৰভাৱিত কৰা এক কাৰকস্বৰূপে গণ্য কৰিব পাৰি।

**১০। মানৱ শক্তিৰ বিকাশ (Man power development) :** নতুন কাৰিকৰী আৰু প্ৰাযুক্তিক পৰিৱৰ্তনবোৰে কৰ্মৰ পৃথিৱীখনক অধিক গতিশীল আৰু জটিল কৰি তুলিছে যাৰ ফলশ্ৰুতিত বিভিন্ন কৰ্ম তদাৰক কৰিবৰ বাবে উচ্চ দক্ষতাসম্পন্ন মানৱ শক্তিৰ প্ৰয়োজন। ব্যক্তিৰ মাজত উচ্চ দক্ষতা বিকশাই তুলিবৰ বাবে মানৱ সম্পদ বিকাশ অপৰিহাৰ্য। মানৱ সম্পদ বিকাশে সেয়েহে মানৱ শক্তিৰ প্ৰশিক্ষণ আৰু বিকাশমূলক কাৰ্যসূচী গ্ৰহণ কৰিব লাগে।

**১১। নিয়োগ আৰু বাছনি (Recruitment and Selection) :** কোনো এক প্ৰতিষ্ঠানৰ বাবে মানৱ সম্পদ নিয়োগ আৰু বাছনিৰ ক্ষেত্ৰত মানৱ সম্পদ বিকাশ দায়বদ্ধ। সেয়েহে মানৱ সম্পদৰ বাছনি কৰোঁতে সাৱধান হোৱা উচিত আৰু বাছনি কৰাসকলক প্ৰয়োজন অনুসৰি উপযুক্ত প্ৰশিক্ষণ প্ৰদানৰো ব্যৱস্থা কৰা উচিত। গতিকে ক'ব পাৰি যে নিয়োগ আৰু বাছনি হ'ল মানৱ সম্পদ বিকাশৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰক।

**১২। কৰ্মক্ষমতা মূল্যায়ন (Performance appraisal) :** প্ৰতিষ্ঠান এটাৰ মানৱ সম্পদৰ কৰ্মক্ষমতাৰ পৰ্যায়ক্ৰমিক মূল্যায়ন কৰাটোও মানৱ সম্পদ বিকাশৰ দায়িত্ব। কৰ্মৰ গুণমান ৰক্ষা কৰা আৰু পূৰ্ব নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'বৰ বাবে মানৱ সম্পদক অবিৰতভাৱে পৰ্যবেক্ষণ কৰা প্ৰয়োজন। অবিৰত পৰ্যবেক্ষণ অবিহনে কৰ্ম আৰু মানৱ সম্পদৰ বিকাশ সম্ভৱ নহয়।

ওপৰত উল্লেখ কৰাবোৰৰ উপৰিও মানৱ সম্পদ তথ্য ব্যৱস্থা, ব্যৱস্থাপনাৰ বিকাশ, তদাৰকৰ বিকাশ, সংস্থাৰ বিকাশ, প্ৰযুক্তিগত বিকাশ, কৰ্মচাৰীৰ কল্যাণ ব্যৱস্থা আদি হ'ল মানৱ সম্পদ বিকাশৰ আন কেতবোৰ গুৰুত্বপূৰ্ণ কাৰক।

## মানৱ সম্পদ বিকাশত শিক্ষাৰ ভূমিকা (Role of Education in Human Resource Development)

এখন দেশৰ মানৱ সম্পদ দেশখনৰ অৰ্থনৈতিক উন্নতিৰ বাবে উপযুক্তভাৱে ব্যৱহাৰ হোৱাটো প্ৰয়োজনীয়। অব্যৱহৃত মানৱ সম্পদে অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত বাধা স্বৰূপেহে কাম কৰে। কাৰণ ই অব্যৱহৃত মানৱ সম্পদৰ বাবে দেশ এখনে যথেষ্ট ব্যয় কৰিবলগীয়া হয়। অধিক মানৱ সম্পদৰ উপস্থিতিয়ে দেশৰ উন্নতিৰ পথত হেঙাৰ স্বৰূপেহে দেখা দিয়ে। নিৰক্ষৰ আৰু অকুশলী মানৱ সম্পদে অৰ্থনৈতিক উন্নয়নত সহায় কৰিব নোৱাৰে। এইখিনিতে মানৱ সম্পদৰ উন্নতিৰ বাবে শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হয়। কেতিয়াবা দেখা যায় কোনো দেশ মানৱ সম্পদত যথেষ্ট চহকী হোৱা স্বত্বেও নতুনকৈ স্থাপন হোৱা প্ৰকল্পবোৰত কাম কৰিবলৈ বিদেশৰ পৰা কুশলী লোক আনিব লগা হয়। সেইবাবে এখন দেশৰ মানৱ সম্পদত সকলো দিশতে পাৰ্গত লোক থকাটো নিৰ্ভৰশীল। শিক্ষাই মানুহক মানৱ শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰে। মানৱ সম্পদৰ বিকাশৰ এক গুৰুত্বপূৰ্ণ আৰু শক্তিশালী আহিলা হ'ল শিক্ষা।

উপযুক্ত শিক্ষা প্ৰক্ৰিয়াৰ যোগেৰে মানুহৰ বৌদ্ধিক দিশৰ বিকাশ শুদ্ধভাৱে কৰিব পৰা যায়। শিক্ষাই ব্যক্তিক নতুন বস্তুৰ লগত চিনাকি কৰাই দিয়ে আৰু জীৱনৰ প্ৰকৃত মূল্যবোধ গ্ৰহণ কৰাত সহায় কৰে। শিক্ষাই মানৱ মনৰ অন্তৰ্নিহিত দিশৰ বিকাশ সাধন আৰু মানুহৰ দৃষ্টিভংগী বিকশাই তোলাৰ এক মহান আৰু প্ৰত্যাহ্বানমূলক কাৰ্য সম্পাদন কৰে।

যোগাযোগ প্ৰযুক্তিবিদ্যা, জ্ঞানৰ বিস্ফোৰণ, নতুন সৃষ্টি আৰু আৱিষ্কাৰ, কৰ্ম আৰু শিক্ষণৰ নতুন আহিঁ আদিৰ মূলতে হ'ল শিক্ষা। মানৱ সম্পদ বিকাশৰ বাবে এই সকলোবোৰ অতি প্ৰয়োজনীয়। শিক্ষাৰ উপস্থিতি অবিহনে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এই বিৱৰ্তন সম্ভৱ নহয়।

জাতীয় বিকাশৰ এক গুৰুত্বপূৰ্ণ আহিলা হ'ল শিক্ষা আৰু মানৱ সম্পদৰ বিকাশ সাধন হ'ল ইয়াৰ এক বিশেষ কাৰ্য। আমাৰ সাংস্কৃতিক ঐতিহ্যবোৰ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ হস্তান্তৰিত কৰাৰ এক শক্তিশালী মাধ্যম হ'ল শিক্ষা। অৰ্থাৎ ই আমাৰ সাংস্কৃতিক মূল্যবোধ সংৰক্ষণ কৰে যি মানৱ সম্পদৰ বিকাশ সাধনৰ বাবে অতি প্ৰয়োজনীয়। ব্যক্তি সামৰ্থ বিকাশৰ এক উপায় হ'ল শিক্ষা। শিক্ষা অবিহনে মানৱ ব্যক্তিত্বৰ বিকাশ সম্ভৱ নহয়।

শিক্ষাই মানুহৰ সংবেদন আৰু সংবোধন পৰিশুদ্ধ কৰে যিয়ে সামাজিক বান্ধোন, বৈজ্ঞানিক গুণ, মন আৰু আত্মাৰ স্বাধীনতাত বৰঙণি যোগায়। দৰাচলতে ই আমাৰ দেশৰ সামাজিকতাবাদ, ধৰ্মনিৰপেক্ষতাবাদ আৰু গণতন্ত্ৰৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

শিক্ষাই মানুহক মানৱ শক্তিলৈ ৰূপান্তৰিত কৰে আৰু কৃষি, উদ্যোগ আৰু অৰ্থনীতিৰ অন্যান্য দিশৰ বাবে প্ৰশিক্ষিত আৰু কৌশলী ব্যক্তিৰ উৎপাদন কৰে। ই দৰাচলতে জাতীয় আত্ম-নিৰ্ভৰযোগ্যতাক প্ৰতিনিধিত্ব কৰে। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মতে শিক্ষা হৈছে বৰ্তমান আৰু ভৱিষ্যতৰ বাবে এক অদ্বিতীয় বিনিয়োগ।

শিক্ষাই চাকৰি বা নিয়োগৰ নিশ্চয়তা প্ৰদান কৰে আৰু ই জীৱনৰ মানদণ্ডৰ উন্নতি সাধনৰ বাবে উপায় প্ৰদান কৰে যিয়ে অৰ্থনৈতিক বিকাশত সহায় কৰে। থিয়ডৰ স্কাল্টজ (Theodore Schultz) আৰু আলফ্ৰেড মাৰ্শ্বেলে (Alfred Marshall) শিক্ষা আৰু অৰ্থনৈতিক বিকাশৰ ওচৰ সম্বন্ধৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। উন্নত দেশবোৰে শৈক্ষিক বিকাশৰ বাবে যথেষ্ট বিনিয়োগ কৰিছিল যিয়ে মানৱ সম্পদবো বিকাশ সাধন কৰিছিল। অৰ্থাৎ শিক্ষা আৰু মানৱ সম্পদৰ বিকাশ তথা মানৱ সম্পদৰ বিকাশ আৰু অৰ্থনৈতিক বিকাশৰ মাজত এক প্ৰত্যক্ষ ওচৰ সম্বন্ধ আছে। মানৱ সম্পাদক মানৱ মূলধন স্বৰূপে গণ্য কৰা হয় আৰু মানৱ মূলধন হ'ল এক প্ৰকাৰৰ বিনিয়োগ। শিক্ষাৰ যোগেৰে মানৱ মূলধনৰ পৰা দেশৰ অৰ্থনৈতিক উৎপাদনশীলতা বৃদ্ধি কৰিব পাৰি।

এখন দেশৰ বিকাশ মানৱ সম্পদৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয় আৰু মানৱ সম্পদৰ বিকাশ নিৰ্ধাৰণ কৰা হয় দেশ এখনৰ সাক্ষৰতাৰ হাৰ আৰু শিক্ষাৰ গুণমানৰ যোগেদি। শিক্ষাই মানুহক মানৱ শক্তিলৈ ৰূপান্তৰিত কৰে। মানৱ সম্পদৰ বিকাশত শিক্ষাৰ ভূমিকাৰ কেতবোৰ দিশ তলত আলোচনা কৰা হ'ল—

**১। শিক্ষাৰ বাবে এক প্ৰত্যাহ্বানমূলক কাম (A challenging task before education):** মানুহৰ বুদ্ধি শিক্ষাৰ সঠিক প্ৰক্ৰিয়াৰে সঠিক পদ্ধতিৰে পুষ্ট আৰু পালন কৰা হয়। শিক্ষাই মানুহক নতুন বস্তুৰ লগত পৰিচয় কৰাই জীৱনৰ প্ৰকৃত মূল্যবোধ আৰু সক্ষমতা বিকশাই তোলে। মানৱ মনৰ আভ্যন্তৰীণ গাঁথনি আৰু মানৱ সংবেদনশীলতাৰ পৰিসৰ বৃদ্ধি কৰি শিক্ষাই এক মহান আৰু প্ৰত্যাহ্বানমূলক কাৰ্য সম্পাদন কৰাৰ প্ৰয়াস কৰে।

**২। প্ৰাযুক্তিক বিপ্লৱ (Revolution in Technology) :** যোগাযোগ প্ৰযুক্তিবিদ্যা, জ্ঞানৰ বিস্ফোৰণ, নতুন সৃষ্টি আৰু আবিষ্কাৰ তথা কৰ্ম আৰু শিকণৰ পৰিৱৰ্তনীয় গাঁথনিৰ বিপ্লৱৰ কাৰণ হ'ল শিক্ষা। মানৱ সম্পদ বিকাশৰ বাবে ই অপৰিহাৰ্য। আনহাতে, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এই বিপ্লৱ শিক্ষা অবিহনে সম্ভৱ নহয়।

**৩। শিক্ষা হ'ল এক সম্ভাৱনাপূৰ্ণ কাৰ্য (Education is a potential instrument) :** জাতীয় বিকাশৰ বাবে শিক্ষা হ'ল এক সম্ভাৱনাপূৰ্ণ কাৰ্য আৰু ইয়াৰ এক কাৰ্য হ'ল মানৱ সম্পদৰ বিকাশ সাধন কৰা। ই হ'ল এক শক্তিশালী মাধ্যম যাৰ যোগেদি আমাৰ সাংস্কৃতিক ঐতিহ্যবোৰ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সঞ্চাৰিত কৰিব পাৰি। শিক্ষাই আমাৰ সাংস্কৃতিক মূল্যবোধ সংৰক্ষণ কৰে যি মানৱ সম্পদ বিকাশৰ বাবে অপৰিহাৰ্য। ব্যক্তিৰ শ্ৰেষ্ঠতাৰ প্ৰসাৰৰ ই হ'ল এক উপায়। অধ্যাপক টি.পি. নান (Prof. T. P. Nunn) ৰ মতে, এই গুৰুত্বৰ বাবেই শিক্ষাক এক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছে। (It is due to such immense importance that education has been enuniated as one of the fundamental rights)। শিক্ষাই মানুহক সম্পূৰ্ণ বিকাশৰ দিশে পৰিচালিত কৰে।

**৪। শিক্ষাই সংবেদনশীলতাৰ পৰিশোধ কৰে (Education refines sensitivities) :** শিক্ষাই মানুহৰ সংবেদনশীলতা আৰু জ্ঞানৰ পৰিশোধন কৰে যিয়ে জাতীয় সংহতি, বৈজ্ঞানিক মেজাজ আৰু মন তথা চেতনাৰ স্বাধীনতাত বৰঙণি আগবঢ়ায়। চূড়ান্তভাৱে শিক্ষাই আমাৰ দেশৰ ধৰ্মনিৰপেক্ষতা, সমাজবাদ আৰু গণতন্ত্ৰৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

**৫। শিক্ষাই মানৱ শক্তিৰ বিকাশ সাধন কৰে (Education develops manpower) :** শিক্ষাই মানুহক মানৱ শক্তিলৈ ৰূপান্তৰিত কৰে আৰু ই কৃষি, উদ্যোগ আৰু বাণিজ্যৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষিত আৰু দক্ষ কৰ্মীৰ উৎপাদন কৰে। মুখ্যত ই আত্মনিৰ্ভৰশীলতাৰ নিশ্চয়তা প্ৰদান কৰে। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি বৰ্তমান আৰু ভৱিষ্যতৰ বাবে শিক্ষা হ'ল এক অনন্য বিনিয়োগ।

**৬। অৰ্থনৈতিক বিকাশৰ এক উপায় হ'ল শিক্ষা (Education as a means of economic development) :** শিক্ষাই চাকৰি আৰু আত্ম-সংস্থাপনৰ নিশ্চয়তা প্ৰদান কৰে আৰু জীৱনৰ গুণমানৰ উন্নতি সাধনৰ উপায় প্ৰদান কৰি অৰ্থনৈতিক বিকাশ সাধন কৰি তোলে। থিওডোৰ স্কাল্টজ (Theodore Schultz) আৰু আলফ্ৰেড মাৰ্শ্বালে (Alfred Marshall) অৰ্থনৈতিক বিকাশ আৰু শিক্ষাৰ মাজত থকা সম্বন্ধৰ ৰূপৰেখা প্ৰস্তুত কৰিছিল। উন্নত দেশসমূহে শৈক্ষিক বিকাশৰ বাবে অধিক খৰচ কৰে যি মানৱ সম্পদৰ বিকাশৰ দিশে পৰিচালিত হয়। গতিকে ক'ব পাৰি যে শিক্ষা আৰু অৰ্থনৈতিক বিকাশৰ মাজত এক প্ৰত্যক্ষ সম্বন্ধ আছে আৰু মানৱ সম্পদৰ বিকাশ আৰু অৰ্থনৈতিক বিকাশৰ মাজতো এক প্ৰত্যক্ষ সম্বন্ধ আছে।

**৭। বিনিয়োগ স্বৰূপে শিক্ষা (Education as investment) :** মানৱ সম্পদক মানৱ মূলধন হিচাপে বিবেচনা কৰা হয়। গতিকে মানৱ মূলধনৰ ক্ষেত্ৰত হোৱা খৰছক বিনিয়োগ হিচাপে বিবেচনা কৰা হয়। গ্ৰীক দাৰ্শনিক প্লেটোৱে শুদ্ধভাৱেই মত পোষণ কৰিছিল যে 'সম্পদৰ এক উল্লেখযোগ্য অংশ শিক্ষাত বিনিয়োগ কৰা হয় বাবে শিক্ষাৰ অৰ্থনৈতিক মূল্য আছে' (Education has an economic value as a considerable part of the wealth must be invested in education)। গতিকে অৰ্থনৈতিক দৃষ্টিকোণেৰে ব্যক্তিৰ উৎপাদনশীলতা সক্ষমতাৰ লগত জড়িত অৰ্জিত জ্ঞান আৰু দক্ষতাক মূলধন হিচাপে বিবেচনা কৰা হয়।

১৯৬৪-৬৬ চনৰ শিক্ষা আয়োগৰ মতে মানৱ সম্পদৰ বিকাশত শিক্ষাৰ ভূমিকা অপৰিসীম। আয়োগৰ মতে, 'জাতীয় পুনৰ্গঠনৰ এক প্ৰধান কাৰ্য হ'ল আমাৰ মানৱ সম্পদৰ বিকাশ সাধন কৰা আৰু এই ক্ষেত্ৰত প্ৰদান কৰা শিক্ষাৰ কোনো শেষ থাকিব নালাগে।' (One of the major programmes in national reconstruction is the development of our human resources and in this there can be no limit to the education to be provided)। ইয়াৰ অৰ্থ হ'ল সকলো শৈক্ষিক প্ৰচেষ্টা মানৱ সম্পদ বিকাশৰ দিশে পৰিচালিত হ'ব লাগে। শিক্ষা আয়োগৰ মতে মানৱ সম্পদৰ বিকাশত শিক্ষাৰ প্ৰধান কাৰ্যবোৰ হ'ল তলত দিয়া ধৰণৰ—

**১। সজাগতাৰ বিকাশ সাধন (Development of awarness) :** শিক্ষাৰ এক মৌলিক কাৰ্য হ'ল সজাগতাৰ বিকাশ সাধন কৰা। সকলো ব্যক্তিয়ে ব্যক্তিগত, সামাজিক আৰু জাতীয় আগ্ৰহৰ

প্ৰতি সজাগ হৈ থকাটো প্ৰয়োজনীয়। শিক্ষাই ব্যক্তিক উপলব্ধি কৰায় যে তেওঁলোক দেশৰ বিকাশৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। সেয়ে ব্যক্তিৰ নিজৰ অধিকাৰ আৰু কৰ্তব্য সম্বন্ধে সঠিক জ্ঞান থাকিব লাগে। শিক্ষাই ব্যক্তিৰ মাজত ইতিবাচক মনোভাৱৰ বিকাশ সাধন কৰে যাতে তেওঁলোকে নিজৰ দায়িত্ব ভালদৰে সম্পাদন কৰিব পাৰে।

২। **আচৰণত পৰিবৰ্তন (Change in Behaviour) :** এখন সমাজ আৰু দেশৰ বিকাশত ব্যক্তিৰ আচৰণে প্ৰভাৱ বিস্তাৰ কৰে। আকাংক্ষিত আচৰণ লাভৰ বাবে অভিৰোচিত কৰি শিক্ষাই মানৱীয় গুণসমূহৰ বৰ্ধন কৰে। ই ব্যক্তিৰ সামাজিক গুণসমূহৰ বিকাশ সাধন কৰে যাতে দেশৰ প্ৰগতিৰ বাবে সামাজিক গুণসম্পন্ন মানৱ সম্পদ সৃষ্টি কৰিব পাৰি।

৩। **সামাজিকৰণ (Socialisation) :** আধুনিক শিক্ষাৰ এক কাৰ্য হ'ল শিশুৰ সামাজিক গুণসমূহৰ বিকাশ সাধন কৰা। ব্যক্তি আৰু শিশুৱে সামাজিক কাৰ্যত প্ৰধান ভূমিকা পালন কৰা কাৰ্যই সামাজিকৰণক সূচায়। সামাজিকৰণৰ ফলত ব্যক্তিয়ে সমাজৰ আন ব্যক্তিৰ লগত ভাৱৰ আদান-প্ৰদান কৰিব পাৰে। প্ৰত্যেক শিশুৱে সামাজিক গুণসম্পন্ন। বিদ্যালয় হ'ল এক গুৰুত্বপূৰ্ণ স্থান য'ত শিশুৰ সামাজিকৰণ সম্ভৱ হৈ উঠে।

৪। **জ্ঞান প্ৰদান (Imparts Knowledge) :** শিক্ষাই আমাক জ্ঞান প্ৰদান কৰে। জ্ঞানে ব্যক্তিৰ ইচ্ছাশক্তি বৃদ্ধি কৰে আৰু ব্যক্তিক মানসিকভাৱে সচেতন আৰু জাগ্ৰত কৰি তোলে। জ্ঞান হ'ল ব্যক্তিৰ তৃতীয় চক্ষু যাৰ সহায়ত ব্যক্তিয়ে যৌক্তিকভাৱে আৰু অভিজ্ঞতাৰে কাৰ্য সম্পাদন কৰিব পাৰে। সকলো ধৰণৰ কাৰ্য, বৃত্তি আৰু নিয়োগ ভালদৰে সম্পাদন কৰিবৰ বাবে জ্ঞান আহৰণ কৰাটো অতি প্ৰয়োজনীয়। এই উদ্দেশ্যৰ বাবে শিক্ষাই ব্যক্তিক প্ৰায়োগিক কৰি গঢ়ি তুলিব লাগে যাতে ইয়াৰ দ্বাৰা ব্যক্তিয়ে অৰ্থনৈতিকভাৱে নিজৰ জীৱন সমৃদ্ধিশালী কৰি তুলিব পাৰে আৰু সমাজৰ এগৰাকী দায়িত্বশীল সদস্যৰূপে নিজক প্ৰতিষ্ঠিত কৰিব পাৰে।

৫। **মৌলিক দক্ষতা আৰু প্ৰশিক্ষণ (Basic skills and training) :** ভাষাৰ ক্ষেত্ৰত আমাৰ সকলোৰে জ্ঞান, দক্ষতা আৰু প্ৰশিক্ষণ থকা উচিত। একেদৰে বৃত্তিৰ ক্ষেত্ৰতো সকলোৰে জ্ঞান, দক্ষতা আৰু প্ৰশিক্ষণ থকা উচিত যাৰ সহায়ত ব্যক্তিয়ে নিজৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নতি সাধন আৰু সুখী জীৱন-যাপনৰ বাবে আত্ম-সংস্থাপন লাভ কৰিব পাৰে। শিক্ষাই বিভিন্ন দক্ষতাৰ জ্ঞান আৰু প্ৰশিক্ষণ প্ৰদানৰ যোগে মানৱক সম্পদলৈ ৰূপান্তৰিত কৰিব পাৰে। এইদৰেও শিক্ষা আৰু মানৱ সম্পদৰ বিকাশৰ মাজত এক সম্বন্ধ স্থাপন কৰিব পাৰি।

৬। **শিক্ষিত মানৱ শক্তি (Educated manpower) :** দক্ষ ব্যক্তি, অধ্যাপক, চিকিৎসক, বৈজ্ঞানিক, প্ৰযুক্তিবিদ্যা, অভিযন্তা, উদ্যোগপতি আৰু কৃষক আদিৰ দৰে উচ্চ শিক্ষিত নাগৰিক শিক্ষাই

উৎপাদন কৰিব পাৰে। এওঁলোক হ'ল এখন দেশৰ বাবে যোগ্য আৰু শক্তিশালী মানৱ সম্পদ। শিক্ষাই মানুহক মানৱ শক্তিলৈ ৰূপান্তৰিত কৰে আৰু বৃত্তি তথা বৃত্তীয় বিকাশত সহায় কৰে। ব্যক্তিয়ে আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ মাধ্যমেৰে ডিগ্ৰী, ডিপ্ল'মা আৰু চাৰ্টিফিকেট লাভ কৰিব পাৰে। উচ্চ শিক্ষিত ব্যক্তিসকল হ'ল শক্তিশালী মানৱ সম্পদ যাৰ দ্বাৰা সমাজত পৰিবৰ্তন আৰু বিকাশ সম্ভৱ হৈ উঠে।

**৭। গৱেষণা আৰু বিকাশ (Research and Development) :** শিক্ষা হ'ল এক গতিশীল আৰু সামাজিক প্ৰক্ৰিয়া যি অবিৰতভাৱে চলি থাকে। ই এক অন্তহীন প্ৰক্ৰিয়া য'ত শিক্ষাই অধিক অভিজ্ঞতা আৰু জ্ঞান প্ৰদান কৰে। গৱেষণা আৰু বিকাশ হ'ল শিক্ষাৰ গুৰুত্বপূৰ্ণ দিশ যাৰ যোগেদি মানৱ সম্পদৰ বিকাশ সম্ভৱ হয়। শিক্ষাই ব্যক্তিগত আৱিষ্কাৰ উৎপাদন কৰে যিয়ে ব্যক্তি, সমাজ আৰু দেশৰ বিকাশত সহায় কৰে। গৱেষণা আৰু বিকাশৰ গুণাগুণে মানৱ সম্পদৰ বিকাশ নিৰ্ধাৰণ কৰে।

গতিকে ক'ব পাৰি যে মানৱ সম্পদৰ বিকাশত শিক্ষাৰ ভূমিকা অপৰিসীম।

## মানৱ সম্পদ বিকাশৰ সংগঠনবোৰ (ORganisations of Human Resource Development) :

আমাৰ দেশত মানৱ সম্পদৰ বিকাশৰ বাবে বিভিন্ন প্ৰকৃতিৰ চৰকাৰী সংগঠন আছে যিবোৰে দেশৰ বিকাশত বিশেষ অৱিহণা যোগাই আহিছে। দেশৰ সকলো প্ৰকাৰৰ মানৱ সম্পদৰ বিকাশৰ বাবে থকা কেতবোৰ প্ৰধান সংগঠনৰ বৰ্ণনা তলত আগবঢ়োৱা হ'ল।

**(I) মানৱ সম্পদ বিকাশ মন্ত্ৰণালয় বা শিক্ষা মন্ত্ৰণালয় [Ministry of Human Resource Development (MHRD) or Ministry of Education (MOE)] :**

মানৱ সম্পদ বিকাশ মন্ত্ৰণালয় বা শিক্ষা মন্ত্ৰণালয়ে ভাৰতবৰ্ষত মানৱ সম্পদৰ বিকাশত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ৰ উৎপত্তি ১৯৪৫ চনৰ লগত সম্বন্ধিত যেতিয়া ভাৰত চৰকাৰে শিক্ষা বিভাগক এক পৃথক বিভাগ হিচাপে গঠন কৰিছিল। স্বাধীনতাৰ পিছত ১৯৫৭ চনত ইয়াক এক পূৰ্ণাংগ বিভাগ হিচাপে গঢ়ি তোলা হয় আৰু এই বিভাগক বৈজ্ঞানিক গৱেষণাৰ দায়িত্ব পালন কৰা হয়। এই মন্ত্ৰণালয়ক দুটা স্বাধীন বিভাগত বিভক্ত কৰা হৈছিল। সেয়া হ'ল শিক্ষা মন্ত্ৰণালয় (Ministry of Education) আৰু বৈজ্ঞানিক গৱেষণা আৰু সংস্কৃতি বিষয়ক মন্ত্ৰণালয় (Ministry of Scientific Research and Cultural Affairs)। এই বিভাগ দুটা দুজন পৃথক মন্ত্ৰীৰ অধীনত আছিল। ১৯৬৩ চনত এই বিভাগ দুটাক একলগ কৰা হৈছিল।

আধুনিক সমাজত উপলব্ধি কৰা হৈছিল যে অৰ্থনৈতিক বিকাশ যেনেকৈ ভৌতিক সম্পদৰ বিকাশৰ

লগত সম্বন্ধিত ঠিক একেদৰে শিক্ষা মানৱ সম্পদৰ বিকাশৰ লগত সম্বন্ধিত। সেয়েহে শিক্ষা মন্ত্ৰণালয়ক ভাৰত চৰকাৰৰ ১৭৪ তম সংশোধনীৰ জৰিয়তে ১৯৮৫ চনৰ ২৬ চেপ্তেম্বৰ তাৰিখে মানৱ সম্পদ বিকাশ মন্ত্ৰণালয় নামেৰে নামাকৰণ কৰা হয়। বৰ্তমান এই মন্ত্ৰণালয়ক আকৌ শিক্ষা মন্ত্ৰণালয় নামেৰে নামাকৰণ কৰা হৈছে। এই মন্ত্ৰণালয়ে বৰ্তমান দুটা বিভাগৰ যোগে কৰ্ম সম্পাদন কৰে। বিভাগ দুটা হ'ল —

(i) বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগ (Department of School Education and Literacy)

(ii) উচ্চ শিক্ষা বিভাগ (Department of Higher Education)

**উদ্দেশ্য (Objectives) :**

এই মন্ত্ৰণালয়ৰ প্ৰধান উদ্দেশ্যবোৰ হ'ল —

(i) শিক্ষা সংক্ৰান্তীয় ৰাষ্ট্ৰীয় নীতি প্ৰণয়ন কৰা আৰু তাৰ বাস্তৱায়ন নিশ্চিত কৰা।

(ii) সমগ্ৰ দেশতে আৰু বিশেষকৈ শিক্ষাৰ সুযোগ সহজে লাভ কৰিব নোৱাৰা অঞ্চলবোৰত পৰিকল্পিত বিকাশ, সুগমতাৰ সম্প্ৰসাৰণ আৰু শিক্ষানুষ্ঠানৰ গুণগত মানদণ্ডৰ উন্নতি সাধন কৰা।

(iii) দৰিদ্ৰ, মহিলা আৰু সংখ্যালঘুসকলৰ দৰে সুবিধা বঞ্চিত দলসমূহৰ প্ৰতি বিশেষ মনোযোগ প্ৰদান কৰা।

(iv) সমাজৰ সুবিধা বঞ্চিত অংশৰ যোগ্য ছাত্ৰ-ছাত্ৰীসকলক বৃত্তি, ৰাজসাহায্য প্ৰাপ্ত ঋণ আদিৰ আৰ্থিক সহায় প্ৰদান কৰা।

(v) দেশত শিক্ষাৰ সুযোগ বৃদ্ধি কৰিবৰ বাবে শিক্ষা ক্ষেত্ৰত ইউনেস্কো আৰু বিদেশী চৰকাৰ তথা বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় সহযোগিতা বৃদ্ধি কৰি তোলা।

**সাংগঠনিক গঠন (Organisational Structure) :**

**১। মন্ত্ৰণালয় (Ministry) :** মানৱ সম্পদ বিকাশ মন্ত্ৰনালয়ৰ শিক্ষা বিভাগটো শিক্ষাৰ লগত জড়িত সকলো দিশ সামৰি বিশেষকৈ বিভিন্ন কাৰ্যসূচীৰ পৰিকল্পনা আৰু সেইবোৰৰ প্ৰকৃত ৰূপায়নৰ বাবে দায়িত্বশীল। মানৱ সম্পদ বিকাশ মন্ত্ৰনালয়টি কেন্দ্ৰীয় চৰকাৰৰ এজন কেবিনেট পৰ্যায়ৰ মন্ত্ৰীৰ দ্বাৰা পৰিচালিত হয়।

**২। বিভাগ (Departments) :** মানৱ সম্পদ বিকাশ মন্ত্ৰনালয়ৰ অধীনত থকা শিক্ষা বিভাগটো এজন ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰীৰ অধীনত থাকে যিয়ে শৈক্ষিক আৰু শিক্ষানীতি সম্পৰ্কীয় দিশসমূহ সামৰি লয়।

**৩। দপ্তৰসমূহ (Bureaus) :** শিক্ষা বিভাগটো কেইবাটাও দপ্তৰ লগলাগি গঠিত হৈছে। প্ৰতিটো দপ্তৰ এজন যুটীয়া সচিব বা এজন যুটীয়া শিক্ষা উপদেষ্টাৰ অধীনত থাকে। প্ৰতিটো দপ্তৰৰ প্ৰধান

বা মুৰব্বীসকলক সঞ্চালক অথবা অধিকৰ্তা (Director) নতুবা প্ৰতি সচিব (Deputy Secretary) বুলি কোৱা হয়। তেওঁলোকক সহায় আগবঢ়োৱাৰ বাবে অধীনস্থ সচিব (Under Secretary) অথবা প্ৰতি শিক্ষা উপদেষ্টা (Deputy Educational Advisor) থাকে। এওঁলোকক সংমণ্ডলৰ মুৰব্বী হিচাপে আখ্যা দিয়া হয়। শিক্ষা প্ৰশাসনৰ লগত বিশেষভাৱে জড়িত সংসমণ্ডলৰ মুৰব্বী প্ৰতি সচিব বা প্ৰতি শিক্ষা উপদেষ্টাসকলক সহায় আগবঢ়োৱাৰ বাবে অধীনস্থ সচিব (Under Secretary) অথবা সহকাৰী শিক্ষা উপদেষ্টাসকলে (Assistant Educational Advisors) দায়িত্ব পালন কৰে।

দপ্তৰসমূহৰ মাজত কামৰ বিভাজন তলত দিয়া ধৰণে হয়—

১। প্ৰাথমিক শিক্ষা দপ্তৰ
২। মাধ্যমিক শিক্ষা দপ্তৰ
৩। বিশ্ববিদ্যালয় আৰু উচ্চ শিক্ষা দপ্তৰ
৪। বয়স্ক শিক্ষা দপ্তৰ
৫। পুথি বিকাশ, ছাত্ৰবৃত্তি আৰু কেন্দ্ৰীয় শাসিত দপ্তৰ
৬। ভাষা দপ্তৰ
৭। প্ৰশাসন পৰিকল্পনা আৰু 'ইউনেস্ক' দপ্তৰ
৮। কাৰিকৰী শিক্ষা দপ্তৰ
৯। সমন্বিত বিত্ত আৰু হিচাপ দপ্তৰ।

**৪। বিশেষ অনুষ্ঠানসমূহ (Specilised Institutions) :** শিক্ষাৰ ক্ষেত্ৰত থকা নীতি আৰু কাৰ্যসূচী পৰিকল্পনা আৰু ৰূপায়নৰ ক্ষেত্ৰত চৰকাৰক সহায় কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পৰ্যায়ত কেইবাখনো বিশেষ অনুষ্ঠান আৰু সংগঠন স্থাপন কৰিছে।

**৫। কোষ (Forums) :** ইয়াৰ বাহিৰেও ৰাষ্ট্ৰত শিক্ষা বিকাশৰ প্ৰক্ৰিয়া খৰটকীয়া কৰিবলৈ আৰু কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত শিক্ষাৰ লগত জড়িত কাৰ্যসূচীসমূহৰ সফল ৰূপায়ন আৰু সংযোগ বঢ়াবলৈ কেইবাখনো কোষ গঠিত হৈছে। এইবোৰৰ ভিতৰত— শিক্ষাৰ কেন্দ্ৰীয় উপদেষ্টা বোৰ্ড (Central Advisory Board of Education চমুকৈ CABE), ৰাজ্যিক শিক্ষা মন্ত্ৰীৰ সভা (State Education Ministers Conference) ইত্যাদি উল্লেখযোগ্য।

## ভূমিকা (Role) :

ওপৰোক্ত সংগঠনবোৰৰ দ্বাৰা মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ে দেশৰ শিক্ষাৰ লগত জড়িত পৰিকল্পনা আৰু ইয়াৰ ৰূপায়ন কৰে। মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ৰ কাৰ্যসূচী বিশেষকৈ ভাৰতৰ সংবিধানৰ দ্বাৰা নিৰূপিত হয় আৰু শিক্ষা বৰ্তমান যিহেতু উমৈহতীয়া সূচীৰ অৰ্ন্তগত তেনেক্ষেত্ৰত মানৱ সম্পদ বিকাশ মন্ত্ৰনালয়ৰ ভূমিকা বুলিলে তলত উল্লেখ কৰা কাৰ্যাৱলীকে বুজোঁ—

(১) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সম্পূৰ্ণকৈ নাইবা অংশকালীনভাৱে বিত্তৰ যোগান ধৰা সংসদৰ আইনৰ দ্বাৰা স্বীকৃত কেন্দ্ৰীয় বিশ্ববিদ্যালয় নাইবা আন আন অনুষ্ঠানসমূহৰ প্ৰশাসনীয় আৰু পৰিচালনাৰ দিশসমূহ চোৱাচিতা কৰা। (দফা ৬৩, আৰু ৬৪, তালিকা ১)

(২) ব্যৱহাৰিক আৰু কাৰিকৰী প্ৰশিক্ষণ তথা বিশেষ শিক্ষা আৰু গৱেষণাৰ বাবে প্ৰতিষ্ঠিত কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠানসমূহ চোৱাচিতা কৰা (দফা ৬৫, তালিক ১)

(৩) উচ্চ শিক্ষা অথবা গৱেষণা আৰু বৈজ্ঞানিক আৰু কাৰিকৰী অনুষ্ঠানসমূহৰ মাজত সমন্বয় আৰু মানদণ্ড নিৰূপন কৰা (দফা ৬৬, তালিকা ১)

(৪) হিন্দী ভাষাৰ বিকাশ আৰু প্ৰসাৰৰ বাবে কাম কৰা।

(৫) সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ ৪৫ নং অনুচ্ছেদ মতে ১৪ বছৰ বয়সলৈকে সকলো শিশুৰে বাধ্যতামূলক মুক্ত শিক্ষাৰ ব্যৱস্থা কৰা।

৬। বিশেষ যত্ন সহকাৰে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোক, বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচীত জনজাতিৰ শিক্ষা আৰু অৰ্থনৈতিক বিকাশৰ বাবে ব্যৱস্থা লোৱা।

ভাৰতীয় সংবিধানমতে অৰ্থনৈতিক আৰু সামজিক পৰিকল্পনাৰ বিষয় বস্তুটোও উমৈহতীয়া সূচীৰ অৰ্ন্তগত।

ইয়াৰ বাহিৰেও মানৱ সম্পদ বিকাশ মন্ত্ৰণালয় আন কিছুমান কাৰ্যসূচী ৰূপায়নৰ লগত জড়িত যেনে—

১। বহিঃ ছাত্ৰবৃত্তি সমূহ অৰ্থাৎ বেলেগ দেশে ভাৰতীয় ছাত্ৰৰ বিদেশত গৱেষণা আৰু শিক্ষা লাভৰ বাবে দিয়া ছাত্ৰবৃত্তি তথা বিদেশী ছাত্ৰৰ ভাৰতত শিক্ষালাভ আৰু গৱেষণাৰ বাবে দিয়া ছাত্ৰবৃত্তিৰ পৰিচালনা কৰা।

২। কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় গৱেষক সকলৰ বাবে ভাৰতত নাইবা বিদেশত গৱেষণাৰ বাবে আগবঢ়োৱা ৰাষ্ট্ৰীয় ছাত্ৰবৃত্তিসমূহ পৰিচালনা কৰা।

৩। যুৱ সেৱা আৰু খেল ধেমালিৰ বিকাশ ঘটোৱা

৪। কেন্দ্ৰীয় শিক্ষানীতিৰ লগত জড়িত কাম-কাজৰ উপৰিও ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ শিক্ষা নীতিৰ গঠন পৰিকল্পনা আৰু ৰূপায়নৰ ক্ষেত্ৰত সু-নিৰ্দেশনা প্ৰদান কৰা।

৫। ৰাজ্য চৰকাৰসমূহক শিক্ষাৰ লগত জড়িত বিষয় সমূহত পৰামৰ্শ প্ৰদান কৰা।

৬। গোটেই দেশতে শিক্ষাৰ বিকাশ সম্পৰ্কে পৰ্যালোচনা কৰা।

### (II) বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grants Commission or UGC) :

মানৱ সম্পদ বিকাশত বৰঙণি আগবঢ়োৱা আন এক কেন্দ্ৰীয় সংগঠন হ'ল বিশ্ববিদ্যালয় অনুদান আয়োগ। ১৯৪৪ চনত চাৰ্জেণ্ট আঁচনিৰ পৰামৰ্শ অনুসৰি ১৯৪৫ চনত যুক্তৰাষ্ট্ৰৰ (United Kingdom) আৰ্হিত এখন 'বিশ্ববিদ্যালয় অনুদান কমিটি' (University Grants Committee) গঠন কৰা হৈছিল যদিও এই কমিটিক আৰ্থিক স্বতন্ত্ৰতা প্ৰদান কৰা হোৱা নাছিল। এই কমিটিৰ মূল কাৰ্য আছিল শিক্ষা মন্ত্ৰণালয়লৈ পৰামৰ্শ প্ৰেৰণ কৰা। শিক্ষা মন্ত্ৰণালয়ে তাৰ পিছত অৰ্থ মন্ত্ৰণালয়ক চূড়ান্ত বিচাৰ কৰি

অনুদান প্ৰদানৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। পৰৱৰ্তী সময়ত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত ১৯৪৮ চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগ বা ৰাধাকৃষ্ণণ আয়োগে অনুদানৰ লগতে বিত্তীয় স্বতন্ত্ৰতা প্ৰদানৰ বাবে এখন আয়োগ গঠনৰ পৰামৰ্শ আগবঢ়াইছিল। ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শৰ ভিত্তিত ১৯৫২ চনৰ নৱেম্বৰ মাহত চৰকাৰৰ এক প্ৰস্তাৱ অনুসৰি এখন অবৈতনিক (Non statutory) বিশ্ববিদ্যালয় অনুদান আয়োগ গঠন কৰে। ইয়াৰ পিছত ১৯৫৩ চনৰ এপ্ৰিল মাহত দেশৰ ৰাজ্যিক শিক্ষামন্ত্ৰী আৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলৰ মাজত এখন সন্মিলন অনুষ্ঠিত হৈছিল য'ত তেওঁলোকে এখন বৈতনিক বিশ্ববিদ্যালয় অনুদান আয়োগ গঠন কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। চৰকাৰে এই পৰামৰ্শ গ্ৰহণ কৰি ১৯৫৪ চনত বিশ্ববিদ্যালয় অনুদান আয়োগ বিল গ্ৰহণ কৰিছিল।

ফলশ্ৰুতিত ১৯৫৬ চনৰ নৱেম্বৰ মাহত বিশ্ববিদ্যালয় অনুদান আয়োগক স্ব-শাসনৰ অধিকাৰ প্ৰদান কৰা হয়। আয়োগৰ প্ৰধান কাৰ্যালয় নতুন দিল্লীত অৱস্থিত। দেশৰ সকলো অঞ্চলক সামৰি লোৱাৰ বাবে এই আয়োগৰ ছয়টা আঞ্চলিক কেন্দ্ৰ আছে যিকেইটা পুনা, হায়দৰাবাদ, কলকাতা, ভূপাল, গুৱাহাটী আৰু বাংগালোৰত অৱস্থিত। কেন্দ্ৰীয় চৰকাৰে আয়োগক প্ৰয়োজনীয় বিত্তৰ যোগান ধৰে। প্ৰয়োজন অনুসৰি আয়োগৰ আইনখনৰ সংশোধন কৰা হয়। ১৯৬৬ চনত, ১৯৭২ চনত, ১৯৮৪ আৰু ১৯৮৫ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ আইনখন সংশোধন কৰা হৈছিল।

## বিশ্ববিদ্যালয় অনুদান আয়োগৰ সংবিধান (Constitution of University Grants Commission) :

ভাৰত চৰকাৰে সভাপতিৰ লগতে নজন সদস্য আয়োগৰ বাবে নিয়োগ কৰে। ইয়াৰ ভিতৰত তিনিগৰাকী প্ৰতিনিধি বিশ্ববিদ্যালয়বোৰৰ উপাচাৰ্যসকলৰ মাজৰ পৰা নিৰ্বাচন কৰি লোৱা হয়, কেন্দ্ৰীয় চৰকাৰক প্ৰতিনিধিত্ব কৰাৰ বাবে বিষয়াসকলৰ মাজৰ পৰা দুগৰাকী প্ৰতিনিধি নিৰ্বাচন কৰা হয় আৰু বাকী চাৰিগৰাকী সদস্য বিশেষ খ্যাতিসম্পন্ন শিক্ষাবিদসকলৰ মাজৰ পৰা নিৰ্বাচিত কৰি লোৱা হয়। ১৯৬৬ চনৰ এপ্ৰিল মাহৰ সংশোধনী অনুসৰি সদস্যৰ সংখ্যা বাৰজনলৈ বৃদ্ধি কৰা হয় আৰু এগৰাকী উপ-সভাপতিও নিয়োগ কৰা হয়। প্ৰতিগৰাকী সদস্যৰ কাৰ্যকাল ছয় বছৰ।

## বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিভাগ (Divisions of University Grants Commission) :

বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিভিন্ন বিভাগবোৰ হ'ল —

১) মানবীয় বিজ্ঞান আৰু সমাজ বিজ্ঞান (Humanities and Social Science)

২) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা (Science and Technology)

৩) কেন্দ্ৰীয় বিশ্ববিদ্যালয়বোৰৰ সমন্বয়, প্ৰশাসন আৰু বিত্ত (Central Universities Coordination, administration and funds)

৪) উচ্চ পৰ্যায়ৰ অধ্যয়ন, বৃত্তি আৰু ফেল'শ্বিপ কেন্দ্ৰ (Centres of Advanced study, Scholarships and Fellowships)

৫) মহাবিদ্যালয় পৰিসংখ্যা, প্ৰকাশন আৰু তথ্য (College Statistics, Publication and Information)

৬) গ্ৰীষ্মকালীন প্ৰতিষ্ঠান, দৰমহাৰ নিৰিখ (Summer Institutes, Salary scales)

ভাৰত চৰকাৰে এই বিভাগবোৰ সাংবিধানিক কাৰ্যাৱলী বিশ্ববিদ্যালয় অনুদান আয়োগৰ যোগেদি সম্পাদন কৰে। এই কাৰ্যবোৰ হ'ল 'উচ্চ শিক্ষা প্ৰতিষ্ঠানবোৰৰ সমন্বয়ন আৰু মানদণ্ড নিৰ্ধাৰণ' (Coordination and determination of standards in institutions of higher aducation)।

## কাৰ্যাৱলী (Functions) ঃ

বিশ্ববিদ্যালয় অনুদান আয়োগৰ কাৰ্য আৰু ক্ষমতাসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

১। বিশ্ববিদ্যালয় সমূহৰ আৰ্থিক প্ৰয়োজনীয়তা সম্বন্ধে অনুসন্ধান কৰি অনুদান আগবঢ়োৱা।

২। ভাৰতীয় বিশ্ববিদ্যালয় আৰু কেন্দ্ৰীয় আয়োগৰ দ্বাৰা পৰিচালিত সম-পৰ্যায়ৰ অনুষ্ঠানসমূহৰ উন্নয়ন আৰু পৰিচালনাৰ বাবে প্ৰয়োজনীয় অনুদান ধাৰ্য কৰি সাহাৰ্য আগবঢ়োৱা।

৩। বিশ্ববিদ্যালয় শিক্ষাৰ উন্নতিৰ বাবে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণৰ কাৰণে পৰামৰ্শ দিয়া আৰু এইবোৰৰ কাৰ্যকৰীকৰণত সহায় কৰে।

৪। কোনো বিশ্ববিদ্যালয়লৈ বিত্তীয় অনুদান আগবঢ়োৱাত কেন্দ্ৰীয় অথবা ৰাজ্য চৰকাৰক পৰামৰ্শ দিয়া।

৫। নতুন বিশ্ববিদ্যালয় স্থাপনত অথবা কোনো বিশ্ববিদ্যালয়ৰ কাৰ্যাৱলীৰ সম্প্ৰসাৰণৰ লগত জড়িত প্ৰস্তাৱ সম্পৰ্কত পৰামৰ্শ দিয়া।

৬। ভাৰতৰ বা অন্য ৰাষ্ট্ৰৰ বিশ্ববিদ্যালয় সংক্ৰান্তীয় তথ্য সংগ্ৰহ কৰি বিশ্ববিদ্যালয় সমূহৰ মাজত বিতৰন কৰা।

৭। ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ কাৰণে প্ৰয়োজনীয় বুলি নিৰ্ধাৰণ কৰা কাৰ্যসমূহ সম্পাদন কৰা।

৮। কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ অথবা বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োগলৈ প্ৰেৰিত বিষয়ত পৰামৰ্শ আগবঢ়োৱা।

৯। বিত্ত সম্পৰ্কীয় বিষয়ৰ লগতে শৈক্ষিক আৰু পৰীক্ষা সম্পৰ্কীয় তথ্য-পাতি সংগ্ৰহ কৰা।

১০। উন্নত গৱেষণা আৰু প্ৰযুক্তি বিদ্যাৰ বিকাশৰ বাবে আৰ্থিক অনুদানৰ ব্যৱস্থা কৰা।

**শিক্ষক শিক্ষাৰ কমিটি (Teacher Education Committees) :**

বিশ্ববিদ্যালয় অনুদান আয়োগে শিক্ষাৰ মানদণ্ডৰ বিকাশ সাধনৰ বাবে দুবছৰৰ বাবে সাতজন সদস্যৰে 'শিক্ষক শিক্ষাৰ কমিটি' (Teacher Education Committees) গঠন কৰে। এই কমিটিয়ে শিক্ষক শিক্ষাৰ নতুনত্ব আৰু গৱেষণাৰ ক্ষেত্ৰত সজাগতা প্ৰদান কৰে। গৱেষণা আৰু শিক্ষাদান কৰ্মক উৎসাহিত কৰিবৰ বাবে জাতীয় ফেল'শ্বিপ আৰু শিক্ষক ফেল'শ্বিপৰ অনুদান প্ৰদান কৰে। আন্তঃৰাষ্ট্ৰীয় সন্মিলন আৰু আলোচনাচক্ৰত অংশগ্ৰহণ কৰাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে বিশ্ববিদ্যালয়বোৰক ভ্ৰমণৰ অনুদান (Travel grants) প্ৰদান কৰে। শিক্ষক শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় অনুদান আয়োগে অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়।

**গৱেষণা (Research) :**

শিক্ষা মন্ত্ৰণালয়ে শিক্ষকসকলক, মহাবিদ্যালয়ক আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ বিভাগবোৰক কেন্দ্ৰীয় মন্ত্ৰণালয়ে বাছনি কৰা শিক্ষাৰ সমস্যাবোৰৰ ওপৰত গৱেষণা কৰাৰ বাবে অনুদান প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। প্ৰকল্পবোৰ সম্পূৰ্ণ কৰিবৰ বাবে সঁজুলিবোৰ প্ৰদানৰ ক্ষেত্ৰত আয়োগে সুবিধা প্ৰদান কৰে।

**উন্নত অধ্যয়নৰ বাবে কেন্দ্ৰ (Centre for Advanced Studies) :**

শিক্ষাৰ গুণমান আৰু মানদণ্ডৰ উৎকৰ্ষ সাধনৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে প্ৰচেষ্টা গ্ৰহণ কৰে। বিশ্ববিদ্যালয়বোৰৰ গুণগত মানদণ্ড পৰীক্ষা কৰিবৰ বাবে আয়োগে বহুতো কমিটি গঠন কৰে। ভাৰতবৰ্ষত শিকণ আৰু গৱেষণাৰ মানদণ্ডৰ উৎকৰ্ষ সাধনৰ বাবে কমিটিবোৰে প্ৰদান কৰা পৰামৰ্শবোৰ কাৰ্যত পৰিণত কৰিবলৈ আয়োগে প্ৰয়াস কৰে।

## (III) ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (National Council of Educational Research and Training or NCERT) :

তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাই (১৯৬১-৬৬) ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰশিক্ষণ আৰু গৱেষণাৰ কেন্দ্ৰ হিচাপে এটা স্বতন্ত্ৰ সংগঠন স্থাপন কৰাৰ পৰামৰ্শ দাঙি ধৰে যাতে ই শৈক্ষিক কাৰ্যৰ বিভিন্ন ক্ষেত্ৰত গৱেষণা আৰু প্ৰশিক্ষণ প্ৰদান কৰিব পাৰে। সেই অনুসৰি ১৮৬০ চনৰ সমাজ পঞ্জীয়ন আইনৰ অধীনত ১৯৬১ চনৰ ছেপ্তেম্বৰ মাহৰ ১ তাৰিখে স্বতন্ত্ৰ সংগঠন হিচাপে ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ স্থাপন কৰা হয়। ইয়াৰ মুখ্য কাৰ্যালয় হৈছে নতুন দিল্লীত। ই হৈছে এক স্বতন্ত্ৰ সংগঠন যিয়ে বিভিন্ন ক্ষেত্ৰৰ শৈক্ষিক কাৰ্যৰ গৱেষণা আৰু প্ৰশিক্ষণ কাৰ্যৰ বিকাশৰ বাবে কাৰ্য সাধন কৰে। এই পৰিষদৰ মুখ্য উদ্দেশ্য হ'ল বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ক নীতি আৰু আঁচনিসমূহ গঠন কৰাত আৰু প্ৰয়োগ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা।

## সাংগঠনিক দিশ (Structure) :

ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ শিক্ষা বিভাগৰ শৈক্ষিক শাখা। এই পৰিষদ ১২ জন সদস্যৰদ্বাৰা গঠিত যিয়ে NCERTৰ নীতি, নিয়ম অধ্যাদেশ অনুসাৰে পৰিচালনা আৰু নিয়ন্ত্ৰণৰ দায়িত্ব পালন কৰে। মানৱ সম্পদ উন্নয়নৰ মন্ত্ৰীগৰাকী হ'ল এই পৰিষদৰ সভাপতি। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী, UGCৰ অধ্যক্ষজন হ'ল ইয়াৰ সদস্য। দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ শিক্ষামন্ত্ৰীসকল হ'ল ইয়াৰ সদস্য। বিশ্ববিদ্যালয়ৰ চাৰিজন উপাচাৰ্য যি ভাৰত চৰকাৰৰ দ্বাৰা মনোনীত আৰু প্ৰতিটো মণ্ডলৰ পৰা এজনকৈ থাকিব।

পৰিষদৰ প্ৰধান এজন পৰিচালক থাকিব, যি দৈনন্দিন কাৰ্য সম্পাদন আৰু নিয়ন্ত্ৰণ কৰিব। তেওঁক এজন যুগ্ম পৰিচালক, যথেষ্ট সংখ্যক প্ৰবক্তাই সহায় কৰিব। পৰিষদক পৰামৰ্শ দিবৰ বাবে দুখন গুৰুত্বপূৰ্ণ কমিটি হৈছে — কাৰ্যনিৰ্বাহক কমিটি আৰু কাৰ্যসূচী উপদেষ্টা কমিটি।

## NCERTৰ সংগঠন (Organization of NCERT) :

NCERT ৰ সংগঠন তলত দিয়া বিভাগসমূহৰদ্বাৰা গঠিত যিয়ে পৰিষদৰ কাৰ্যাৱলীসমূহ পৰিচালনা কৰে—

১। মনোবৈজ্ঞানিক ভিত্তি বিভাগ (Psychological foundation department)
২। বিজ্ঞান শিক্ষা (Science Education)
৩। শিক্ষকৰ শিক্ষা বিভাগ (Teacher Education Department)
৪। দাৰ্শনিক ভিত্তি (Philosophical foundation)
৫। ক্ষেত্ৰ পৰিসেৱা বিভাগ (Department of field services)
৬। জাৰ্ণেল, শৈক্ষিক গৱেষণা আৰু উদ্ভাৱনমূলক কোষ (Journal Cell and educational research and innovation cell)
৭। পাঠ্যক্ৰম আৰু পাঠ্যপুথি বিভাগ (Department of curriculum and texbooks)
৮। বুনিয়াদী শিক্ষা আৰু প্ৰাথমিক শিক্ষা (Basic Education and Primary Education)
৯। দৃশ্য শ্ৰাব্য শিক্ষা বিভাগ (Department of audio-visual education)
১০। বয়স্ক শিক্ষা আৰু সাক্ষৰতা (Adult education and literacy)
১১। কেন্দ্ৰীয় বিজ্ঞান কৰ্মশালা (Central Science Workshop)
১২। কৰ্ম অভিজ্ঞতা আৰু বৃত্তিমুখীকৰণ (Work Experience and Vocationalisation)
১৩। পৰীক্ষা আৰু মূল্যায়ন ক্ষেত্ৰ (Examination and Evaluation Unit)

১৪। কেন্দ্ৰীয় শিক্ষা প্ৰযুক্তিবিদ্যা অনুষ্ঠান (Central Institute of Educational Technology, CIET)

১৫। নিৰ্দেশনা আৰু পৰামৰ্শদান (Guidance and Counselling)

ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে মূলতঃ তলত উল্লেখ কৰা অনুষ্ঠানসমূহ পৰিচালনা কৰে।

১। ৰাষ্ট্ৰীয় শিক্ষা প্ৰতিষ্ঠান (The National Institute of Education NIE)

২। কেন্দ্ৰীয় শিক্ষা প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (Central Institute of Educational Technology CIET)

৩। আঞ্চলিক শিক্ষণ মহাবিদ্যালয় (Regional Colleges of Education)

৪। ক্ষেত্ৰীয় কাৰ্যগোটসমূহ (Field Units)

## NCERTৰ উদ্দেশ্যসমূহ (Objectives of NCERT) :

- শিক্ষাৰ বিভিন্ন দিশসমূহত গৱেষণামূলক কাম-কাজসমূহ আৰম্ভ কৰা, সংগঠিত কৰা আৰু অধিক শক্তিশালী কৰি তোলা।
- উচ্চ পৰ্যায়ত শিক্ষাৰ গুণগত বিকাশ সাধনৰ কাৰণে প্ৰাক্-নিযুক্তিকালীন আৰু নিযুক্তিকালীন প্ৰশিক্ষণ অনুষ্ঠিত কৰা।
- ৰাজ্য চৰকাৰৰ সহযোগত প্ৰশিক্ষণ কেন্দ্ৰসমূহত সম্প্ৰসাৰণ কেন্দ্ৰসমূহ সংগঠিত কৰা আৰু ইয়াত নতুন পদ্ধতি আৰু প্ৰযুক্তিবিদ্যাৰ লগত সম্পৰ্কিত সুবিধাসমূহ প্ৰসাৰিত কৰা।
- শিক্ষনীয় উদ্দেশ্যসমূহত উপনীত হ'বৰ বাবে প্ৰয়োজনীয় পাঠ্যপুথি প্ৰকাশকৰণ, জাৰ্ণেল আৰু অন্যান্য সাহিত্যবাজি প্ৰকাশ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা।
- শৈক্ষিক ব্যৱস্থাপকসকল আৰু শিক্ষকসকলৰ গৱেষণাৰ বিকাশ আৰু উচ্চ প্ৰশিক্ষণৰ ব্যৱস্থাপনাৰ কাৰণে ৰাষ্ট্ৰীয় শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰা।
- শিক্ষণ প্ৰক্ৰিয়াৰ বৃত্তিমূলক আৰু বৈজ্ঞানিক বিকাশৰ কাৰণে প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ স্থাপনৰ ব্যৱস্থা কৰা।
- এক বৃহৎ পৰিসৰত নিৰ্দেশনা আৰু পৰামৰ্শদানৰ সেৱা প্ৰদান কৰা।
- ৰাজ্যৰ শিক্ষা বিভাগৰ দ্বাৰা পৰিচালিত শিক্ষকৰ শিক্ষাৰ বিভিন্ন কাৰ্যসূচীসমূহ পৰীক্ষা কৰা, মূল্যায়ন কৰা আৰু সমন্বয় সাধন কৰা।

## NCERTৰ কাৰ্যসমূহ (Functions of NCERT) :

ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণৰ মূল কাৰ্যাৱলীসমূহ তলত উল্লেখ কৰা হ'ল —

- ৰাজ্যত স্থাপিত বিভিন্ন কেন্দ্ৰসমূহত থকা নিযুক্তিকালীন আৰু শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসনৰ লগত জড়িত বিভিন্ন সমস্যাসমূহ অনুসন্ধান কৰা।

- বিজ্ঞান আৰু অন্যান্য বিষয়ৰ কাৰণে চাৰ্ট, মডেল, ফিল্ম ষ্ট্ৰিপচ্ আৰু অন্যান্য দৃশ্য শ্ৰাব্য সঁজুলিবোৰ যোগান ধৰা।
- এই প্ৰতিষ্ঠানে প্ৰাক বিদ্যালয় শিক্ষা, প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা, প্ৰতিবন্ধী শিক্ষা, শিক্ষকৰ শিক্ষা আৰু অগতানুগতিক শিক্ষাৰ লগত সম্পৰ্কিত সমস্যাসমূহ অধ্যয়ন কৰে।
- এই প্ৰতিষ্ঠানে পাঠ্যপুথিৰ প্ৰস্তুতকৰণ, বিকাশ আৰু প্ৰকাশকৰণৰ দায়িত্বভাৰ গ্ৰহণ কৰে।
- এই প্ৰতিষ্ঠানে বুনিয়াদী শিক্ষাৰ সমস্যাসমূহ বিশ্লেষণ কৰে আৰু বয়স্ক শিক্ষাৰ আঁচনিসমূহ প্ৰস্তুত কৰে।
- নিযুক্তিকালীন শিক্ষকৰ শিক্ষাৰ আঁচনিসমূহৰ ক্ষেত্ৰত ই ৰাজ্যচৰকাৰক পৰামৰ্শ প্ৰদান কৰে।
- ই বিদ্যালয়ত আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত কম্পিউটাৰ শিক্ষাৰ প্ৰচাৰ কৰে।
- এই প্ৰতিষ্ঠানে সমগ্ৰ দেশৰ শিক্ষা প্ৰতিষ্ঠানৰ বিভিন্ন কাৰ্যসূচীৰ মাজত সমন্বয় সাধন কৰে।
- বিদ্যালয় শিক্ষাৰ প্ৰক্ৰিয়াত এই প্ৰতিষ্ঠানে শিক্ষক প্ৰশিক্ষাৰ্থী, অধ্যক্ষ, প্ৰশাসক আৰু শিক্ষকসকলক প্ৰশিক্ষণ প্ৰদান কৰে।
- এই প্ৰতিষ্ঠানে SCERT, DIET বিভিন্ন বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ দ্বাৰা আৰু আঞ্চলিক শিক্ষণ মহাবিদ্যালয়ৰ দ্বাৰা শিক্ষকসকলক নিযুক্তিকালীন প্ৰশিক্ষণ দিয়াৰ দায়িত্ব গ্ৰহণ কৰে।
- বিজ্ঞান আৰু গণিত শিক্ষাৰ ক্ষেত্ৰত পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ সংস্কাৰ সাধনৰ কাৰণে উপযুক্ত পৰামৰ্শৱলী আগবঢ়োৱা আৰু এই ক্ষেত্ৰত উপযুক্তভাৱে শিক্ষণ সঁজুলি আৰু পাঠ্যপুথিৰ বিকাশ সাধন কৰা।
- বিদ্যালয় শিক্ষাৰ লগত জড়িত বিভিন্ন বিষয়সমূহৰ ক্ষেত্ৰত মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ক এই প্ৰতিষ্ঠানে বিভিন্ন পৰামৰ্শ আগবঢ়ায়।
- এই প্ৰতিষ্ঠানে শিক্ষকৰ সমস্যা, পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত গৱেষণামূলক কাৰ্যাৱলীসমূহ হাতত লয়।
- বিভিন্ন ক্ষেত্ৰসমূহত গৱেষণা কাৰ্যক উদগনি যোগাবৰ বাবে জলপানিৰ সুবিধা প্ৰদান কৰা। এক উপযুক্ত বিদ্যালয় পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ বাবে সমাজ বিজ্ঞান আৰু মানৱীয় ক্ষেত্ৰত গ্ৰীষ্মকালীন প্ৰতিষ্ঠান সংগঠিত কৰা।
- শিক্ষাৰ ওপৰত গৱেষণামূলক সাহিত্য, আলোচনী, কিতাপ আৰু পুস্তিকা আদি প্ৰকাশৰ দায়িত্ব পালন কৰা।
- উন্নত শিক্ষাদান কৌশল, নতুনত্ব আৰু অনুশীলনৰ দ্বাৰা শিক্ষাৰ বিকাশ সাধন কৰা।
- ৰাজ্য চৰকাৰৰ দ্বাৰা ৰাজ্যৰ অনুষ্ঠানসমূহৰ, সংগঠনসমূহৰ আৰু সংস্থাসমূহৰ বিদ্যালয় শিক্ষাৰ গুণগত দিশসমূহৰ বিকাশ সাধন কৰা আৰু আঁচনিসমূহ প্ৰয়োগ কৰা।

- এই প্ৰতিষ্ঠানৰ দ্বাৰা শিক্ষাৰ পুনৰ সংগঠনৰ লগত জড়িত সংগঠন, সংস্থা আৰু অনুষ্ঠানসমূহৰ সেৱাসমূহৰ সম্প্ৰসাৰণ কৰা।

## NCERTৰ সম্প্ৰসাৰণ সেৱা বিভাগ (Extension Service Departments of NCERT) :

ৰাজ্যসমূহত সম্প্ৰসাৰণ সেৱাৰ বিভাগসমূহ স্থাপন কৰা হৈছে। এই বিভাগবোৰৰ প্ৰধান ব্যক্তিজনক সমন্বয়কাৰী বোলা হয় যিয়ে সময়ে সময়ে বিভিন্ন শৈক্ষিক উন্নয়নমূলক কাৰ্যসূচীসমূহ আয়োজন কৰে। মাধ্যমিক আৰু শিক্ষকৰ শিক্ষাৰ উন্নয়ন আৰু ইয়াৰ সমন্বয়, সহযোগিতা আৰু যোগাযোগ স্থাপনৰ বাবে ইয়াৰ পৃথক অফিচ, যান-বাহন, দৃশ্য-শ্ৰাব্য সঁজুলি আৰু গ্ৰন্থাগাৰৰ সুবিধা আছে। সম্প্ৰসাৰণ সেৱাসমূহ মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত অৱস্থিত। কলেজৰ অধ্যক্ষজনে ইয়াত নিৰ্দেশক হিচাপে এক গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰে। এই বিভাগৰ প্ৰধান কাৰ্যৰ অন্তৰ্গত দিশসমূহ হৈছে —

- পুথিভঁৰাল সেৱা।
- দৃশ্য-শ্ৰব্য সঁজুলিৰ প্ৰদৰ্শন।
- কাৰ্যৰ প্ৰকাশ
- শিক্ষাৰ সংগঠন, আলোচনা-চক্ৰ, সন্মিলন, কৰ্মশালা, প্ৰদৰ্শনী আৰু ৰচনা প্ৰতিযোগিতাৰ অধ্যয়ন কৰা।
- পৰীক্ষা আৰু মূল্যায়নৰ নতুন ধাৰণাসমূহ প্ৰয়োগ কৰা।
- পাঠ্যক্ৰমৰ বিকাশ।

## নিযুক্তিকালীন শিক্ষা (Inservice Education) :

শিক্ষণ প্ৰক্ৰিয়াৰ গুণগত বিকাশ সাধনৰ কাৰণে NCERT এ শিক্ষকসকলক নিযুক্তিকালীন সুবিধা প্ৰদান কৰে। এই ক্ষেত্ৰত NCERTৰ কাৰ্যসূচীসমূহ হৈছে —

- একৰ পৰা তিনিমহীয়া ৰিফ্ৰেছাৰ পাঠ্যক্ৰম।
- হ্ৰস্বকালীন পাঠ্যক্ৰম।
- বৃত্তিমূলক দক্ষতা বৃদ্ধিৰ বাবে আলোচনা-চক্ৰ, কৰ্মশালা, সন্মিলন আদি অনুষ্ঠিত কৰা।
- গ্ৰীষ্মকালীন কাৰ্যসূচী।
- শিক্ষকসকলৰ অধ্যয়ন ক্লাব সংগঠিত কৰা।

**আঞ্চলিক শিক্ষণ মহাবিদ্যালয় (Regional Colleges of Education) :**

আমাৰ দেশৰ সামগ্ৰিক বিকাশ সাধনৰ কাৰণে NCERT এ আজমীৰ, ভূপাল, ভুবনেশ্বৰ আৰু মহীশূৰত চাৰিখন আঞ্চলিক শিক্ষণ মহাবিদ্যালয় স্থাপন কৰিছিল। প্ৰধানতঃ শিক্ষকৰ শিক্ষাৰ গুণগত মানদণ্ড বিকশাই তোলা হৈছে এই আঞ্চলিক শিক্ষণ মহাবিদ্যালয়সমূহৰ প্ৰধান লক্ষ্য। এই লক্ষ্যত উপনীত হ'বৰ কাৰণে শিক্ষণ মহাবিদ্যালয়সমূহে তলত দিয়া প্ৰশিক্ষণসমূহ অনুষ্ঠিত কৰে—

- একবছৰীয়া শিক্ষণ প্ৰশিক্ষণ কাৰ্যসূচী।
- শিক্ষকসকলৰ বাবে ঔদ্যোগিক হস্তশিল্পৰ ২ বছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম প্ৰদান কৰা।
- যোগাযোগ পাঠ্যক্ৰমৰ মাজেৰে নিযুক্তিকালীন শিক্ষা।
- শিক্ষকৰ শিক্ষাৰ বাবে চাৰিবছৰীয়া সমন্বয় পাঠ্যক্ৰম।

এই শিক্ষণ মহাবিদ্যালয়সমূহৰ জৰিয়তে NCERTএ শিক্ষক, শিক্ষাৰ্থীৰ বৌদ্ধিক, সামাজিক আৰু শৈক্ষিক বিকাশ সাধনৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

এইদৰে NCERT এ বিদ্যালয় শিক্ষাৰ বিভিন্ন ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰে। ই হৈছে এক ৰাষ্ট্ৰীয় সংগঠন যিয়ে শিক্ষাৰ গুণগত বিকাশ সাধনত সহায় কৰে।

## (IV) কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ড (Central Board of Secondary Education or CBSE) :

দেশৰ বিদ্যালয়ত শিক্ষা লাভ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলক মানব সম্পদ স্বৰূপে বিকশাই তোলাৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত গঠন কৰা এক প্ৰতিষ্ঠান হ'ল কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ড। ভাৰত চৰকাৰৰ প্ৰস্তাৱৰ ভিত্তিত ১৯২৯ চনত এখন কেন্দ্ৰীয় শিক্ষা বোৰ্ড গঠন কৰা হৈছিল। এই বোৰ্ডৰ সংবিধান ১৯৫২ চনত সংশোধন কৰি বোৰ্ডখনক 'কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ড' (Central Board of Secondary Education) নামেৰে নামাকৰণ কৰা হয়। ১৯৬২ চনৰ ১ জুলাই তাৰিখে বোৰ্ডখন পুনৰ গঠন কৰা হয় আৰু সমগ্ৰ দেশতে ইয়াৰ কাৰ্য পৰিসৰ বৃদ্ধি কৰি তোলা হয়।

এই শিক্ষাবোৰ্ডখন ৪৫ জন সদস্যৰ দ্বাৰা গঠিত। ইয়াত এজন সভাপতি, উপ-সভাপতি, সচিব, যুটীয়া সচিব আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ বোৰ্ডৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ প্ৰতিনিধিসকলক অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ বাহিৰেও ৬ জন সদস্যক কাৰিকৰী, কৃষি, চিকিৎসাসেৱা, উদ্যোগ, চাৰুকলা আৰু গাৰ্হস্থ্য বিজ্ঞানৰ পৰা ভাৰত চৰকাৰে মনোনীত কৰে। বোৰ্ডৰ সচিবজন হ'ল মুখ্য কাৰ্যবাহী বিষয়া।

এই শিক্ষা বোৰ্ডে সকলোবোৰ কেন্দ্ৰীয় বিদ্যালয়, জৱাহৰ নৱোদয় বিদ্যালয়, ব্যক্তিগত বিদ্যালয় আৰু ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰৰ প্ৰায়বোৰ বিদ্যালয়ক অনুমোদন জনায়। বৰ্তমান বোৰ্ডৰ অধীনত

১১৩৮ খন কেন্দ্ৰীয় বিদ্যালয়, ৩০১১খন চৰকাৰী বিদ্যালয়, ১৬৭৪১ খন স্বাধীন বিদ্যালয়, ৫৯৫ খন জৱাহৰ নৱোদয় বিদ্যালয় আৰু ১৪খন কেন্দ্ৰীয় তীব্বত্তীয় বিদ্যালয় আছে।

সৰ্বভাৰতীয় পৰ্যায়ৰ আৰু বোৰ্ডৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত অন্যান্য বিদ্যালয়সমূহ পৰিচালনা কৰি দেশৰ মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ বাবে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ডৰ প্ৰয়োজন হয়। মাধ্যমিক পৰ্যায়ৰ পৰীক্ষাসমূহ অনুষ্ঠিত কৰিবৰ বাবে বোৰ্ডে নিজে পাঠ্যক্ৰম আৰু কিতাপ নিৰ্ধাৰণ কৰি দিয়ে। এই বোৰ্ডৰ গুণগত মানদণ্ড সাধআৰণতে দেশৰ বিভিন্ন ৰাজ্যৰ মাধ্যমিক শিক্ষাৰ বোৰ্ডসমূহতকৈ উচ্চ।

### উদ্দেশ্য (Objectives) :

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ডৰ প্ৰধান উদ্দেশ্যবোৰ তলত উল্লেখ কৰা হ'ল —

১। পৰীক্ষাৰ নিয়মসমূহ নিৰ্ধাৰণ কৰা আৰু দশম শ্ৰেণী আৰু দ্বাদশ শ্ৰেণীৰ শেষত চৰকাৰী পৰীক্ষা পৰিচালনা কৰা। স্ফীকৃতিপ্ৰাপ্ত বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলৰ উন্নতিৰ প্ৰমানপত্ৰক অনুমোদন জনোৱা।

২। সেইসকল শিক্ষাৰ্থীৰ শৈক্ষিক প্ৰয়োজনসমূহ পূৰন কৰা যিসকলৰ অভিভাৱক বদলিকৰণ যুক্ত চাকৰিত নিয়োজিত হৈ আছে।

৩। পৰীক্ষা সমূহৰ বাবে নিৰ্দেশনাসমূহ অনুমোদন জনোৱা আৰু সময়ে সময়ে তাৰ সময়োপযোগী শুদ্ধৰনি কৰা।

৪। পৰীক্ষাৰ বাবে অনুষ্ঠানসমূহক অনুমোদন জনোৱা আৰু দেশৰ শৈক্ষিক মানদণ্ড উন্নীত কৰা।

### কাৰ্যাৱলী (Functions) :

কেন্দ্ৰীয় মাধ্যমিক শিক্ষাৰ বোৰ্ড প্ৰধান কাৰ্যাৱলীবোৰ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

১। এই বোৰ্ডে শিক্ষকসকলৰ বৃত্তিগত বিকাশৰ বাবে প্ৰাক্ কৰ্মকালীন আৰু কৰ্মকালীন প্ৰশিক্ষণ কাৰ্যসূচীৰ ব্যৱস্থা কৰে।

২। দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষা পৰিচালনা কৰে।

৩। পৰীক্ষাত উত্তীৰ্ণসকলক প্ৰমাণপত্ৰ প্ৰদান কৰাটোও বোৰ্ডৰ আন এক কাৰ্য।

৪। বিদ্যালয় পৰ্যায়ৰ পাঠ্যক্ৰম প্ৰস্তুত আৰু সংশোধনৰ কাৰ্যও কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ডে সম্পাদন কৰে।

৫। প্ৰাক-মেডিকেল, প্ৰাক-দাতব্য চিকিৎসা, অভিযান্ত্ৰিক আৰু স্থাপত্যবিদ্যা স্নাতক পৰ্যায়ৰ সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষাবোৰ এই বোৰ্ডে সম্পাদন কৰে।

৬। এই বোৰ্ডে পৰিপূৰক শিকণ সামগ্ৰীও বিকশাই তোলে।

৭। সমাজৰ বাবে অধিক প্ৰাসংগিক আৰু উদ্দেশ্যপূৰ্ণ শিক্ষা প্ৰস্তুত কৰাৰ বাবে এই বোৰ্ডে প্ৰয়াস কৰে।

৮। এই বোৰ্ডে ব্ৰিটিছ কাউন্সিল অনুসৰি শিক্ষাদানৰ লগতে প্ৰশিক্ষণ প্ৰদানৰ কাৰ্যও সম্পাদন কৰে।

## সামৰণি (Conclusion) :

শেষত ক'ব পাৰি মানৱ সম্পদৰ বিকাশ সকলো দেশৰ বাবে অতি প্ৰয়োজনীয়। ইয়াৰ কাৰণ হ'ল মানৱ সম্পদক বৰ্তমান বিকাশৰ মূল চাবিকাঠি হিচাপে বিবেচনা কৰা হয়। শিক্ষাই অকলেই সমাজৰ বৌদ্ধিক, আবেগিক, নৈতিক, বৈষয়িক, সামাজিক, আধ্যাত্মিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশৰ বিকাশ সাধন কৰি তোলে। মানুহ হ'ল বিশ্বৰ আটাইতকৈ শক্তিশালী প্ৰাকৃতিক সম্পদ। মানুহে এবিধ শক্তিশালী সঁজুলিৰ সহায়ত নতুন পৃথিৱী সৃষ্টি কৰিব পাৰে যাৰ নাম হ'ল শিক্ষা।

## প্ৰশ্নাৱলী

**(I) অতি চমু উত্তৰৰ প্ৰশ্ন (Questions of Very Short Answer)**

১। মানৱ সম্পদৰ বিকাশ মানে কি?
What is meant by human resource development?

২। মানৱ সম্পদ বিকাশৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।
Mention one feature of human resource development.

৩। মানৱ সম্পদ বিকাশৰ এটা সূচক উল্লেখ কৰা।
Mention one indicator of human resource development.

৪। মানৱ সম্পদ বিকাশৰ এটা উদ্দেশ্য লিখা।
Write one objective of human resource development.

৫। মানৱ সম্পদ বিকাশৰ এটা কাৰক উল্লেখ কৰা।
Mention one factor of human resource development.

৬। মানৱ সম্পদ শব্দটো কোনে প্ৰথম ব্যৱহাৰ কৰিছিল?
Who first used the term 'human resources'?

৭। 'Developing Human Resources' গ্ৰন্থখনৰ লেখক কোন?
Who is the author of the book 'Developing Human Resources'?

৮। মানৱ সম্পদ বিকাশৰ এটা উদ্দেশ্য উল্লেখ কৰা।
Mention one objective of human resource development.

৯। মানৱ সম্পদ বিকাশৰ এটা উপাদান উল্লেখ কৰা।
Mention one components of human resource development.

১০। মানৱ সম্পদ বিকাশৰ এটা কৌশল উল্লেখ কৰা।
Mention one strategy of human resource development.

১১। MHRD ৰ সম্পূৰ্ণ আকাৰটো লিখা।
Write the full form of MHRD.

১২। MHRD ৰ এটা উদ্দেশ্য উল্লেখ কৰা।
Mention one objective of MHRD.

১৩। UGC ৰ সম্পূৰ্ণ আকাৰটো লিখা।
Write the full form of UGC.

১৪। UGC ৰ এটা কাৰ্য উল্লেখ কৰা।
Mention one function of UGC.

১৫। UGC ৰ প্ৰধান কাৰ্যালয় ক'ত অৱস্থিত?
Where is the head quarter of UGC situated?

১৬। NCERT ৰ সম্পূৰ্ণ আকাৰটো লিখা।
Write the full form of NCERT.

১৭। NCERT কোন চনত গঠন কৰা হৈছিল?
In which year, NCERT was formed?

১৮। NCERTৰ এটা উদ্দেশ্য উল্লেখ কৰা।
Mention one objective of NCERT.

১৯। CBSE ৰ সম্পূৰ্ণ আকাৰটো লিখা।
Write the full form of CBSE.

২০। CBSE ৰ এটা উদ্দেশ্য উল্লেখ কৰা।
Mention one objective of CBSE.

**(II) চমু টোকা লিখা (Write short notes)**

১। মানৱ সম্পদ
Human resources

২। মানৱ সম্পদ বিকাশৰ বৈশিষ্ট্য
Characteristics of human resource development

৩। মানৱ সম্পদ বিকাশৰ উপাদান
Components of human resource development

৪। মানৱ সম্পদ বিকাশৰ ধাৰণা
Concept of human resource development

৫। মানৱ সম্পদ বিকাশৰ সূচকবোৰ
Indicators of human resource development

৬। মানৱ সম্পদ বিকাশৰ উদ্দেশ্যবোৰ
Objectives of human resource development

৭। মানৱ সম্পদ বিকাশৰ গুৰুত্ব
Importance of human resource development

৮। মানৱ সম্পদ বিকাশৰ কাৰকবোৰ
Factors of human resource development

৯। মানৱ সম্পদ বিকাশৰ পৰিসৰ
Scope of human resource development.

১০। মানৱ সম্পদ বিকাশৰ কৌশল
Strategies of human resource development.

১১। মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়
Ministry of Human Resource Development.

১২। বিশ্ববিদ্যালয় অনুদান আয়োগ
University Grants Commission

১৩। ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ
National Council of Educational Research and Training.

১৪। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ড
Central Board of Secondary Education.

১৫। CBSE ৰ কাৰ্যাৱলী
Functions of CBSE.

**(III) দীঘল উত্তৰৰ প্ৰশ্ন (Questions of long Answer)**

১। মানৱ সম্পদ বিকাশৰ সংজ্ঞা দিয়া। ইয়াৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা।
Define human resource development. Discuss its characteristics.

২। মানৱ সম্পদ বিকাশৰ সূচকবোৰ কি কি? ইয়াৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব আলোচনা কৰা।
What are the indicators of human resource development? Discuss its needs and importance.

৩। মানৱ সম্পদ বিকাশৰ লক্ষ্য-উদ্দেশ্য আৰু উপাদানবোৰ লিখা।
Write the aims objectives and components of human resource development.

৪। মানৱ সম্পদ বিকাশৰ পৰিসৰ আৰু কৌশলবোৰ বৰ্ণনা কৰা।
Explain the scope of strategies of human resource development.

৫। মানৱ সম্পদ বিকাশৰ কাৰকবোৰ ব্যাখ্যা কৰা।
Describe the factors of human resource development.

৬। মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা আলোচনা কৰা।
Discuss the role of education in human resource development.

৭। মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ৰ বিষয়ে আলোচনা কৰা।
Discuss about Ministry of Human Resource Development.

৮। বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিষয়ে বহলাই আলোচনা কৰা।
Elaborately discuss about the University Grants Commission.

৯। ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিষয়ে লিখা।
Write about the National council of Educational Research and Training.

১০। 'শিক্ষা অবিহনে মানৱ সম্পদৰ বিকাশ সম্ভৱ নহয়' — উক্তিটো ব্যাখ্যা কৰা।
'Human resource development is not possible without education'— Explain the statement.

●●●